# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৫/০৩/২০২০ বৃহস্পতিবাৰ

**আজি ইংৰাজী ০৫-০৩-২০১৯ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ বাজেট অধিৱেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৬১, শ্ৰীমৃণাল শইকীয়া। মাননীয় বন মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মাননীয় বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে।

**শ্ৰীমৃনাল শইকীয়া, খুমটাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন উত্তৰটো সন্তোষ জনকেই হৈছে, কিন্তু মই ইয়াত satisfy হ'ব পৰা নাই কিয়, ইয়াত উটমাৰী অঞ্চলটোত Doboka Forest Reserve NH 36 ৰ right side ত নগাওঁৰ পৰা ডিফুলৈ encroachment আছে, মোৰ দৃষ্টিত। সেইটোত মাননীয় মন্ত্ৰী মহোদয়ক মই চৰজমিন তদন্ত কৰিবলৈ অনুৰোধ জনালো আৰু দেখা যায় যে, আমাৰ অসমৰ ফৰেষ্ট বিলাক কোনো কাৰণতে secured নহয় এই কাৰণেই যে সকলোতে encroachment হয়। য'ৰ ত'ৰ পৰা মানুহ আহি ৰাতিৰ ভিতৰতে ইয়াক encroach কৰে আৰু eviction কৰাৰ পাছতো দেখা যায় যে, ৰেভিনিউ ডিপাৰ্টমেণ্টৰ গাফিলতিৰ কাৰণে আকৌ তাত re-encroachment হয়। এতিয়া কাজিৰঙা নেচনেল পাৰ্কত ২০১৬ চনতে eviction হ'ল। কিন্তু তাৰ মাটি আজিও ৰেভিনিউ ডিপাৰ্টমেণ্টে হস্তান্তৰ কৰা নাই ফৰেষ্ট ডিপাৰ্টমেণ্টক। আজিও Assam Tribune কাকতত বাতৰি ওলাইছে যে কলিয়াবৰ চাৰ্কোল অফিচত এই কাগজ এতিয়াও কাগজ হৈ পৰি আছে। ডি চি য়ে অৰ্ডাৰ দি দিছে ৰেভিনিউ অফিচক যে এই মাটিখিনি যিখিনি eviction হৈছে ২০১৬ চনত সেইখিনি হস্তান্তৰ কৰিব লাগে ফৰেষ্ট ডিপাৰ্টমেণ্টক। যাতে সেই মাটিখিনি ৰাখিব পাৰে। ফৰেষ্টৰ কামত ব্যৱহাৰ কৰিব পাৰে, কিন্তু ৰেভিনিউ ডিপাৰ্টমেণ্টে এই মাটিখিনি এতিয়াও হস্তান্তৰ কৰা নাই, ২০১৬ চনৰ মাটি আৰু এই কলিয়াবৰৰ চাৰ্কোল অফিচাৰজনে ক'ত সাহস পাইছে যে, ডি চি ৰ কাগজ, চৰকাৰৰ অৰ্ডাৰৰ পাছতো তেওঁ সেই মাটিখিনি হস্তান্তৰ কৰা নাই। সেইটো এটা চিন্তা কৰিব লগীয়া বিষয়। কাৰণ এডোখৰ মাটি encroachment ফ্ৰি কৰিবৰ কাৰণে চৰকাৰৰ বহুত কষ্ট হয়। আন্দোলন হয়, তাত কাজিৰঙাত মানুহৰ মৃত্যু হৈছিল। কিন্তু সেইখিনি মাটি eviction কৰাৰ পাছত আকৌ তেওঁলোকে encroachment কৰিবলৈ চেষ্টা কৰিছে, encroachment কৰিছিল আৰু eviction কৰিলে কিন্তু ৰেভিনিউ ডিপাৰ্টমেণ্টে সেই মাটিখিনি এতিয়াও হস্তান্তৰ কৰা নাই। সেই কাৰণে মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আপোনালোকে ৰেভিনিউ ডিপাৰ্টমেণ্টৰ লগত আলোচনা কৰি মাটিখিনি অতি সোনকালে আপোনালোকৰ হাতলৈ অনাৰ ব্যৱস্থা কৰক। ধন্যবাদ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মাননীয় বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীমৃনাল শইকীয়া ডাঙৰীয়াই সচাঁকৈ এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন ইয়াত উত্থাপন কৰিছে। ডবকাৰ মাটিকালি হ'ল ৭৮৫৯ হেক্টৰ। খুব ডাঙৰ RF Dated আছিল 1915 ত বহুত পুৰণা কথা । এই কথাটো সঁচা যে বিভিন্ন সময়ত এনে ঠাইবোৰ বে-দখল হৈ থাকে আৰু বে-দখল হৈ থকাৰ কথাটো আপুনি

কোৱাৰ নিচিনাকৈ আমি কিবা চেষ্টা কৰি বা কিবা কষ্ট কৰি বে-দখল মুক্ত কৰোঁ। তাৰ পাছতো আকৌ বহি যায়। এনেকুৱা স্থিতি আছে। কথাটো আপোনাৰ সঁচা। কিন্তু আমি ইয়াত দেখিলো যে, আমাৰ এই স্থানত প্ৰায় বিছ হেক্টৰ মাটি এজন মানুহে কেইবছৰমান আগতে দখল কৰিছিল। দখল কৰি তেওঁলোকে নেমু বাগান, তামোলৰ বাগান কিবাকিবি লগাই দিছিল। সেইটো আমি বে-দখল মুক্ত কৰিলো। তাৰ পাছতে আকৌ দুই হেক্টৰমান মাটি বে-দখল মুক্ত কৰিলো ২০১৬ চনত। এতিয়া কথা হৈছে যে ডবকা ৰেঞ্জত খুব বেছি বে-দখল নাই। কিন্তু আপুনি কোৱা মতে ডবকাৰ লগতে আৰু এটা ৰিজাৰ্ভ ফৰেষ্ট আছে সেইটো হ'ল যমুনা মুৰ্ডাঙ্গা। সেই যমুনা মুৰ্ডাঙ্গা ৰিজাৰ্ভ ফৰেষ্ট জিঅ'গ্ৰাফিকেলি এতিয়া বে-দখলত আছে। ইয়াতে বে-দখলটো বেয়াকৈ আছে। কথাটো সঁচা যদিও স্বীকাৰ কৰিব লাগিব। ইয়াতে আজিৰ দিনত বিছ পচিশ হেক্টৰহে গছ-গছনি আছে বাকী প্ৰায় বে-দখল হৈছে। সেইটো বে-দখল মুক্ত কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চেষ্টা আৰম্ভ কৰিছো। ইয়াতে বহুতখিনি প্ৰায় দহ হাজাৰ লোকে বসবাস কৰিছে। বে-দখলটো আজিৰ পৰা নহয়, বহুত আগৰ পৰাই আছে আৰু এই যমুনা মুৰ্ডাঙ্গা অঞ্চলটো ১৯৫০ চনত আৰ এফ হিচাপে ঘোষণা কৰা হৈছিল কিন্তু আপুনি কোৱা মৰ্মে আমি চেষ্টা কৰিম যাতে ভবিষ্যতে এই মানুহখিনিক ইয়াৰ পৰা উঠাই আমি এই স্থানটো বে-দখল মুক্ত কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীমৃনাল শইকীয়া, খুমটাই ঃ** মাননীয় মন্ত্ৰী মহোদয়, কাজিৰঙাৰ যিটো কথা ক'লো, যে মাটিখিনি আপোনালোকে এতিয়াও ৰেভিনিউৰ পৰা ল'ব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** কাজিৰঙাটো ইয়াৰ লগত related নাই কিন্তু মন্ত্ৰীয়ে যদি কয় ক'ব পাৰে। তথ্যটো আহিব লাগিব। গতিকে যদি তথ্য আছে কওঁক নহ'লে পাছত ক'ব লাগিব।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মাননীয় বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় ৰেভিনিউৰ তথ্যটো আমাৰ ইয়াত এই মূহুৰ্ত্তত নাই যে ৰেভিনিউয়ে কিমান মাটি দিব লগা আছে। আমি ৰেভিনিউৰ মাটি দিয়াৰ তথ্যটো বেলেগকৈ আপোনাক পাছত জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ডাঃ নোমল মোমিন।

**ডাঃ নোমল মোমিন (বোকাজান)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো ডবকা ৰিৰ্জাভ ফৰেষ্ট বুলি কৈছে NH 39 সোমোৱাৰ পাছত ডিফুলৈ লোৱাৰ ৰাস্তা, এইটো অঞ্চলৰ শালগছ ভাৰতবৰ্ষৰ ভিতৰত smallest reserve forest. কিন্তু কথা হৈছে ৰাস্তাৰ দুয়োকাষে গছ আছে। অকনমান ভিতৰলৈ গ'লে দেখা যায় যে গোটেই খালী হৈ গৈছে তাত আৰু encroachment হয়। বাৰে বাৰে উঠাই দিয়ে কিন্তু ৰাতিটোৰ ভিতৰত টিং আৰু বাঁহৰ বেৰা দি আকৌ ঘৰ বনায়। কাৰণ মই সেই ৰাস্তাতেই অহা-যোৱা কৰো। গতিকে এসপ্তাহৰ পাছত যেতিয়া মই যাওঁ, দেখো যে ঘৰ নাথাকে কিন্তু আকৌ ঘৰ আৰম্ভ হৈ যায়। গতিকে এবাৰ উচ্ছেদ কৰাৰ পাছত এইখিনি যাতে স্থায়ী হয় আকৌ যাতে নতুনকৈ ঘৰ বনাব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা ল'ব লাগে। যি শালগছ শেষ হৈ গৈছে তাত আৰু ৰোপন আৰম্ভ কৰিব লাগে।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মাননীয় বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো সঁচা যে, ডাঃ মোমিন ডাঙৰীয়াই যিটো কৈছে তেওঁ যেতিয়া তেওঁৰ সমষ্টিত যায়,ময়ো কেতিয়াবা গ'লে দেখিবলৈ পাওঁ যে সেই ফালে বহুতখিনি বে-দখল হয়। এই কথাটো সঁচা, আপোনালোকে দেখিছে যে আমাৰ বিভাগে ক্ৰমাগত প্ৰয়াস কৰি আছে যে কেনেকৈ আমি বে-দখল মুক্ত কৰিব পাৰো আৰু এইটো ক্ৰমাগতভাৱে আমি কৰি আছো। আমি এই অঞ্চলৰ কোঠৰী, বাগৰী অঞ্চলৰ বহুতখিনি বে-দখল

মুক্ত কৰিলো। কিন্তু আকৌ আহি বহি যায়, কথাটো সঁচা। ঠিক আছে দুষ্ট মানুহৰ বিৰুদ্ধে আমাৰ সংগ্ৰাম অব্যাহত থাকিব, আমাৰ বিভাগে যিখিনি কাম কৰিব লাগে আমি প্ৰক্ৰিয়াৰ জৰিয়তে অব্যাহত ৰাখিব লাগিব। উপায়তো নাই।

**ডাঃ নোমল মোমিন, বোকাজানঃ** মাননীয় অধ্যক্ষ মহোদয়, টাস্ক ফোৰ্চ এটা গঠন কৰিব নোৱাৰে নেকি ?

**মাননীয় অধ্যক্ষ ঃ** সেইটো পিছত চাজেশ্যন দিব, মন্ত্ৰী ডাঙৰীয়াই। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই চৰকাৰক ধন্যবাদ দিম যে, বনাঞ্চলটো বে-দখলমুক্ত কৰিছে আৰু এতিয়া encroachment নাই। কিন্তু ইয়াতে এটা কথা অধ্যক্ষ মহোদয় প্ৰায় দেখা পাওঁ যেতিয়া বে-দখলৰ কথাটো আহে এনেকৈ আহে সন্দেহযুক্ত নাগৰিকে অবৈধ ভাবে বে-দখল কৰিছে। এইকথাটো অলপ বিভ্ৰান্তিমূলক হয়। বে-দখল, বে-দখলেই। ইয়াত সন্দেহযুক্ত, সন্দেহমুক্ত এই কথাবোৰে বিভ্ৰান্তি কৰা হয়। গতিকে আমি ভাবো বে-দখলৰ ক্ষেত্ৰত এনেধৰণৰ কথাই যাতে বিভ্ৰান্তি কৰা নহয়। যদি বে-দখল কৰিছে উচ্ছেদ কৰিব লাগিব। সেই কথাটো অনুৰোধ থাকিল।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী** ঃ-চাৰ, আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে, যে সন্দেহযুক্ত, এতিয়া যি জনে বেদখল কৰিব তেওঁটো সন্দেহযুক্ত নাগৰিক হ'বই। ভাল নাগৰিক হ'লে তেওঁ আইন কানুন মানি চলিব লাগে। সন্দেহযুক্ত আৰু বেয়া নাগৰিক নহ'লে চোৰ কৰে নেকি ? আনৰ মাটি দখল কৰে নেকি ? ডকাইটি কৰে নেকি ? It is a real truth. সন্দেহযুক্ত হ'বই লাগিব।

**মাননীয় অধ্যক্ষ ঃ** - প্ৰশ্ন নং ৬২শ্ৰী মতী অজন্তা নেওঁগ। মন্ত্ৰী মহোদয়,

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমতী অজন্তা নেওঁগ, সদস্যা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত লাখৰো ওপৰত আত্মসহায়ক গোট গঠন হৈছে, আৰু এই আত্মসহায়ক গোট গঠন হৈছে মহিলা সৱলীকৰনৰ এক দৃঢ় পদক্ষেপ হিচাপে। মই ভাবো এই আত্মসহায়ক গোট বিলাক যদি সঠিক ভাবে পৰিচালনা কৰা হয়, ই অসমৰ জনমুৰী আয় বৃদ্ধিত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। এতিয়া কথাটো হ'ল এই আত্মসহায়ক গোট বিলাক গঠনৰ ক্ষেত্ৰত চৰকাৰে কি দৃষ্টিভংগী লৈছে? ৰাজনৈতিক দৃষ্টিভংগী লৈছেনে অৰ্থনৈতিক দৃষ্টিভংগী লৈছে? যদি ৰাজনৈতিক দৃষ্টিভংগী লৈছে তেতিয়া হ'লে মোৰ ক'ব লগা একো নাই। তেওঁলোকক পুঁজি দিছে, সভা সমিতি বিলাকত তেওঁলোকে অংশগ্ৰহন কৰিব লাগিব, ভোট দিব লাগিব। কিন্তু অৰ্থনৈতিক দৃষ্টিভংগী যদি গ্ৰহণ কৰিছে তেতিয়া হ'লে প্ৰত্যেকটো আত্মসহায়ক গোটৰ পৰিচালনাৰ ক্ষেত্ৰত চৰকাৰে দৃষ্টি দিছে নে নাই ? চৰকাৰে মনিটৰিং কৰিছেনে নাই, আৰু আমি দেখিছো কনকলতা আঁচনিৰ জৰিয়তে আত্মসহায়ক গোট বিলাকক পুঁজি দিছে ২৫ হাজাৰ টকাকৈ। মই নিজে একাংশ আত্মসহায়ক গোটক সুধিছিলো, ২৫ হাজাৰ টকাতো ক'ত খৰচ কৰিছে? তেওঁলোকে মোক কৈছিল, তেখেত সকলে নিজৰ মাজতে ঋণ দিছে। সুতটো তেওঁলোকে লয়, মাইক্ৰো ফাইনেঞ্চ তেওঁলোকে নিজৰ মাজতে কৰিছে। আন একাংশক সুধিছিলো যে আপোনালোকে এই টকাটো ক'ত খৰচ কৰিছে? তেওঁলোকে কৈছিল যে আমি ১০ জনীয়া গোটটোৰ সদস্যসকলে নিজৰ মাজতে আঢ়ৈহাজাৰ টকাকৈ ভগাই লৈছো। গতিকে দেখা গৈছে যে গোট বিলাকক যিটো পুঁজি দিয়া হৈছে ২৫ হাজাৰ টকাকৈ, বা ৫ লাখলৈকে লোণ দিয়া হৈছে, এতিয়া আমি দেখিছো যে তেওঁলোকৰ কাম-কাজ ২৫ হাজাৰ টকাৰ পৰা ৫ লাখতে সীমাবদ্ধ ৰাখিছে। তাৰ ওপৰত তেওঁলোক যাব পৰা নাই। বহুত আত্মসহায়ক গোটৰ কি হৈছে যে তেওঁলোকৰ

মাজত যিটো management skill থাকিব লাগে তেওঁলোকৰ যিটো ব্যৱসায়িক দৃষ্টিভংগী হ'ব লাগে, সেইখিনি নথকাৰ কাৰনে, professional skill নথকাৰ কাৰণে, আত্মসহায়ক গোটবোৰে যেনেধৰণে

লাভ কৰিব লাগিছিল তেনেধৰণে লাভ কৰিব পৰা নাই। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে তেওঁলোকে এই আত্মসহায়ক গোটক কেৱল পুঁজি দিয়াতে সীমাবদ্ধ ৰাখিব নালাগে। প্ৰত্যেকটো আত্মসহায়ক গোটক তেওঁলোকে revolving fund পোৱাৰ আগত, আপুনি কৈছে যে ৩০ হাজাৰটা আত্মসহায়ক গোটে revolving fund পাইছে, এই আত্মসহায়ক গোট সমূহক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব নেকি, এইটো প্ৰথম কথা, আৰু ২য়তে আমি দেখিছো যে বহু আত্মসহায়ক গোটে ব্যৱসায়িক ভিত্তিত কিছুমান ট্ৰেড লৈছে। আজি মোৰ সমষ্টিতে মই দেখিছো যে বহুতো মহিলা আত্মসহায়ক গোটে ৰবি শস্য কৰিছে, ট্ৰেক্টৰ মাটি আদি ভাড়াত লৈছে আৰু তেওঁলোকে ব্যৱসায় কৰিছে। কিন্তু ব্যৱসায় কৰাৰ পাছত তেওঁলোকৰ উৎপাদন হৈছে। সেই উৎপাদনখিনি বেছিবলৈ তেওঁলোকৰ বজাৰ নাই, আৰু এই বজাৰ নোহোৱাৰ কাৰনে credit linkage কৰিব নোৱাৰাৰ কাৰনে এই আত্মসহায়ক গোটবিলাকে তেওঁলোকৰ কষ্টৰ ফলটো পাব পৰা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যাতে এই আত্মসহায়ক গোট বিলাকক সকাহ দিবৰ কাৰণে প্ৰত্যেক জিলাভিত্তিক গোটৰ কাৰণে বজাৰ সৃষ্টি কৰিব নেকি? ৩য়তে হৈছে ২০১৯-২০ চনত ১ লাখ আত্মসহায়ক গোটক পইচা দিয়াৰ কথা কৈছে, কিন্তু ৩০ হাজাৰ টা আত্মসহায়ক গোটে পাইছে। এইবাৰ ২০১৯-২০ চনত Budget Allocation কিমান হৈছিল, আৰু পুঁজি কিমান খৰচ হৈছে? আৰু শেষত আপোনাৰ পৰা আৰু এটা কথা জানিব বিচাৰিছো আত্মসহায়ক গোট বিলাকৰ যিটো Village Organization থাকে মোৰ সমষ্টিতে দুশটা Village Organization আছে। এই Village Organization বিলাকৰ কোনো আন্তঃগাঁথনি নাই বা তেওঁলোকৰ কোনো অফিচ নাই। তেওঁলোকৰ যিটো আন্তঃগাঁথনি সৃষ্টি কৰিবৰ কাৰণে Finnancial Assistance দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাক দলে, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কনকলতা মহিলা সৱলীকৰণ আঁচনি খনত কেইটামান মুখ্য উদ্দেশ্য লৈ আমাৰ চৰকাৰে এই আঁচনিখন গ্ৰহন কৰিছিল। সমগ্ৰ অসমত ১ লাখ মহিলা আত্মসহায়ক গোট গঠন কৰা বা পুনৰুজ্জীৱিত কৰা, প্ৰাৰম্ভিক অনুদান হিচাপে নতুন আত্মসহায়ক গোট সমূহক ২৫ হাজাৰ টকাকৈ আৰু যি সমূহ ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ যোগেদি ১৫ হাজাৰ টকাকৈ ঘূৰ্ণীয়মান পুঁজি লাভ কৰিছে, তেনেবোৰ আত্মসহায়ক গোটক ১০ হাজাৰ টকাকৈ দিয়াৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছিলো, আৰু ৫ লাখ টকালৈকে বেংক ঋণৰ ওপৰত সাহায্য আগবঢ়োৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে আমি ১২৬ টা বিধান সভা সমষ্টিত ১৯৮৩৫৪ টা আত্মসহায়ক গোটক এই আঁচনিৰ দ্বাৰা উপকৃত কৰিবলৈ সক্ষম হৈছো। আমি যোৱা মাহত এটা পৰ্য্যালোচনা কৰিছিলো যে আমাৰ আত্মসহায়ক গোট বিলাকক আমি এনেধৰণে চৰকাৰৰ মূল লক্ষ্যটো বিশেষকৈ মহিলা সৱলীকৰণৰ ক্ষেত্ৰত গাওঁ অঞ্চলত থকা মহিলা সকলক আৰ্থিক ভাবে স্বাৱলম্বী কৰাৰ বাবে এই আঁচনিখন লোৱা হৈছিল। এই আত্মসহায়ক গোটৰ লোক সকলে এই পুঁজি সমূহ ব্যৱহাৰ কৰি কি ধৰণে কাম কৰিছে, সেই কাম সমূহৰ ওপৰত এটা পৰ্য্যালোচনা হৈছিল, আৰু এই পৰ্য্যালোচনাৰ সময়ত আমি দেখিছিলো যে প্ৰায় যোৱা বছৰলৈকে তেওঁলোকে প্ৰায় চাৰে ন শ কোটি টকা লৈকে আত্মসহায়ক গোট সমূহে ব্যৱসায়

কৰিবলৈ সক্ষম হৈছে, আৰু আমি সময়ে সময়ে এই আত্মসহায়ক গোট সমূহক ট্ৰেইনিং দিয়াৰ কাৰণে ব্যৱস্থা কৰিছো আৰু এই প্ৰয়াস আমি অব্যাহত ৰাখিছো, আৰু মাননীয় বিধায়িকা বাইদেউয়ে তেওঁলোকৰ আন্তঃগাঁথনিৰ কথা কৈছে, লিংকেজৰ কথা কৈছে, সেই বিষয়টোৰ ওপৰত আমি ইতিমধ্যে বিভিন্ন মাধ্যমেদি আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত লিংকেজ কৰি যাতে তেওঁলোকৰ উৎপাদিত সামগ্ৰী সমূহৰ বজাৰ সমূহ যাতে তেওঁলোকে উচিত ভাৱে আগবঢ়াই নিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে প্ৰয়াস কৰি আছো। ভি, অ সমূহৰ যি আন্তঃগাঁথনিৰ কথাটো সময়ে সময়ে অৱগত কৰি আহিছে এই বিষয়ে আমি চিন্তা-চৰ্চা কৰি আছো। যাতে তেওঁলোকক এটা খুব সুন্দৰ ব্যৱস্থা আমি কৰি দিব পাৰো, তাৰ লগতে কিছুমান ব্লকত আমি মহিলা বজাৰ স্থাপন কৰাৰ ব্যৱস্থা গ্ৰহন কৰি আছো, আৰু যি বজাৰৰ যোগেদি সপ্তাহত এদিন কৈ বা ক'ৰবাত দুদিনকৈ হৈছে আৰু এই বজাৰ সমূহত আত্মসহায়ক গোট সমূহে উৎপাদন কৰা বস্তুৰ যাতে ইয়াত ব্যৱসায় কৰিব পাৰে তাৰ ব্যৱস্থা কৰিছো আৰু তেওঁলোকৰ উৎপাদিত সামগ্ৰী বা তেওঁলোকৰ যি ব্যৱসায় বানিজ্য কৰাৰ ক্ষেত্ৰত যি সংযোজনৰ ব্যৱস্থা এই কথাটো আমি বহল ভিত্তিত আগবঢাই নিয়াৰ বাবে তেওঁলোকক প্ৰশিক্ষণৰ যোগেদি এই আন্তঃগাঁথনিৰ সুবিধাখিনি দিয়াৰ বাবে আমি প্ৰয়াস কৰিম।

**মাননীয় অধ্যক্ষ** ঃ- শ্ৰীগুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যেতি দাস, সদস্য** ঃ- অধ্যক্ষ মহোদয় ধন্যবাদ জ্ঞাপন কৰিছো কনকলতা মহিলা সৱলীকৰণ আঁচনিখন লোৱাৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এই আঁচনিৰ জৰিয়তে আমাৰ মঙ্গলদৈবাসী সঁচাকৈ উপকৃত হোৱা যেন মোৰ অনুভৱ হৈছে, সমগ্ৰ অসমৰ লগতে । আমি মঙ্গলদৈ চহৰত ইতিমধ্যে এখন সাপ্তাহিক বজাৰ আৰম্ভ কৰিছো আৰু ইতিমধ্যে ৰাইজে ইয়াক আদৰিও লৈছে, আৰু দেশৰ অৰ্থনৈতিক অৱস্থা বৃদ্ধিৰ ক্ষেত্ৰত ই প্ৰভাৱ পেলাইছে। পূৱ মঙ্গলদৈৰ দুটা ব্লকৰ পূৱ মঙ্গলদৈটো আমি আৰম্ভ কৰিছো আৰু পশ্চিম মঙ্গলদৈত আমি আৰম্ভ কৰিবলৈ গৈ আছো, এমাহ ডেৰমাহৰ ভিতৰত। মোৰ প্ৰশ্নটো হ'ল মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দুখন স্থায়ী বজাৰ বিচাৰিব খুজিছো তাত দুটা ব্লক আছে পূৱ মঙ্গলদৈ আৰু পশ্চিম মঙ্গলদৈ। তাত স্থায়ী বজাৰ নিৰ্মানৰ কাৰণে গৃহ নিৰ্মাণ বা তেনেকুৱা সুবিধা কৰি দিয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো, আৰু এদিন আমাৰ মঙ্গলদৈ সমষ্টিত যি মহিলা বজাৰ হয়, সেই বজাৰ চাবৰ কাৰনে মই মন্ত্ৰী মহোদয়ক আমন্ত্ৰন জনাইছো।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, বাইদেউৰ এটা প্ৰশ্নৰ উত্তৰ থাকি গ'ল, বাইদেউৱে যিটো কথা কৈছিল ৩৮ হাজাৰ আত্মসহায়ক গোটে ইতিমধ্যে ঋণ পাবলৈ সক্ষম হৈছে। কিন্তু ইতিমধ্যে ২৯৮৩৫৪ টা আত্মসহায়ক গোটক আমি আৰ্থিক অনুদান দিছো। আমি ইয়াত ৩৮ টা

যি গোট এইটো বেংক ঋণৰ বিষয়টোহে আমি ইয়াত উল্লেখ কৰিছো, আৰু আমাৰ মাননীয় বিধায়ক দাস ডাঙৰীয়াই যিটো কথা কৈছে এই বিষয়টো আমি এবাৰ গৈ চাম। আমি মাননীয় বিধায়ক সকলক আহ্বান জনাইছো, বিশেষকৈ চতুৰ্দশ বিত্তআয়োগৰ দ্বাৰাও বহুটো পুঁজি ইতিমধ্যে আমি ব্লক সমূহত দিয়াৰ ব্যৱস্থা কৰিছো। এই পুঁজিৰ দ্বাৰাও যাতে আপোনালোকে প্ৰয়োজন সাপেক্ষে ব্লক সমূহত য'ত পটেনচিয়েল আছে, তেনে ঠাই সমূহত যাতে এনেদৰনৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে যাতে আপোনালোকে পৰামৰ্শ আগবঢ়ায়, আৰু আমিও বিভাগৰ ফালৰ পৰা দৃষ্টি ৰাখিম।

**মাননীয় অধ্যক্ষ** ঃ জাকিৰ হুছেইন সিকদাৰ।

**শ্রীজাকিৰ হুছেইন সিকদাৰ, সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কনকলতা মহিলা সৱলীকৰণ আঁচনিৰ বিষয়ে কৈছে, এই ক্ষেত্ৰত প্ৰত্যেক বিভাগে বিধায়ক সকলৰো অনুমোদন লয়, কিন্তু কথা হ'ল কিছুদিন আগেতে সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়া বৰপেটা জিলালৈ গৈছিল আৰু এই বিষয়ে ৰিভিউ হৈছিল। বেলেগ জিলা সমূহৰ কথা নাজানো কিন্তু বৰপেটা জিলাত কনকলতা আঁচনিখন আত্মসহায়ক গোট সমূহলৈ দিয়া হয়, দিয়াৰ আগদিলা বিভাগীয় বিষয়া সকলে বিধায়ক সকলক লগ কৰে এখন লিষ্ট লৈ যে আজিৰ ভিতৰত যদি আপোনালোকে চহী কৰি নিদিয়ে তেতিয়া হলে আমাৰ ব্লকে টকাখিনি নাপাব। তেওঁলোকে কেনেকুৰা কি আত্মসহায়ক গোট, ভালকৈ চলি আছেনে নাই, তেওঁলোকে ভালকৈ কাম কৰিছে নে নাই কোনো বিষয় নোচোৱাকৈ কেৱল আমাৰ পৰা অনুমোদন তথা স্বীকৃতি দিয়া থাকে। আমি পিছত কিবা এটা ক'বলৈ গ'লে তেওঁলোকে কয় যে আপোনালোকে চহী কৰি দিছিল। গতিকে এইক্ষেত্ৰত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই বিষয়া সকলক নিৰ্দ্দেশ দিব লাগে এনেকুৰা কিবা অনুমোদন জনাব লগীয়া হ'লে আগতীয়াকৈ আমাক কপি বিলাক দিব লাগে যাতে আমি চৰজমিন তদন্ত কৰি ক'ব পাৰো যে তেওঁলোকে ভালদৰে কাম কৰিবৰ কাৰণে আগবাঢ়িছে নে ঋণৰ টকাখিনি আত্মসাৎ কৰিব আহিছে?

**শ্ৰী নৱ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ইন্সট্ৰাকশ্যন দিব। এতিয়া শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কনকলতা আঁচনিৰ বাবে অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো তেখেতে যি গোট গঠন কৰিছে আৰু এই প্ৰক্ৰিয়াটো যিধৰণে আগবঢ়াই নিবলৈ প্ৰয়াস কৰিছে ইয়াৰ যোগেদি এটা কথা প্ৰতীয়মান হৈছে যে ৰাজনৈতিক স্বাৰ্থ আৰু দল-মতৰ ওপৰত গৈ সকলো মহিলা লগত লৈ পেলাই 'সবকা সাথ, সবকা বিকাশ' নীতিৰে যি গোট গঠন কৰি আগুৱাই নিয়াৰ প্ৰয়াস কৰিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো আৰু এটা কথাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব লাগিব যে ইতিমধ্যে তেখেতে মোৰ মৰাণ সমষ্টিৰ অন্তৰ্গত খোৱাং ব্লক এলেকাত এখন মহিলা বজাৰ খুলি মহিলা সকলক ব্যৱসায়-বাণিজ্য কৰাৰ কাৰণে সুবিধা দি এখোপ আগুৱাই নিবৰ প্ৰয়াস কৰিলে। কিন্তু মোৰ এটা প্ৰশ্ন আছে যেতিয়া ২০১৭-১৮ বৰ্ষত প্ৰথমবাৰ গোট বিলাকৰ মাজত চেক বিতৰণ কৰা হৈছিল তেতিয়া নিৰ্বাচিত হোৱা কেইবাটাও গোটে আজি পৰ্য্যন্ত কাৰিকৰী বিজুতি তথা ভিতৰুৱা অসুবিধাৰ কাৰণে চেক পাবলৈ সক্ষম হোৱা নাই। স্থানীয় কতৃপক্ষই ইতিমধ্যে গুৱাহাটীৰ লগত যোগাযোগ কৰিও আজিলৈকে পোৱা নাই বুলি মই জ্ঞাত। এই সন্দৰ্ভত কি ব্যৱস্থা লৈছে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী নৱ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীক আমি অনুৰোধ জনাইছো যাতে যিসমূহ আত্মসহায়ক গোটে এনেধৰণৰ অসুবিধাৰ সন্মূখীন হৈছে সেই সমূহৰ তালিকা দিলে আমি বিহীত ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬৩। শ্ৰী পবিন্দ্ৰ ডেকা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** মই এইখিনিতে আপোনালোকক কথা এটা ক'ব বিচাৰিছো, ইয়াত২২,৪৬৩ টা উদ্যোগৰ নাম আছে। মই সকলো সদস্যকে জনাব বিচাৰিছো যে আপোনালোকে চি ডি ত দি দিব। ইমান কাগজ নষ্ট কৰাৰ প্ৰয়োজন নাই। আঁচলতে গোটেই ৰাজ্যখনৰ বস্তু এটা বিচৰাটো দৰকাৰ।

মই নহয় বুলি কোৱা নাই কিন্তু পৰিসংখ্যাটো যদি চি ডি ত দিয়ে তেন্তে সকলো সদস্যই নিবলৈ সুবিধা হ'ব। অসম ভিত্তিত উত্তৰ বিচাৰিলে অন্ততঃ মেজৰ উদ্যোগ বিলাকৰ নাম ললেই হয়। ইয়াত হয়তো বহুতো সৰু সৰু উদ্যোগৰ নাম ও সোমাই আছে। সেইকাৰণে ভলিউমটো বেছি হৈছে।

**শ্রী পবিন্দ্র ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্রশ্ন সুধিছিলো যে অসম চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ অধীনস্থ কিমান লঘু আৰু গুৰু উদ্যোগ বন্ধ হ'ল? তেখেতে কোনো বন্ধ হোৱা নাই বুলি কৈছে। এতিয়া মই প্রশ্ন কৰিব বিচাৰিছো এই সময়চোৱাত অসম চৰকাৰে চৰকাৰী ভাৱে কিবা উদ্যোগ স্থাপন কৰিলে নেকি বা কেন্দ্রীয় চৰকাৰে এই সময়খিনিত অসমত কিবা উদ্যোগ স্থাপন কৰিলে নেকি? মোৰ এটা প্রশ্নৰ উত্তৰত আপুনি কৈছে যে ২২,৪৬৩ টা গুৰু আৰু লঘু উদ্যোগ অসমত স্থাপন হৈছে। কিন্তু মই সুধিছিলো যে হৈ উদ্যোগ সমূহত যিবোৰ ভূমি দিয়া হৈছে এই ভূমি সমূহ তেওঁলোকে অসম চৰকাৰৰ পৰা ক্রয় কৰিছে নে কি? এই প্রশ্নৰ উত্তৰত তেখেতে কৈছে যে ডেভেলপ্মেণ্ট ফিজ এটা লোৱা হৈছে। মই সুধিছো যে এই ২২,৪৬৩ টাৰ কিছুমান আছে উদ্যোগিক ফাৰ্মত ভাড়াত দিছে। এতিয়া মই সুধিব বিচাৰিছো যে তেওঁলোকে ভূমি ক্রয় কৰিছে নে তেওঁলোকে উন্নয়ণ কৰাৰ বাবেহে মাচুল এটা অসম চৰকাৰক দিব? আঁচলতে তেওঁলোকে ভূমিটো ক্রয় কৰিব লাগিছিল। ক্রয় কৰিলে অসম চৰকাৰলৈ যথেষ্ট খিনি ৰাজহ আহিলেহেঁতেন। মই আৰু এটা প্রশ্ন সুধিছিলো যে এনেভাৱে স্থাপিত উদ্যোগ সমূহত কিমান সংখ্যক অসমৰ খিলঞ্জীয়া নিবনুৱাই চাকৰি লাভ কৰিছে, উদ্যোগ অনুসৰি হিচাপ দিব। ইয়াত কৈছে যে Industrial and Investment Policy of Assam,2019 ৰ অধীনত খিলঞ্জীয়া যুৱক-যুৱতীক নিযুক্তি দিয়াৰ নিয়ম নাই। কিন্তু যদিহে তেওঁলোকে Industrial and Investment Policy of Assam,2019 ৰ অধীনত কিবা সুবিধা বিচাৰে তেনেহ'লে পৰিচালক পদত ৮০ শতাংশ আৰু ৯০ শতাংশ অ-পৰিচালক পদত থলুৱা যুৱক-যুৱতীক নিযুক্তি দিয়াটো বাধ্যতামূলক। এতিয়া মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই পলিচিটোৰ অধীনত কিমান জন অসমীয়া নিবনুৱা যুৱক-যুৱতীক চাকৰি প্রদান কৰিলে?

**শ্রী চন্দ্রমোহন পাটোৱাৰী, উদ্যোগ মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সুধিছে যে চৰকাৰী ভাৱে কিবা উদ্যোগ হ'ল নেকি? চৰকাৰীভাৱে কিবা উদ্যোগ হ'লে আমি Assam Petrochemical Limited ত ইতিমধ্যে প্রায় ১৪ শ কোটি খৰচ কৰিলো। বৰ্তমান কাম চলি আছে আৰু অহা ডিচেম্বৰৰ ভিতৰত তেওঁলোকক কাম সম্পূর্ণ কৰিবলৈ কোৱা হৈছে। তাৰে এটা ইউনিট বঙাইগাওঁ জিলাতো কৰাৰ কাৰণে ইতিমধ্যে কাম আৰম্ভ হৈছে। নিয়মমতে চৰকাৰে উদ্যোগ নকৰে কিন্তু গোটেই ভাৰতবৰ্ষৰ ভিতৰত মাত্র Assam Petrochemical Limited ত ইতিমধ্যে প্রায় ১৪০০ কোটি টকা খৰছ কৰি Methanol Plant কৰিছো। ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। এই ডিচেম্বৰৰ ভিতৰত তেওঁলোকক কাম complete কৰিবলৈ কোৱা হৈছে। তাৰে এটা Unit বঙাইগাওঁ জিলাতো কৰা হৈছে। তাতো ইতিমধ্যে কাম আৰম্ভ হৈছে। আমাৰ Assam Petro chamical Limited আছে, যিহেতু গেছ আছে আমাৰ ইয়াত , গেছৰ পৰা মিথানল উৎপাদন হয়। গতিকে এই মিথালন প্লেন্টটো আমি কৰিছো। গতিকে অসম চৰকাৰৰ ফালৰ পৰা তাৰ বাবে তাত ১৪০০ কোটি টকা দিয়া হৈছে। দ্বিতীয় কথাটো হ'ল যে, ভাৰত চৰকাৰৰ ফালৰ পৰা ইতিমধ্যে অসম চুক্তিৰ আধাৰত যিটো নুমলীগড় ৰিফাইনাৰী হৈছে তাত ২২৫০০ কোটি টকা দিয়া হৈছে Bio-Fuel কৰাৰ কাৰণে। লগতে নুমলীগড় ৰিফাইনাৰীৰ শোধন ক্ষমতা ৩

মিলিয়নৰ টনৰ পৰা ৯ মিলিয়ন টন বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। অধ্যক্ষ ডাঙৰীয়া বৰ্ত্তমান অসমত Crude Oil নাই। বঙাইগাওঁ ৰিফাইনাৰীৰ শোধন ক্ষমতাও আমি ২ মিলিয়ন টনৰ পৰা ৬ মিলিয়ন টন বৃদ্ধি কৰাৰ বাবে আমি চেষ্টা চলাই আছো। গতিকে যিডাল পাইপেৰে ইয়াৰ পৰা তেল লৈ গৈ বাৰাউনীত শোধন কৰা হৈছিল এতিয়া সেই পাইপ লাইনেৰে বাহিৰৰ পৰাহে তেল অসমলৈ আহে। অধ্যক্ষ ডাঙৰীয়া আমি বঙাইগাওঁ ৰিফাইনাৰী বাহিৰৰ তেলেৰে এতিয়া আমি চলাই আছো। গুৱাহাটী ৰিফাইনাৰীত আমি আমাৰ তেল অলপ দিছো। নুমলীগড় ৰিফাইনাৰীতো আমি আমাৰ অলপ তেল দিছো, বাকীখিনি বাহিৰৰ পৰা আহে। ডিগবৈ ৰিফাইনাৰীটো তেনেই সৰু ৰিফাইনাৰী- .৬৫ মিলিয়ন টনৰ ৰিফাইনাৰী গতিকে সেই ৰিফাইনাৰীটো আমি অসমৰ তেলেৰে চলাই আছো। ৭ লাখ মিলিয়ন টন তেল আমাক লাগে। কিন্তু সিমান পৰিমাণৰ তেল অসমত নাই। গতিকে আসাম- বাৰউনী পাইপ লাইনেৰে এতিয়া বাহিৰৰ তেলহে অসমলৈ আহে। সেই কাৰণে চৰকাৰী খণ্ডৰ ফালৰ পৰা আজি নুমলীগড় ৰিফাইনাৰীৰ শোধন ক্ষমতা ৩ মিলিয়ন টনৰ পৰা ৯ মিলিয়ন টন বৃদ্ধিৰ বাবে ৬০০০ কোটি টকা খৰছ কৰি উৰিষ্যাৰ পাৰাদ্বীপৰ পৰা এটা পাইপ লাইন নুমলীগড় ৰিফাইনাৰীলৈকে কৰিবলৈ লোৱা হৈছে। এইটো সোনকালে আহি আছে। দ্বিতীয় কথাটো অধ্যক্ষ ডাঙৰীয়া, বৰ্তমান আমাৰ অসমত গেছৰ নাটনি আছে। তাৰ বাবে আমাৰ চাহ বাগিছাবিলাকত গেছৰ অভাব হৈছে। ৪ টা ৰিফাইনাৰী কে ধৰি BCPL, নামৰূপ থাৰ্মেল, সাৰ কাৰখানা, উদ্যোগবিলাক গেছত চলে গতিকে কিন্তু আমাৰ ইমান পৰিমানৰ গেছ নাই। সেই কাৰণে আমি National Grid ৰ পৰা কানেকশ্যন লৈ বাৰাউনীৰ পৰা এডাল পাইপ লাইন ৬০০০ কোটি টকা ইনভেষ্ট কৰি আনি আছো আৰু এইটো অসমৰ উদ্যোগ জগতৰ বিকাশৰ বাবে এই Pipe Line টো Life Line হ'ব। এইটো সম্ভৱপৰ হ'ল Advantage Assam ত MOU Signৰ দ্বাৰা অধ্যক্ষ ডাঙৰীয়া। আমি আশা কৰিছো আপোনালোকৰ সকলোৰে সহযোগত ইয়াৰ দ্বাৰা অসমৰ উদ্যোগ জগতৰ Scenery টো সলনি হ'ব।

**শ্ৰীপবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই Expansion কথাহে কৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** Expansion হ'লেওতো Investment হৈছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া এটা ৩ মিলিয়ন টনৰ ৰিফাইনাৰীত যিখিনি Employment হৈছে বিভিন্ন ঠাইৰ পৰা যদি ৯ মিলিয়ন টন হয় তেন্তে ৩ টা ৰিফাইনাৰী হ'ল। কিমান উন্নয়ণ হ'ল অধ্যক্ষ ডাঙৰীয়া এই কথাটো চাব লাগিব। অধ্যক্ষ ডাঙৰীয়া দ্বিতীয় কথাটো হ'ল যে আমাৰ অসম চুক্তিৰ আধাৰত যিটো BCPL আছিল সেইটো এতিয়া Lose ত চলি আছে। BCPL টো যাতে Loseত নচলে তাৰ বাবে Subsidy দিয়াৰ কাৰণে ৪,৬০০ কোটি টকা নতুনকৈ দিয়া হৈছে যাতে BCPL টো পূৰ্ণ গতিত আগবাঢ়ি যায়। মাননীয় বিধায়ক ডেকা ডাঙৰীয়াৰ জ্ঞাতাৰ্থে জনাও যে বি পি চি এল টো আজিলৈকে Optimum Level লৈকে যিটো Polymer তেওঁলোতে প্ৰস্তুত কৰিব লাগে কৰিব পৰা নাই। তাৰ কাৰনে ৪৬০০ কোটি টকা দিয়া হৈছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** Point of Order অধ্যক্ষ মহোদয়, This is Question Hour. প্ৰশ্নকৰ্তাই যদি অলপ সময় লয় আপুনি আপত্তি কৰে কিন্তু মন্ত্ৰী ডাঙৰীয়াইতো সদনত Statement দি আছে। এইটোতো Reply নহয়।

**माननीय अध्यक्ष ঃ** ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া- Please Sit down, You have raised your Point. ..............Minister Continue Please. আপুনি যিমান পাৰে চুটি কৰক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া আজি Natural Gas Exploration 3000 কোটি টকা চৰকাৰৰ ফালৰ পৰা তাত invest কৰা হৈছে। এইবিলাকতো তেখেতৰে প্ৰশ্ন , মই উত্তৰহে দিছো। অধ্যক্ষ মহোদয় Victory has got many father and defeat is an orphan. গতিকে success ৰ কথা ক'লে কোনোৱে বেয়া পাব নালাগে। যদি আমি এইবিলাক কৰিব নোৱাৰিলোহেঁতেন তেতিয়া ক'লেহেঁতেন - তেল কি হ'ল? গেছ কি হ'ল? পাইপ লাইন কিয় হোৱা নাই? তেলৰ অভাৱ কিয় হৈছে? গতিকে Victory যেতিয়া হয় তেতিয়া সকলোৱে Father হৈ যায়। এইটো তেখেতৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰ দিলো - আৰু তিনিটা আছে। ধৈৰ্য ও ধৰিব লাগিব শুনিবলৈ অধ্যক্ষ ডাঙৰীয়া ।

(সদনত হাঁহিৰ ৰোল উঠে)

তেখেতৰ দ্বিতীয় প্ৰশ্নটোৰ ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া- তেখেতে সুধিছে যে আমি মাটি বিক্ৰী কৰিলোনে কি কৰিলো? অসম চৰকাৰে কোনো মাটি বিক্ৰী নকৰে। কোম্পানীবিলাকে যেতিয়া Industry বহায় আমি মাটি lease ত দিওঁ। উদাহৰণস্বৰূপে - বাবা ৰামদেবক আমি তেজপুৰত মাটি দিলো। তাৰ বিনিময়ত আমি ১৪ কোটি টকা lease হিচাবে লৈছো। গতিকে লীজত দিলেও মাটিৰ মালিক হৈ থাকে অসম চৰকাৰ। তৃতীয়টো প্ৰশ্ন তেখেতৰ- যে আমাৰ চাকৰি ২০১৬ পৰা ২০১৯ - আজি সদনত কৈ মোৰ নিজৰে মনটো ভাল লাগিব। আমাৰ অসমৰ উদ্যোগ বিভাগৰ লগত জড়িত Start Up আৰু Skill Development- দ্বাৰা ২০১৬ ৰ পৰা ২০১৯ লৈকে ৩ , ৬১,১৪২ জন মানুহ আজিৰ দিনটোলৈকে আমাৰ চৰকাৰৰ দিনত নিযুক্তি দিলো। এতিয়া অধ্যক্ষ ডাঙৰীয়া তেখেতে আন এটা প্ৰশ্ন কৰিছে - Employment স্থানীয় লোকক দিব পাৰে নেকি? আমি কৈছো যে স্থানীয় লোকক দিয়াটো compulsory নহয় । তেখেতে কৈছে যে যিখন policy তাৰ সুবিধা ল'লে দিব পাৰে। এতিয়া অধ্যক্ষ ডাঙৰীয়া আপোনাক জনাওঁ- ইয়াত যিমান Industry হ'ব Industrial Policy ৰ সুবিধা সকলোৱে ল'ব। কাৰণ তাতে Transport Subsidy থাকে, Trade Subsidy থাকে। গতিকে সুবিধা সকলোৱে লয়। এনেকুৱা উদ্যোগ এটা নাই যে কোনোৱাই ইয়াৰে সুবিধা নলয়। গতিকে সকলোৱে ইয়াৰ মানুহক নিযুক্তি দিবই লাগিব। তাৰে ভিতৰত আমি ৮০ শতাংশ Executiveত দিব পাৰিছো আৰু ৯০ শতাংশ আমাৰ পৰা দিয়া হৈছে। অসমৰ নিবনুৱাসকললৈ এটা message যাব লাগে যে, চৰকাৰে এনেধৰণৰ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। গতিকে সেই কাৰণে আজিৰ দিনটোত আমি জনাও যে, উদ্যোগসমূহক কৈছো যে স্থানীয় কোনো লৰাক যদি নিযুক্তি দিয়ে প্ৰতিজন লৰাৰ বিপৰীতে প্ৰতি বছৰে সেই উদ্যোগটোক আমি চৰকাৰৰ ফালৰ পৰা ১০,০০০ টকাকৈ দিম। ইয়াতকৈ এখন চৰকাৰে আৰু কি কৰিব অধ্যক্ষ মহোদয় কওঁক আপুনি ?

**माननीय अध्यक्ष ঃ** ধন্যবাদ...... এটা কথা কৈছো, প্ৰশ্ন যিমানে ডাঙৰ হ'ব উত্তৰটোও সিমানে ডাঙৰ হৈ গৈ থাকিব। গতিকে Supplimentary এটা বা দুটা দিম। ইয়াতকৈ বেছি ক'লে বাকীসকললৈ সময় নাথাকিব।

**শ্ৰীপবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে industrial and investment policy মতে নিবনুৱাক চাকৰি দিছে। এই যে আমাৰ বিভিন্ন উদ্যোগ বিলাকত

ল'ৰা-ছোৱালী সকলক যে চাকৰি দিছে তাত তেওঁলোকক যি দৰমহা দিয়ে সেয়া একেইবাৰে নিম্নতম। মই চৰকাৰক অনুৰোধ কৰো যে চৰকাৰে এটা পলিচি কৰিব লাগে যে তেওঁলোকে অন্তত চলিব পৰা, ধৰি লওঁক গুৱাহাটী বা অন্য ঠাইত পৰিয়ালৰ সৈতে চলিবৰ বাবে কিমান পইচা লাগে সেই ধৰণে এটা তেওঁলোকৰ মাহিলী দৰমহা এটা নিৰ্দ্ধাৰণ কৰি দিয়াৰ এটা ব্যৱস্থা চৰকাৰে কৰিব লাগে। তেতিয়াহলে এই হাজাৰ হাজাৰ লৰা-ছোৱালীয়ে কাম কৰি আছে তেওঁলোকৰ পৰিয়াল আছে, তেওঁলোকে অন্তত উপকৃত হ'ব। এটা পলিচি চৰকাৰে নিৰ্ণয় কৰি তেওঁলোকক দিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় সদস্য পবিন্দ্ৰ ডেকাৰ লগতে সদনৰ মাননীয় সকলো সদস্যকে আপোনাৰ জৰিয়তে অনুৰোধ জনাম যে ৰাজ্যখন উদ্যোগিক ভাৱে বহুত পিছ পৰি আছে, সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত হোৱা এই চৰকাৰ খনে উদ্যোগত এটা আশাৰ ৰেঙণি আনিছে। আমাৰ লৰা-ছোৱালী বিলাকে নয়দা, বাংগালোৰ, পুনে ইত্যাদি বিভিন্ন ঠাইত ৬ হাজাৰ টকাত কাম কৰে, কিমান কষ্ট মাক দেউতাকৰ। আজিৰ দিনটোত আমি বিচাৰিছো যে আমাৰ লৰা-ছোৱালীবোৰে ঘৰত থাকি ইয়াতে কাম পাওঁক। যেতিয়া উদ্যোগিক ভাৱে আমাৰ ৰাজ্যখন মহাৰাষ্ট্ৰ বা গুজৰাটৰ দৰে হৈ যাব তেতিয়া আপুনি কোৱা কথাটো আমি impose কৰিব পাৰিম যে এইটো কৰা, নহ'লে ইয়াৰ পৰা উদ্যোগ উঠাই লৈ যোৱা। কিন্তু আজিৰ দিনটোত যদি বেছি Compulsion কৰিব যাও, আপুনি কোৱাৰ দৰে দৰমহাৰ ক্ষেত্ৰত সেইটো সম্ভৱ নহয়। সেই কাৰণে আমি incentive দিছো। প্ৰতিজন স্থানীয় বাসিন্দাক যদি তোমালোকে নিযুক্তি দিয়া তেতিয়া আমি ১০ হাজাৰ টকাকৈ দি দিম প্ৰত্যেক জন কৰ্মচাৰীক। সেইটো কথা ইতিমধ্যে কৈছো। আৰু এটা কথা কওঁ পবিন্দ্ৰ ডেকা ডাঙৰীয়াই চিন্তা কৰিব লগা নাই তেওঁৰ টিহুতো এটা চিনটেক্স আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, সেইটো তেখেতে সোধাই নাই। এতিয়া বিনন্দ কুমাৰ শইকীয়া আপুনি কওঁক।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ এই প্ৰশ্নতে সংগতি ৰাখি মই এটা কথা মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো যে মোৰ বিধান সভা সমষ্টিত অ গ প চৰকাৰৰ প্ৰথম কাৰ্য্যকালতে Prag Bosimi Syinthetics Ltd. নামৰ এটা উদ্যোগ স্থাপন হৈছিল। সেইটো এটা সময়ত মৃতপ্ৰায় অৱস্থালৈ গৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আমি ইয়াত থকা সকলোৱে জানো।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** এতিয়া মই আকৌ কৈছো আমাৰ চৰকাৰে ৬৫ কোটি টকা এইটো পুণৰুজ্জীৱিত কৰিবৰ কাৰণে দিলে। তাৰপিছত আজি ৪ বছৰ হৈ গ'ল এতিয়ালৈকে এই উদ্যোগটো লাভত আহিছে নে নাই বা সেই টকাবোৰ কি ধৰণে ব্যৱহাৰ হ'ল চৰকাৰৰ ফালৰ পৰা নিৰীক্ষণ কৰা হৈছে নে নাই বা তাত থকা কৰ্মচাৰী সকলে সঠিক ভাৱে দা-দৰমহা পাইছে নে নাই এই গোটেই কথাখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত এবাৰ আলোচনা কৰিছিলো, কিন্তু তাৰপৰা মই এটা বৰ এটা সঠিক সদউত্তৰ পিছত নাপালো ।

**মাননীয় অধ্যক্ষ ঃ** আজি সদুত্তৰ পাবৰ কাৰণে প্ৰশ্নটো কৰিছে নেকি?

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া ঃ** হয়, হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, উত্তৰ দিব তেখেতে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** দ্বিতীয়তে, যে তাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ অধীনত টেক্স টাইল পাৰ্কখনত ৪০ কোটি টকা সেই একেটা প্ৰতিষ্ঠানে অনুমোদন পাই কাম কৰি আছিল,

আজি ৪ বছৰ হৈ গ'ল। সেইখনো আধৰুৱা হৈ আছে, তাৰ কোনো ফলাফল এতিয়ালৈকে নাই আৰু তাৰ তত্বাৱধানত কোনো নাই। এতিয়া উদ্যোগ বিভাগৰ পৰা কোনোবাই যদি চাইছে মই নাজানো, কিন্তু মই জনাত নাই। গতিকে এইটো কথা মন্ত্ৰী মহোদয়ে এটা ব্যৱস্থা কৰিব নেকি। মই তেওঁক এইটো চাবৰ কাৰণে বহুদিন মাতিছো যে আপুনি নিজে গৈ এবাৰ চাই আহিলে ভাল হয়, তেতিয়াহলে যাব নেকি মন্ত্ৰী মহোদয়! তৃতীয়তে, কথাটো লগতে কৈ দিছো।

**মাননীয় অধ্যক্ষ ঃ** ওৱাজেদ ডাঙৰীয়া আপুনি বুজি পাইছেনে, Supplimentary যিকোনো এটা হ'ব লাগে। তেখেতে তিনিলৈ গৈছে মইটো বাধা দিব নোৱাৰো। মন্ত্ৰীয়ে তিনিটাৰে উত্তৰ দিব।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ)ঃ** এইটো একেবাৰে সম্পৰ্কীত চাৰ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** অধ্যক্ষ মহোদয়, বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** উপাই নাই, আপুনি বহক। আমি সকলোৱে responsible, সকলোৱে respons দেখুৱাব লাগিব।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** চাৰ, এইটো একেবাৰে সম্পৰ্কিত।

**মাননীয় অধ্যক্ষ ঃ** সম্পৰ্কিত একেবাৰে নোসোধে কিয়? এক, দুই, তিনি কৈ কিয় সোধে?

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** চাৰ, এক, দুই, তিনি মনত ৰাখিবৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** আকৌ এক, দুই, তিনিকৈ উত্তৰ আহিব।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝাৰ) ঃ** নহয় চাৰ, যোৱাবছৰ বাজেটত আমাৰ ছিপাঝাৰ সমষ্টিত ঔষধ উদ্যান এখন হ'ব বুলি ঘোষণা হৈছিল। আশাৰ ৰেঙণি যিটো মন্ত্ৰী মহোদয়ে কৈ আছে, আমি আশাৰ ৰেঙণি এটা দেখিছিলো আৰু এতিয়া ২৪১ বিঘা মাটি যোৱা বছৰে, এবছৰ হৈ গ'ল, আমি উদ্যোগ বিভাগলৈ হস্তান্তৰ কৰিলো। এতিয়া তাত কি হৈ আছে, সেইটো হ'বনে নহয় সেই কথাটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে ময়ো তেখেতৰ লগত এটা কথা কওঁ যে তেওঁলোকে যিটো গতিত কামটো আগবঢ়াই নিব লাগিছিল সেইটো গতিত নিয়া নাই। তেওঁলোকে পইচা পাইছে, কাৰণ এইটো PPP mode ত আছে, এইটো অকল চৰকাৰীয়ে নহয়। গতিকে এই ক্ষেত্ৰত যিখন টেক্স টাইল পাৰ্কত ৪০ কোটি টকা তেওঁলোকক দিয়া হৈছে, মই জনা মতে ৪০ কোটিৰ ভিতৰত ২০ কোটি মান টকা খৰছ কৰি তেওঁলোকে বৰ্তমান কাম কৰি আছে। এই সম্পৰ্কত চৰকাৰে তদাৰক কৰিছেনে নাই আমাৰ মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কৈছে। গতিকে চৰকাৰে এই সম্পৰ্কত তদাৰক কৰিছে। আমাৰ এ আই ডি চিৰ এম ডি তেতিয়া মিট্টাল ডাঙৰীয়া আছিল। গতিকে মিট্টাল ডাঙৰীয়াক মই এদিন পঠিয়ালো আৰু তেওঁ গোটেই কথাখিনি তদন্ত কৰি আছে আৰু আমাৰ অতিৰিক্ত মুখ্যসচিব আছিল, এতিয়া তেওঁ ভাৰত চৰকাৰৰ সচিব হৈছে ৰবি কাপুৰ ডাঙৰীয়া, তেওঁ এতিয়া টেক্স টাইল মিনিষ্ট্ৰিত আছে। এই গোটেই বিষয়টোত মই টেক্স টাইল মিনিষ্ট্ৰিৰ লগত ভালকৈ পাতিছো। কাৰণ তেওঁ নিজেই আমাৰ ইয়াতে উদ্যোগ বিভাগৰ অতিৰিক্ত মুখ্যসচিব আছিল। এতিয়া তেওঁ টেক্স টাইলৰ সচিব হৈছে ভাৰত চৰকাৰৰ। তেওঁৰ লগত আমি কথাটো পতিছো। আনকি যোৱাকালি মই বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াক গধূলী এটা কথা সুধিছিলো যে আমি ফাৰ্মা পাৰ্কখন কৰো নে আমি টেক্স টাইল পাৰ্ক আৰু এখন ভালকৈ কৰো! কিয় কাৰণ ৰবিকাপুৰ ডাঙৰীয়াৰ লগত মই কথা পাতোতে তেওঁ কৈছিল যে টেক্স টাইল পাৰ্ক এখনৰ কাৰণে লাগিলে আৰু পইচা দিও আৰু পইচা দি যদি এখন মেগা টেক্স টাইল পাৰ্ক কৰি দিও এতিয়া যিহেতুকে মই

সচিব হৈ আছো ভাৰত চৰকাৰৰ টেক্স টাইলৰ, গতিকে গ্ৰেচিম হওক, বিৰলা কোম্পানী, লুইচ ফিলিপ্‌চ এই বিলাক ডাঙৰ ডাঙৰ কোম্পানীক মই তাত মেনুফেক্‌চাৰৰ কাৰণে পঠিয়াই দিম। কাৰণ সচিবে কলেটো মানিবলৈ বাধ্য তেওঁলোক। গতিকে সেইটো কথা যোৱাকালি সন্ধিয়া মই বিনন্দ কুমাৰ শইকীয়াৰ লগত পাতিছিলো।

**মাননীয় অধ্যক্ষ ঃ** তথাপিও সুধিছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** তথাপিও সুধিছে, সোধক বাৰু মোক। বিনন্দ কুমাৰ শইকীয়াই মোক ভাল পায়, মোৰ ভাই ৰ নিচিনা।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া ঃ** চাৰ, কালি তেখেতে যিটো কথা কৈছে, মই অকমান মাজতে কৈছো চাৰ।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই সকলোৰে উত্তৰ নাপায়।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (ছিপাঝৰ) ঃ** চাৰ, কালিৰ কথাটোত মই সন্তুষ্ট হ'ব পৰা নাই কাৰণে সদনত সুধিছো। আৰু সদুত্তৰ শব্দটো মই এইকাৰণে ক'লো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** যোৱাকালি মই সুধিছো, তেওঁ মোক ভাল পায় কাৰণে ইয়াত এইটো কথা সুধিছে, সোধক সেইটোত মোৰ আপত্তি নাই। মই যোৱাকালি গধুলি সুধিছো যে কি কৰা যায়। তেওঁ ফাৰ্মা পাৰ্কতে লাগি আছে, তেতিয়া মই তেখেতক কৈছো যে আমাৰ চান ফাৰ্মা, অজন্তা ফাৰ্মা ডাঙৰ ডাঙৰ ফাৰ্মা কোম্পানী বিলাকে ইতিমধ্যে ছয়গাঁও, পলাশবাৰী এই গোটেই বিলাকত প্ৰতিস্থিত হৈ গ'ল। এতিয়া চান ফাৰ্মা পৃথিৱীৰ ভিতৰত ৫ নম্বৰ আৰু ভাৰতৰ ভিতৰত এক নম্বৰ কোম্পানী। এতিয়া ডাঙৰ কোম্পানীৰ ভিতৰত আছে ক্ৰিভিলা, চিপ্‌লা আৰু ৰেড্ডী কোম্পানী। গতিকে এই কোম্পানী কেইটাৰ লগত মই ব্যক্তিগত ভাৱে কথা পাতিছো। তেওঁলোকে মাজতে কথা পাতিছিল যে আমাৰ ইয়াত আহিব। সেই ভিত্তিতে ফাৰ্মা পাৰ্ক এখনৰ কথা মই তাত ভাবিছিলো। কিন্তু এই যে 'কা' ৰ আন্দোলনটো হ'ল তেতিয়া তেওঁলোকে কলে যে আমি নাযাও তাত 'কা' আন্দোলন হৈ গণ্ডগোল হৈ আছে। এনেকৈ কোৱা কাৰণে মই ভাবিলো যে যদি নাহে তেতিয়াহলে মই টেক্স টাইল পাৰ্কখনেই দি দিও, লজিকটো হ'ল মোৰ সেইটো। এতিয়া তেখেতে কৈছে মোৰ টেক্স টাইল নালাগে দাদা মোক ফাৰ্মা দি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো পিছত পাতি ল'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** যদি ফাৰ্মা লাগে ফাৰ্মায়ে লওঁক। কিন্তু এটা কথা আস্বত্ব কৰিলো আপোনাক আৰু দুটা কথাৰ উত্তৰ দিব আছে। মই সদনত আশ্বাস দিলো যে ২৪১ বিঘা মাটি দিছে তাত এখন উদ্যোগিক পাৰ্ক আমি কৰি দি আছো আৰু দ্বিতীয়, কথাটো হৈছে আপুনি যাবনে নে তাত ! মই এইবাৰ নিশ্চয় যাম। আমাৰ Assemblyৰ Recess সময় এটা আছে নহয় সেই Recess ৰ মাজতে বিনন্দ কুমাৰ শইকীয়াৰ সমষ্টিলৈকে যাম।

**শ্ৰীগুৰুজ্যোতি দাস (মঙলদৈ) ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো এবাৰ চালে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে প্ৰশ্নত আছিল ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ অধিনস্থ লঘু আৰু গুৰু উদ্যোগ কিবা বন্ধ হৈছে নেকি? তেখেতে ৰাজ্য চৰকাৰৰ কথা কৈছে যে হয় বন্ধ হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ কোনো কথা উল্লেখ কৰা নাই যে কেন্দ্ৰৰ অধিনস্থ ইয়াত আছে নে নাই বা বন্ধ হৈছে নে নাই এই কথাখিনি উল্লেখ কৰা

নাই। আমি লক্ষ্য কৰিছো নগাও কাগজ কল আজি কিন্তু নাই, বন্ধ হৈছে, কৰ্মচাৰীবোৰ ৰাস্তাত আছে। আজি পাচগ্ৰাম কাগজকল নাই বন্ধ হৈছে, প্ৰশ্নত আছিল এই কথাবিলাক কিন্তু উত্তৰত নাই। ইয়াৰ পিছত হয়তো ১৬ ৰ পৰা ১৯ লৈকে প্ৰশ্ন কৰা হৈছে কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰে উদ্যোগ নকৰে। তেনেকুৰা কথা নহয়, বেলেগ বেলেগ ৰাজ্যত আমিও দেখিছো।

**মাননীয় অধ্যক্ষ ঃ** চাপলিমেন্টৰীটো কি?

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো চৰকাৰী উদ্যোগ অসমতো হৈছিল, ধুবুৰীৰ দিয়া চলাইৰ উদ্যোগ আজি বন্ধ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো কি?

**ড° ৰফিকুল ইছলাম (জনীয়া)ঃ** মানমানিকপুৰ, বঙাইগাওঁৰ কোম্পানী বন্ধ, কাগজ কল বন্ধ। মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হল যে হাজাৰ ব্যক্তিগত খণ্ডৰ তালিকা দিছে ভাল কথা কিন্তু ২২ টা চৰকাৰী খণ্ডত যদি তালিকা থাকিলেহেতেন আমি ভাল পালোহেতেন লগতে নিৱনুৱা যুৱক-যুৱতীয়ে ভাল পালেহেতেনে। অসম চুক্তিতো এই কথা আছিল। ইণ্ডাষ্ট্ৰীৰ কথা আছিল ।

**মাননীয় অধ্যক্ষঃ** আপুনি ভাষণ দিব নে প্ৰশ্ন কৰিব ? This is your supplimentary, not question hours.

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** অসম চুক্তি মৰ্মে কল-কাৰখানা হৈছিল সেই বিলাকো বন্ধ হৈ আছে। আৰু নতুন কৰিবলগীয়া চৰকাৰৰ দ্বায়িত্ব আছিল সেই বিলাকো কৰা নাই । মই মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছো যে চৰকাৰী খণ্ডত কেন্দ্ৰ আৰু ৰাজ্যৰ অধীনস্থ অসম চুক্তি মৰ্মে আৰু দায়িত্ব উপলব্ধি কৰি বিভিন্ন জিলাত চৰকাৰী খণ্ডত উদ্যোগ প্ৰতিষ্ঠা কৰিব নেকি? নিৱনুৱা যুৱক-যুৱতী নিযুক্তি দিয়া হ'ব নেকি ? এইটো মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া এইটো ডাঙৰ প্ৰশ্ন কিন্তু আপুনি চমুকৈ উত্তৰ দিব ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে সেইটো হয়। পেপাৰ মিলৰ বিষয়টো ভাৰত চৰকাৰৰ Heavy Industries department ৰ অধীনত এই দুটা পেপাৰ মিল। HPC ৰ যিটো পেপাৰ মিল কেৰেলাত আছে সেইটো ইতিমধ্যে বন্ধ হৈছে । এইটোও disinvestment ত গৈছিল, কিন্তু আমি এতিয়ালৈ কষ্ট কৰি অসম চৰকাৰে ৰাখি আছো । এতিয়া আমাৰ NCAT য়ে এইটোত মাজতে বিক্ৰী কৰাৰ কথা কৈ দিলে। এতিয়া শেহতীয়াকৈ NCAT য়ে আকৌ কৈছে যে কোনোবাই এই মিলটো যদি পুনৰুজ্জীৱিত কৰে তেতিয়া ১৫ দিনৰ ভিতৰত আগবাঢ়ি আহিব পাৰে। অধ্যক্ষ ডাঙৰীয়া মই কথাখিনি ক'ব লাগিব কিয়। এই মিল দুটা চলোৱাৰ কাৰণে NCAT য়ে যিটো অৰ্ডাৰ দিছে খুব ভাল অৰ্ডাৰ দিছে। কোনোবা মহালক্ষ্মী নামৰ কোম্পানীয়ে আবেদন কৰিছিল তেওঁলোকৰ খাতিৰত লিকিউডিটৰক কৈছে যে বিজ্ঞাপন দি মিলটো ৰিভাইভ কৰিব পাৰি নেকি চোৱা। তাৰ পিছত লিকিউডিটৰে আসাম ট্ৰিবিউনত বিজ্ঞাপন দিছে আৰু সেই মতে যিবিলাক bidder আহে তেওঁলোকক পুনৰুজ্জীৱিত কৰিবলৈ অৰ্ডাৰ দিছে । দ্বিতীয় কথা অধ্যক্ষ ডাঙৰীয়া, মই বৰ দুখেৰে জনাও মই বি আৰ চেট্টীৰ লগত এই সম্পৰ্কে সবিশেষ কথা পাতিছিলো আৰু তেওঁ সন্মতি প্ৰকাশ কৰিছিল। অসম টি-কোম্পানীৰ ১৫ খন বাগান কিনিছে। কিন্তু এই CAA আন্দোলনৰ সময়ত তেওঁ মোক ফোন কৰি কলে যে মই নাহো, কাৰণ মই টি গাৰ্ডেন কিনি ভুল কৰিলো। মই তেওঁক বাৰে বাৰে বুজাই আছো যে এইটো temporary আন্দোলন। এতিয়া তেওঁ আহিব নোখোজে। তেখেতে কৈছিল যে এইটোও কৰিম আৰু ব্ৰহ্মপুত্ৰ দলংৰ পৰা বাওঁফালে যিটো আইলেণ্ড আছে

সেইটো দিয়ক, মই তাত এনেকুৰা এখন চিটি বনাই দিম যিখন ভাৰতৰ বৃহৎ চিটি হ'ব। অধ্যক্ষ ডাঙৰীয়া, তেখেতে লগতে এটা কথা কৈছে যে অসম চুক্তিত থকা অশোক পেপাৰ মিল বন্ধ হৈ আছে।

**মাননীয় অধ্যক্ষঃ** এইখিনি নালাগে। মইটো কৈছে যে supplementary ত তেনেকুৰা বিষয় নাহে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া অশোক পেপাৰ মিলটোৰ বিষয়ে দুটা কোম্পানীৰ লগত আলোচনা কৰিছো এতিয়া নকওঁ। তেওঁলোকে agree কৰিছে। ১০০ মেট্ৰিক টন পেপাৰ মিলৰ কাৰণে। মাননীয় সদস্য জনাও যে পেপাৰ মিল পুনৰুজ্জীৱিত কৰা চেষ্টাটো চৰকাৰৰ থাকিব । আৰু অশোক পেপাৰ মিলৰ চৌহদত ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম International Multi Model Logostic Hub তাত হ'ব য'ত ৰেলৰে, হাইৰে আৰু এয়াৰ connectivity থাকিব । গতিকে এই কথাখিনিয়ে তেখেতক জনাই থৈ দিলো । এইটো এটা ভাল খবৰ ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মোৰ হাতত তিনিটা supplimentary আছে। কিন্তু মই পৰবৰ্তী প্ৰশ্ন সমূহলৈ যাব লাগিব। As per rule মই দুটা supplimentary দিব লাগে । এতিয়া ৰবিৰাম নাৰ্জাৰি। প্ৰশ্ন নং -৬৪।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** I am on late. Do you want to pass the order, Marshal please remove them. You are suspended. This is that the way. মই allow কৰিব নোৱাৰো ।কথাটো হৈছে I can allow only 2 nos. of supplimentary but I am always flexible. Rabiram Narzari your question.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (কোকৰাঝাৰ, পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মোৰ সমষ্টিৰ সেৰফাংগুৰীত ২০০৬ চনতে আমাৰ AIIDC ৰ নামত ১০০ বিঘা মাটি আৱন্টন দিয়া হৈছিল BTC Govt. ৰ পৰা। কিন্তু এতিয়ালৈকে তাত প্ৰাইভেট বা পাব্লিক চেক্টৰ হওঁক কোনো এটা Industry স্থাপন কৰা নহ'ল । মই মন্ত্ৰী মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ এই AIIDC ৰ নামত যি ১০০ বিঘা মাটি আছে গতিকে মন্ত্ৰী মহোদয়ৰ পদক্ষেপত আমাৰ private/public sector ৰ পৰাই হওঁক Industry বহুৱাবৰ কাৰণে নিজেই আগভাগ ল'ব নেকি ? এই মাটি খিনি আৱন্টন দিয়াৰ সময়ত ইয়াৰ চৰ্ত সমূহ BTC Government ৰ ফালৰ পৰা দিয়া হৈছিল নেকি? এই মাটি খিনি allotment দিয়াৰ পিছত কিমান বছৰৰ ভিতৰত Industry বনাবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা ল'ব লাগিছিল । তাৰ চৰ্ত সমূহৰ বাবে আমাৰ BTC Government ৰ পৰা যিটো সময় দিয়া হয় সেইটো দিছিল নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নাৰ্জাৰী ডাঙৰীয়াই যিটো কথা কৈছে সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে এ,আই,ডি,চিৰ পৰা এই মাটিটো দিয়া হৈছিল। ইয়াৰ বাবে আমি বিভিন্ন ধৰণে উদ্যোগিক সজাগতাও কৰিছো আৰু বিভিন্ন উদ্যোগক আমি তাত যাবলৈ কৈ আছো।কিন্তু তেখেত সকলৰ বহুতে এতিয়াও সন্মতি

প্ৰদান কৰা নাই। গতিকে মই ভাবো অধ্যক্ষ ডাঙৰীয়া, আমি এতিয়া ৰূপসী এয়াৰপোৰ্টটো খুলিম আৰু এইটো খোলাৰ পিছত হয়তো আমাৰ অলপ সুবিধা হ'ব। মাল্টি ম'ডেল ল'জিষ্টিক হাবটো যিহেতুকে আমি যোগীঘোপাত কৰিম সেইটো হোৱাৰ পিছতো সুবিধা হ'ব। কাৰণ চাৰফাংগুৰি এৰিয়াত উদ্যোগ হ'লে আমাৰ দুফালে লাভ আছে। এটা চিকিমত লাভ আছে আৰু এটা ভূটানত লাভ আছে। গতিকে আমি তাত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ষ্টিল কোম্পানীৰ উপৰিও বিভিন্ন কোম্পানীৰ লগত কথা পাতি আছো। তেওঁলোকক বুজাই আছো যে ফুড প্ৰচেচিং কৰিলে ভূটান মাৰ্কেট লবপাৰিব। মই আই,টি,চিক কৈছো। তাত উদ্যোগ কৰিবলৈ যাতে ভূটানৰ মাৰ্কেটখন লব পাৰে। অধ্যক্ষ মহোদয়, আইৰণ তৈয়াৰ কৰাৰ বাবে যি ৰ' মেটেৰিয়েলচৰ দৰকাৰ সেইটো ভূটানৰ পৰা আহে। গতিকে চাৰফাংগুৰি যিহেতু ভূটানৰ ওচৰতে তাত ষ্টিল কোম্পানীৰ বাবে সুবিধা হ'ব। আমি তেওঁলোকক কথাবোৰ বুজাই চেষ্টা চলাই আছো। আমাৰ ওপৰত বিশ্বাস ৰাখক। আমি সম্পূৰ্ণৰূপে চেষ্টা কৰিম যাতে তাত উদ্যোগ যাব পাৰে। ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভ'লপমেন্ট হৈ গৈছে তাত। গতিকে নাৰ্জাৰী ডাঙৰীয়াই যিটো অনুৰোধ কৰিছে সেইটো আমি নিশ্চয় অব্যাহত ৰাখিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পইন্ট অব অৰ্ডাৰ।

( একেলগে কেইবাজনো সদস্যই কবলৈ থিয় হয়)

আপোনালোক বহক, মই সকলোকে দিম। মই কঠোৰ হৈ ভাল নাপাও। মই বিচাৰো যিমানপাৰো কোৰেশ্চন দিবলৈ। এইটো হয়, প্ৰশ্নকৰ্তাই যিমানপাৰে চুটিকৈ প্ৰশ্ন কৰিব লাগে আৰু উত্তৰ দিওতাইও যিমানপাৰি চুটিকৈ উত্তৰ দিবলাগে। সকলোৱে ইয়াত শিক্ষিত মানুহ,গতিকে সকলোৱে বুজি পাব লাগে। আমাৰ আগৰ ষ্টেণ্ডিং অৰ্ডাৰমতে দুজনে চাপ্লিমেন্টৰি আনিব পাৰে। মূল প্ৰশ্নকৰ্তাই দুটা পায় আৰু বাকী দুজনে দুটা পায় ।কিন্তু আমাৰ যিহেতু বিধায়িনী দল চাৰিটা মই পাৰিলে চাৰিটা দিবলৈ চেষ্টা কৰো। সেইকাৰণে কেতিয়াবা একেটা দলৰে দুজন তিনিজন উঠিলে দিয়াটো সম্ভৱ নহব কাৰণ আমাৰ সময়টো যিহেতু সীমিত। সেইকাৰণে এইটো আপোনালোকে বুজিব পাৰিলে ভাল । চাৰিটা বছৰ আমি পাৰ কৰিছো। আগতে ট্ৰেডিশ্যন কি আছিল নাজানো। মই কিন্তু সদায় নিৰপেক্ষভাৱে দি আহিছো আৰু সদায় মই বিৰোধী পক্ষক প্ৰশ্নৰ ক্ষেত্ৰত প্ৰাইঅ'ৰিটি দিও ।কিয়নো তেওঁলোকে প্ৰশ্নখিনি কৰিব অন্যত সুবিধা নাপায়,ইয়াত পায়। মন্ত্ৰী সকলক এম.এল,এ সকলে লগ পাবলৈ দিগদাৰ হয় ।আমি পৰিপূৰক প্ৰশ্ন বা প্ৰশ্ন কৰা মানে এইটো নুবুজাই যে আমি সকলো উত্তৰেই ইয়াত পাইছো,আমি কথাখিনি জনাবৰ বাবে কৈছো। ৰফিকুলে যেতিয়া কৰিলে তেতিয়া আৰু পাঁচ মিনিট আছে। সেই কাৰণে মই ৰুলমতে দুটা দি বাকী নিদিলো। প্ৰশান্ত ফুকন চিনিয়ৰ হয়, তেখেতে দুবাৰ হাত ডাঙিছে, মই দুবাৰেই দিবপৰা নাই। মোৰ ভাল লাগিছে নেকি? কালি নজৰুল ইচলামে সুধিছে,আনকালে নুশুধে সেইকাৰণে মই এটা এডিশ্যন দিছো, নহ'লে নিদিলোহেতেন। মই নতুন খিনিকো বিচাৰো, পুৰণাখিনিকো বিচাৰো যাতে সৌহাৰ্দপূৰ্ণ পৰিৱেশ হয়। কাৰোবাক টানকৈ কৈ সাংঘাটিক স্ফুৰ্টি মই নাপাও, কিন্তু মই হাউচটো চলাব লাগিব। আমি সকলোৱে ডেম'ক্ৰেটিক চিষ্টেম এটাৰ মাজেদি আহিছো। Are you happy with the system 100 percent ? আমি কোনো সুখী নহয়। কিন্তু This is the best system. গতিকে আমি গণতান্ত্ৰিক ব্যৱস্থাটোৰ যদি কিবা flexibility লাগে We will have to change the Rules.সেইকাৰণে মই বি,এ,চি মিটিঙত কৈছিলো যে আমি ৰুলখন অলপ পৰিৱৰ্তন কৰাৰ বাবে এখন কমিটি কৰা ভাল হ'ব। পাৰ্লিয়ামেন্টত question hour শেষলৈ দিয়া হৈছে,যাতে দৰকাৰ হ'লে সময় বঢ়াব পাৰে, প্ৰথমে question hour নাই। সময় নোহোৱাৰ বাবেই দিয়া নাই।

প্ৰশ্নটো ইম্প'ৰটেন্ট নহয় বুলি মই কোৱা নাই। ৰাজেদ ডাঙৰীয়া ,মই আপোনাৰ লগত একমত যে আমি question টো যদি পাঁচ মিনিটৰ ভিতৰত হয়, উত্তৰো যদি পাঁচ মিনিটৰ ভিতৰত হৈ যায় দহ মিনিটত এটাকৈ গলে আমি ৬০ মিনিটত ৬ টা কৈ প্ৰশ্ন পাব পাৰো। Supplementary নাথাকিলে কেতিয়াৰা ৭ টাও হয়। Supplementary ভালকৈ দিয়াৰ ক্ষেত্ৰত বিধায়িনী দল বিলাকে যদি কোনে ক'ব এটা এটা নাম দি দিয়ে তেতিয়া মই চাৰিটাও দিবলৈ চেষ্টা কৰিম। আজি নোৱাৰাৰ কাৰণেহে মই দুটা দিছিলো। মই কঠোৰ হৈছো কিন্তু কঠোৰ হ'বলৈ ভাল নালাগে। আপুনি কিবা এটা ক'ব বিচাৰিছিলে কওঁক।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Industry Department ৰ ওপৰত ক'বলৈ বহুত আছে। আপুনি জানে জাগীৰোড আৰু পাচঁ মাইলৰ পেপাৰ মিলত কিমান মানুহ আত্মহত্যা কৰিলে ---

**মাননীয় অধ্যক্ষ ঃ** ৰফিকুলে এইটো উঠাইছিলে। তেখেতৰহে এইটো question আছিল।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা আপুনি কাকো ক'বলৈ নিদিলে। এগৰাকীক আপুনি allow কৰিলে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ প্ৰশ্নটো পিছত দিছিলে। প্ৰথমতে তেখেতৰ কাগজ পাইছিলো। তাৰ পিছত ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ পাইছো।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক মই মাজতে point of order দি কৈছিলো। এজন মন্ত্ৰীয়ে স্পষ্ট উত্তৰ দিব লাগে। প্ৰশ্নকৰ্তাই স্পষ্ট প্ৰশ্ন কৰিব লাগিব আৰু মন্ত্ৰীয়েও স্পষ্ট উত্তৰ দিব লাগিব। ইয়াতে ৰাজনীতিকৰণ নকৰিব।

---সদনত হুলস্থুল-

**মাননীয় অধ্যক্ষ ঃ** আজি শ্ৰী দেৱব্ৰত শইকীয়াই আপোনাক দায়িত্ব দিছে কাৰণে আপোনাক কথাটো শুধিছো তেখেত নাই বাবে। আপুনি যেনেকৈ কথাবোৰ ডাঙৰকৈ কৈ আছে আপুনিওতো কথাবোৰ সৰুকৈ ক'ব পাৰে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুজন সদস্যক আপুনি নিলম্বিত কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** মই যিকোনো মুহুৰ্তত নিলম্বিত প্ৰত্যাহাৰ কৰিব পাৰো। That is my prerogative.

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক অনুৰোধ কৰিছো প্ৰত্যাহাৰ কৰিবলৈ।

**মাননীয় অধ্যক্ষ ঃ** সেই কথাটোকে মই আপোনাৰ পৰা জানিব বিচাৰিছো। আপুনি বহক। আপুনি কিবা এটা ক'ব বিচাৰিছে কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজেদ আলী ডাঙৰীয়াই যিটো কথা কৈছে মই আপোনাক কওঁ ।পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো প্ৰশ্ন শুধিছে সেইটো হ'ল Government Sector ত আমি কি কি কৰিলো ? এইখিনি কথা নকলে মোৰ অসুবিধা হ'ব। তাকতো দীঘলীয়া কৰি মই ৰাজনীতিকৰণ কৰিব যোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ভুৰুকাত হাতী ভৰাব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ভুৰুকাত যদি হাতী ভৰাব লাগে যিবিলাক প্ৰশ্ন কৰ্তা তেওঁলোকেও ভুৰুকাত হাতী ভৰাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মইও মানো, মই আপোনাৰ লগত একমত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আৰু এটা কথা কওঁ যে আমি ৰাজনীতিকৰণ কৰা নাই। India ত ৬৪ হাজাৰ নিযুক্তি দিয়াটোত ৰাজনীতিৰ কথা নহয়। তাত সকলো দলৰ মানুহে পাইছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, ৰাজনীতিৰ কথা ক'ব নাপায় যিহেতু তেখেত এজন senior member.

**মাননীয় সদস্য ঃ** মই এইটো already withdraw কৰিলো। এতিয়া আমি point of order লৈ আহিছো। আপুনি কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No. টো হ'ল ১৫৪। মই বাণিজ্য ও উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো গুৱাহাটীত প্ৰস্তাৱিত Film Fare নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'লনে? যদি হোৱা নাই কেতিয়া আৰম্ভ হ'ব? বিভাগে উত্তৰ দিলে প্ৰকল্পটোৰ বাবে যোৱা ৬ জুন ২০১৯ তাৰিখে নিবিদা আহ্বান কৰিছে। Film Fare ক লৈ গুৱাহাটী আৰু অসমবাসীৰ এটা সপোন। বিভাগে সেই সময়ত যথেষ্টখিনি সপোন দেখুৱাইছে। কিন্তু চাৰ, যিটো উত্তৰ বিচাৰিছিলো সেইটো নাপালো। যোৱা ২০১৯ চনৰ ৬ জুন তাৰিখে নিবিদা আহ্বান কৰিছে। আকৌ ২০২০ চনৰ জুন মাহ আহি গ'ল। নিবিদা আহ্বান কৰিছে, নিবিদাৰ tender droping ৰ last date কি, তেনেকুৱা কোনো সঠিক উত্তৰ পোৱা নাই গতিকে proper reply টো লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক নিবিদাৰ ক্ষেত্ৰত এটা স্পষ্ট উত্তৰ লাগে। ঠিক আছে। এতিয়া দুৰ্গা ভূমিজ।

**শ্ৰী দুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্ন প্ৰশ্ন ৬৬। মই বিচাৰিছিলো যে গাওঁ পঞ্চায়তৰ দায়িত্ব dual charge ত আছে। গতিকে গাওঁ পঞ্চায়তত খালী হৈ থকা সচিব পদ কেইটা কেতিয়া পূৰণ কৰা হ'ব? ইয়াৰ পোনপটীয়া উত্তৰ বিচাৰিছিলো। ইয়াৰ ব্যৱস্থা লৈ থকা বুলি কৈছে আৰু কৈছে কৰ সংগ্ৰহৰ ক্ষেত্ৰত গ্ৰাম সেৱক, গ্ৰাম সেৱিকা সকলক দায়িত্ব দিয়া হৈছে। গতিকে পোনপটীয়া উত্তৰ এটা লাগিছিলে। আচলতে চৰকাৰৰ grass root level ৰ যিটো কাম-কাজ সেইটো সচাঁকৈয়ে unstable হৈ গৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এইটোৰ পোনপটীয়া উত্তৰ বিচাৰিছো।

## Point of Order

**শ্ৰী শেৰমান আলি, বাঘবৰ** - মাননীয় অধ্যক্ষ মহোদয়, মোৰ তিনিটা প্ৰশ্নৰ point of order আছে। এটা হ'ল unstarred question No. 137।

মোৰ প্ৰশ্নটো আছিলে যে অসমত যিবোৰ Brick - kilns আছে। এই Brick - kilns বোৰৰ পৰা properly ৰাজহ সংগ্ৰহ কৰি থকা হৈছে নে?

মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে Brick - kilns ৰ কথা উদাহৰণ দিব খুজিছো -NBI brick industry ২০১৬-১৭ চনত তেওঁলোকে earth work ৰ কাৰণে permit লৈছিলে 9,000 m3. ।9,000 m3 ত ৪৫ লাখ brick বনাব পাৰি। গতিকে এইটো এটা ডাঙৰ কোম্পানী। মাননীয় অধ্যক্ষ মহোদয়, মই যিটো point out কৰিব খুজিছো, ইমান ডাঙৰ এটা brick industry ৰ পৰা ২০১৭-১৮,২০১৮-১৯, ২০১৯-২০ চনত কোনো ধৰণৰ royalty collection কৰা হোৱা নাই। It is a great loss to the state, not only this one। এনেকুৱা আৰু কাম কৰিমগঞ্জত এটা brick kilns ৰ পৰাও এক পইচাও royalty collection কৰা

হোৱা নাই। লিখি থৈছে - assessment for quantity is under process. ২০১৬-১৭,২০১৭-১৮,২০১৮-১৯,২০১৯-২০ চন এই চাৰি বছৰত এক পইচাও brick kilns পৰা ৰাজহ সংগ্ৰহ নহ'ল। This is great loss to the state। properly earth ৰ revenue খিনি collection কৰা হ'ল হেতেন, এই ৭শ মান brick kilns পৰাই অসমে কেইবা হাজাৰ কোটি টকা পালে হেতেন।

দ্বিতীয়তো হ'ল - মোৰ প্ৰশ্নটো আছিলে যে প্ৰতিটো Forest Division ৰ under ত administrative district কিমান টা আছে।

প্ৰশ্ন কৰা উদ্দেশ্যটো আছিলে যে এটা এটা Forest Division য়ে বহুত দূৰলৈ cover কৰিব লাগে নেকি ? মই এটা উদাহৰণ দিব খুজিছো - NK Division। বিভাগে দিয়া উত্তৰ মতে dymatrical distance য়ে ১৫০ কি. মি বুলি কৈছে। NK Division ৰ under ত থকা administrative district only Kamrup বুলি কৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, NK Division ৰ under ত অকল কামৰূপ জিলাই নহয়, তাৰ ওপৰি বৰপেটা, নলবাৰী, দৰং, পাঠশলা এই কেইটা administrative district আছে। কিন্তু বিভাগে উত্তৰতো ভুল কৈ দিলে। মোৰ প্ৰশ্নটো আছিলে যিহেতু NK Division ৰ পৰিসৰটো বহুত ডাঙৰ আৰু বৰপেটা জিলা, নলবাৰী জিলাত বহুতো mineral resouce আছে। গতিকে বৰপেটাৰ SAP Division টো convert কৰি পেলাই Territoral Division কৰিব লাগে। Which is require or better collection of revenus, ১৫০ কি. মি.দূৰৰ পৰা গৈ তেওঁলোকে না Illegal timber ধৰিব পাৰিব, না কৰ ফাকি ধৰিব পাৰিব।

তৃতীয় হ'ল - মোৰ প্ৰশ্নটো হ'ল unstarred question No. 156, মাননীয় অধ্যক্ষ মহোদয়, PAC সম্পৰ্কে আছিলে। ২০১৪-১৫ আৰু ২০১৫-১৬ চনত flexi fund । flexi fund মানে যিটো Govt. of India ৰ NRDWP ৰ fund আহে তাৰে ১০ শতাংশ টকা as per recommendation of 14th Finance Commission, ৰাজ্য চৰকাৰে বিভিন্ন কামত খৰচ কৰিব পাৰে। মানে তেওঁলোকে দিয়া schem ৰ বাহিৰে, they can use. ইয়াতে এই flexi fund ৰ under ত, আমি সেই সময়ত সদনত প্ৰশ্ন কৰিছিলো যে চৰ অঞ্চলবোৰত অন্তত টিউবেল বোৰ দিব লাগে। সেই কাৰণে এই flexi fund ৰ পৰা প্ৰায় ৫০০ টিউবেল অনুমোদন কৰিছিলে। কিন্তু সেইখিনি আজিলৈ installed নহ'ল। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে Govt. of India ই বন্ধ কৰাৰ কাৰণে দিব পৰা নাই। This is totally a wrong answer. This tubewell were under sanction flexi fund.

দ্বিতীয়তে মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনতে tubewell install কৰিবলৈ সৰু সুৰা ঠিকাদাৰ, ৫০ হাজাৰ, ৬০ হাজাৰৰ এটা এটা ঠিকাৰ মূল্যত তেওঁলোকৰ এই টিউবেলবোৰ বহুৱালৈ দিয়া হ'ল। আজিলৈ তেওঁলোকে পইচা পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ভাৰত চৰকাৰে বন্ধ কৰিছে। This is also a wrong answer. ভাৰত চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ টকা ব্যৱহাৰ কৰিবলৈ মানা কৰিছে। ৰাজ্য চৰকাৰৰ resouce আছে নহয়। সেই সৰু সুৰা ঠিকাদাৰবোৰক আজি পাঁচ বছৰে পইচা দিয়া হোৱা নাই।

Starred question no. 77, আমাৰ মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে যথেষ্ট উৎসাহৰে যোৱা বছৰ আমাক ৫ শ খন ফৰ্ম দিছিলে। এই ৫ শ ৰ ভিতৰত মাননীয় অধ্যক্ষ মহোদয়, ভৱানীপুৰত

মাত্র ২০ জনে পাইছে, পাটাছাৰকুছিত মাত্র ৩৪ জনে পাইছে।

ইয়াত উত্তৰতো শুদ্ধ কৰি পোৱা নাই - কাৰণ বুলি কৈছে poor CIBIL score যিটো বেংকে কৰে, আচলতে এইটোতে গোটেই গণ্ডগোলটো সোমাই আছে আৰু time taken for completion of bank formalities। বেংকে যদি ১ লাখ দিয়ে, ২০ হাজাৰ টকা subsidy পায়, সেই ২০ হাজাৰ টকা untill and unless the beneficiary কওঁক যে তেওঁৰ লোণ অনুমোদন হয়। This is the main reason.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্যা শ্ৰীমতী ৰ'জলীনা তুৰ্কী।

**শ্ৰীমতী ৰ'জলীনা তিৰ্কী, সৰুপথাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ point of order তিনিটা প্ৰশ্নত আছে। প্ৰশ্ন কেইটা হ'ল unstarred question no. 119, No. 152 & No. 163.

প্ৰথম প্ৰশ্ন হ'ল unstarred question no. 119 - NRL প্ৰকল্পৰ ৰাজসাহায্য আৰু ঋণৰ সম্পৰ্কত। এতিয়া আমি সকলোৱে জানো যে খুৱে ভাল লাগে কাৰণ মোৰ সমষ্টিতে আছে আমাৰ NRL Refinary Limited টো। কথাটো হৈছে - তাত যি ৩ মিলিয়ন টনৰ পৰা ৯ মিলিয়ন টন হৈছে, খুব ভালে কথা । ইয়াত এটা বিসংগতি হৈছে - ২২,৫,৯৪ কোটি টকাৰ ৰাজ সাহাৰ্য্য পাইছে। কিন্তু ইয়াত যদি back up দিয়া যায় যে ইয়াত ৰাজ সাহায্য কিমান টকা দিয়া হৈছে। ১০২০ কোটি টকাহে কেন্দ্ৰীয় চৰকাৰে মুলধন ৰেহাই দিয়া হৈছে আৰু ১৫,১০২ কোটি টকা ঋণ হিচাবে দিয়া হৈছে। গতিকে ইয়াত কেনেকৈ ৰাজ সাহায্য হিচাবে দিয়া হ'ল।

মাননীয় অধ্যক্ষ মহোদয়, কথা হ'ল যে যিটো শুনিছো আৰু তথ্য হিচাপে বেলেগ কিবা এটা আছে।

দ্বিতীয় প্ৰশ্নটো হৈছে ১৫২। ইয়াত আছে আমাৰ NRL ৰ ৰাজহুৱা উদ্যোগ খণ্ডৰ একত্ৰিকৰণ আৰু খুচুৰা বিক্ৰী কেন্দ্ৰ সম্পৰ্কত। তৃতীয় প্ৰশ্নটো হৈছে ১৬৩, ৰাজ্যখনৰ শিক্ষিত নিৰনুৱা সম্পৰ্কত। তথ্য বিচাৰিলে সদায়ে যুগুতাই থকা হৈছে বুলি কয়, ২০১৬ চনৰ পৰা আজিলৈকে যুগুতাই থকা হৈছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** উত্তৰটো ক'ত ভুল? তথ্য যদি ভুল পাইছে আপুনি মোক লিখিতভাৱে দি দিয়ক। কেতিয়াৰ পৰা আপুনি যুগুতাই আছে, সেই প্ৰশ্ন কেইটা একেলগে দি দিব। You will get the answer from the Minister.

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ লিখিত প্ৰশ্ন নং ১২৬। 'ক' উত্তৰটো ভুলকৈ দিছে। জিলাভিত্তিক নাম আৰু ঠিকনা আৰু বেঙ্কৰ নাম্বাৰটো জনাব? উত্তৰ দিছে জিলাভিত্তিক নাম ঠিকনা আৰু বেঙ্কৰ নাম্বাৰটো সংগ্ৰহ কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়ালৈকে পোৱা নাই। আপুনি পাব লাগিছিল। মই চাই দিম। আপুনি মাথো মোক এখন চিঠি দিব। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ এটা তৰাবিহীন প্ৰশ্নৰ ১৩৮ ৰ উত্তৰত যিটো উত্তৰ দিছে এই উত্তৰটো সম্পূৰ্ণ অসত্য।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মোক লিখিতভাৱে দিব যে উত্তৰটো কিয় অসত্য, মই উত্তৰটো মন্ত্ৰী ডাঙৰীয়াক দিবলৈ কম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দিয়া হৈছে যে Central Ground Water Authority য়ে 300 $M^3$ পানী ভূগৰ্ভৰ পৰা ওলায় বুলি কৈছে কিন্তু ইয়াতে অধিক পানী ভূ-গৰ্ভস্থলৰ পৰা ওলাই আছে আৰু দ্বিতীয়তে, তিনি বছৰত

তেওঁলোকে ৩.৫০ লাখ টকা CSR ত খৰছ কৰা বুলি কৈছে। মই আপোনাৰ জৰিয়তেদি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এইটো এটা DC level ত enquiry দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ এইটো supplementary হৈ গ'ল। মোক লিখিত দিব ইয়াত ক'ব নোৱাৰে। এতিয়া ডঃ নোমল মমিন।

**ডঃ নোমল মমিন (বোকাখাত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ starred question 76,তাৰে C ৰ উত্তৰত major point of order আছে। যোৱাকালি মোৰ starred question ৪৫ আছিল দেওপানীৰ মন্দিৰটো কাৰ প্ৰজেচনত আছে? যোৱাকালি উত্তৰ পাইছিলো not known. আজি দিছে দেওপানীৰ possession টো Tea Garden authority ৰ লগত আছে। গতিকে আজি উত্তৰটো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ঠিক দিছে। কিন্তু এই উত্তৰটো Cultural Department য়ে কিয় দিয়া নাই?

**মাননীয় অধ্যক্ষ ঃ** আপুনি দেওপানী preserve কৰাৰ কাৰণে প্ৰশ্নটো Cultural Department ক দিছে। কিন্তু আপোনাৰ point of order টো অৰ্থহীন। সেইকাৰণে Cultural Department ৰ হাতত এই তথ্যটো নাথাকিবও পাৰে। সেইকাৰণে not known বুলি দিছে। প্ৰত্যেক বিভাগৰ ওচৰত সকলো তথ্য নাথাকিবও পাৰে। গতিকে আপুনি আজিৰ উত্তৰত যদি সন্তুষ্ট হৈছে Cultural Department ক জনাই দিব।

**ডাঃ নোমল মমিন (বোকাখাত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা হ'ল আমাৰ তাত দুখীয়া চাহ বাগিছা মজদুৰ সকলৰ কাৰণে ৭৩ ঘৰ PMAY sanction কৰিছিলে। কিন্তু ২৫ জন মানুহক NOC দিছে। ৬ মাহ পাৰ হৈ গ'ল কিন্তু NOC পোৱা নাই। বাকীখিনি NOC পাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটো supplementary হৈ গ'ল। You give a letter through me we will answer from the department.Next Shri Pabindra Deka.

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুখেৰে জনাইছো যে আমাৰ মাননীয় উদ্যোগ মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ পাছত বিভিন্ন জনৰ প্ৰশ্নৰ উত্তৰত বাৰে বাৰে এটা কথা কৈছে যে 'কা' বিৰোধীতাৰ কাৰণে উদ্যোগ বিকাশ হোৱা নাই। এইটোত মই খুৱ দুখ পাইছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি দুখ পাব নালাগে। তেখেতে তথ্যৰ ওপৰত কৈছে কিজানি। ইয়াত আলোচনা কৰিব নোৱাৰিব। Now Minister Parliamentary Affairs you have to lay the Economic Survey Report.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, I on behalf of Finance Minister beg to lay the Economic Survey Report of Assam for the year 2019-20.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যেতিয়া point of order ক'ব দিছে, সেইটোত যদি কোনোবাই ব্যাখ্যা কৰিছে সেইটো political নহয়। আমি Hindustan Paper Corporation লৈ বেছি concern. অধ্যক্ষ মহোদয়, আপুনি বিচৰাৰ দৰে মইও Parliamentary Affairs Minister হিচাপে সদনখন পৰিপাটিকৈ চলাতো বিচাৰিছো। Hindustan Paper Corporation Ltd. টো অসম চৰকাৰৰ নহয়, ই ভাৰত চৰকাৰৰ

Heavy Industries and Public Enterprises Ministry ৰহে। এতিয়া, NCLT য়ে যিহেতু আকৌ এটা revival project দিছেই গতিকে সেইটোক লৈ আমাৰ কমলাক্ষ দে' পুৰকায়স্থ আৰু ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এনেদৰে চিঞ্ৰৰ-বাখৰ কৰিবলগীয়া একো নাছিল। আজিৰ পৰা এসপ্তাহ আগতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাননীয় প্ৰধান মন্ত্ৰী মহোদয়লৈ এই পেপাৰ মিল পুনৰুজ্জীৱিত কৰাৰ বাবে আৰু এখন পত্ৰ প্ৰেৰণ কৰিছে। অধ্যক্ষ মহোদয়, মই আপোনাৰ আগত বৰ্ণনা কৰিব নোৱাৰো, এই পেপাৰ মিল দুটা পুনৰুজ্জীৱিত কৰাৰ বাবে মোৰ জীৱনৰ কিমান শক্তি ব্যয় কৰিছো। মই ফাঁকি দিয়া মানুহ নহয়। তেওঁলোকে ইমান চিঞৰ-বাখৰ কৰিব নালাগিছিল। আজি আমাৰ Supplementary Demand ও আছে, আমি সকলোৱে এই সম্পৰ্কে আলোচনা কৰাটো প্ৰয়োজনীয়। আমি যিহেতু 'সবকা সাথ, সবকা বিকাশ' ত বিশ্বাস ৰাখো, গতিকে, আপুনি যি দুজন সদস্যক আজিৰ দিনটোৰ বাবে বহিষ্কাৰ কৰিলে, সেই ক্ষেত্ৰত মই Parliamentary Affairs Minister হিচাপে আপোনাক অনুৰোধ কৰিছো যে তেওঁলোকৰ suspension টো যাতে withdraw কৰি সদনলৈ আহিব দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আমি সদনৰ প্ৰত্যেকজন সদস্যই একোগৰাকী learned সদস্য। মোক ৰফিকুল ইছলাম এটা suggestion দিছিল যে Question Hour ত সদস্যই দুইমিনিট সময় ক'ব আৰু মন্ত্ৰী সকলে ৩ মিনিট সময় ক'ব। কিন্তু, তেখেতে Supplementary তো ২ মিনিট সময় বেছিকৈয়ে কৈছে। গতিকে আমি সকলোৱে কেতিয়াবা কিবা কাৰণত জানিও ভুল কৰো। সেইকাৰণে মই point of order টো ক'বলৈ নিদি লিখিতিভাৱে দিয়াটো বিচাৰো। এসময়ত point of order ত কেৱল ৩-৪ গৰাকী সদস্য উঠিছিল, আজিকালি ১০-১২ গৰাকী সদস্যই কোৱাৰ বাবে উঠে। সেয়েহে, এদিন মই এইটো reconsider কৰিব লাগিব, কাৰণ this is not a strictly point of order. অধ্যক্ষ হিচাপে মই concern, বিভাগে যাতে প্ৰশ্নসমূহৰ উত্তৰ ভালদৰে দিয়ে, কাৰণ এই প্ৰশ্নকালীন ঘণ্টাটোতে আমি বিভাগক জবাবদিহী কৰিব পাৰো। বিভাগে ভালদৰে কাম কৰিলে তাৰ প্ৰশংসা পাব আৰু যদি ভাল নহয়, তেন্তে সেই কামৰ সমালোচনা হ'লেহে আগন্তুক সময়ত কামটো ভালদৰে কৰিব। সেয়েহে, মই পাটোৱাৰী ডাঙৰীয়াৰ লগত একমত যে আপোনালোকে এই দুটা মিল পুনৰুজ্জীৱিত কৰাৰ বাবে যথেষ্ট চেষ্টা চলাইছে। মইতো ভাৱিছিলো এই মিল দুটা শেষ হৈ যাব। এই মিল দুটাক লৈ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহখিনি খুবেই চিন্তিত আৰু ইয়াৰ বাবে আপোনালোকে যি পুঁজিৰ কথা চিন্তা কৰিছে তাত মই বৰ সুখী হৈছো। আপোনালোকে প্ৰচেষ্টা চলাই থাকক। আজি কোনোবাই বেয়া পালেও, যেতিয়া আপুনি সফল হ'ব তেতিয়া সকলোৱে পূজা কৰিব। ভাল বেয়া সকলোতে থাকে। এতিয়া সদনৰ কাৰ্যসূচীসমূহ ভালদৰে চলক।

এতিয়া মই সদস্য দুগৰাকীৰ বহিষ্কাৰ প্ৰত্যাহাৰ কৰি তেওঁলোকক সদনত অহিবৰ বাবে অনুমতি দিছো। তেওঁলোকক মাতি দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি তেওঁলোকৰ suspension withdraw কৰাৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। এইখিনিতে, মই এটা কথা ক'ব বিচাৰিছো, মই হাজাৰবাৰ Suspend হৈছো, কিন্তু, সেই Suspension withdraw কৰাৰবাবে আজিলৈকে মোৰ দলেও অনুৰোধ কৰা নাই আৰু মন্ত্ৰী মহোদয়েও অনুৰোধ কৰা নাই।

(উক্ত ভাষ্য শুনি সদনত হাঁহিৰ ৰোল উঠে।)

**माननीय अध्यक्षः** শ্বেৰমান আলী ডাঙৰীয়া, আপোনাক suspend কৰাৰ পিছদিনা আপুনি যেতিয়া supplementary ৰ বাবে কাগজ দিছে, মই আপোনাকে প্ৰথমতে সুবিধা দিছিলো। গতিকে, মই সেইবোৰ ভাৱি নাথাকো।

এতিয়া আমি ২ নং কাৰ্যসূচীলৈ যাব বিচাৰিছো। পথ আৰু দলঙৰ মঞ্জুৰীটো আলোচনা কৰিম বুলি আমি সকলোৰে accept কৰিছিলো। গতিকে মন্ত্ৰী ডাঙৰীয়াই এতিয়া move কৰক।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২০চনৰ ৩১ মাৰ্চৰ শেষত হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ "মঞ্জুৰী নং ৬৪-পথ আৰু দলং"ৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১৫০০০.০১ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় শ্ৰী ৰাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** Sir, i beg to move that the total provision of Rs. 15000.01 lakh under Supplementary Demand for Grant No.64 in respect of Roads and Bridges at page 71 to 73 of the list of Supplementary Demand be reduced by Rs. 100.00 i.e., the amount of the whole Supplementary Demand of Rs. 15000.01 lakh to stand reduced by Rs. 100.00.

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** Sir, i beg to move that the total provision of Rs. 15000.01 lakh under Supplementary Demand for Grant No.64 in respect of Roads and Bridges at page 71 to 73 of the list of Supplementary Demand be reduced by Rs. 100.00 i.e., the amount of the whole Supplementary Demand of Rs. 15000.01 lakh to stand reduced by Rs. 100.00.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আমি সকলোৰে জানো যে আলোচনাৰ বাবে কিমানখিনি সময় নিৰ্দিষ্ট কৰা আছে। বক্তা কেইবাজনো আছে। প্ৰথমে, নুৰুল হুদাই ক'ব।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৯-২০ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ যি মঞ্জুৰীত কৰ্তন প্ৰস্তাৱ উত্থাপন হৈছে তাৰ সপক্ষে মই দু-আষাৰ ক'ব ওলাইছো। যোগাযোগ এটা শক্তিশালী মাধ্যম । স্থল পথ, জল পথ আৰু বায়ু পথৰ উন্নয়নে এখন দেশৰ অৰ্থনৈতিক অৱস্থাত যথেষ্ট প্ৰভাৱ পেলায়। এখন দেশৰ অৰ্থনীতি তেতিয়াহে বিকাশ হ'ব যেতিয়া সেই দেশৰ ৰাস্তা, দলং ভাল হ'ব। বেপাৰ বাণিজ্য উদ্যোগ আদি গঢ়ি উঠিব। কিন্তু, দেখা যায় যে আমাৰ অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ, জিলা পথ, গ্ৰাম্য পথ, নগৰীয় পথ, পঞ্চায়ত পথকে আদি কৰি প্ৰায় ৫৬ হাজাৰ কিলোমিটাৰ যোগাযোগৰ কাৰণে ৰাস্তা আছে। এই পথসমূহ পৰ্য্যায় ক্ৰমে চৰকাৰে উন্নয়ণ কৰিব লৈছে। আজিৰ যিটো কৰ্ত্তন প্ৰস্তাৱ, পৰম্পৰাগতভাৱে এই কৰ্ত্তন প্ৰস্তাৱটোত টকা কৰ্তনৰ বাবে কোৱা হৈছে। কিন্তু এই যিটো বিভাগ তাত বেছিহে টকা দিব লাগে। এখন গাওঁৰ প্ৰতিচ্ছবি তেতিয়াহে প্ৰতিফলিত হ'ব, যেতিয়া গাওঁৰ ৰাস্তা উন্নয়ণ হ'ব। গাওঁৰ ৰাস্তা যেতিয়া উন্নয়ণ হ'ব তেতিয়া সেই ৰাস্তাটোৱে এখন আইনাৰ নিচিনা গোটেই গাওঁৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰিব। কিন্তু আমাৰ গাওঁৰ ৰাস্তা সমূহ উন্নয়ণৰ বাবে২০০০-২০০১চনত 'প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা', ৰ এটা অভিলাসী আঁচনি গ্ৰহণ কৰা হৈছিল আৰু এই অভিলাসী

আঁচনিত গাওঁৰ ১০০০ জনতকৈও অধিক, ৫০০জনতকৈ অধিক বা ২৫০ জনতকৈ অধিক জন বসতিপূৰ্ণ গাওঁ সমূহত ৰাজ্যিক পথ বা ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন কৰাৰ কাৰণে এই পথসমূহ নিৰ্মাণৰ বাবে আঁচনি লোৱা হৈছে। এই আঁচনিসমূহ সকলো বতৰৰ উপযোগী পথ নিৰ্মাণ কৰাৰ All Weather Road নিৰ্মাণ কৰাৰ ভাল আঁচনি আছে। কিন্তু ২০০০-২০০১ চনত হোৱা আঁচনিখন আজিলৈকে সম্পূৰ্ণ ৰূপে ৰূপায়ণ কৰিব পৰা নহ'ল। আজি কিছু দিন আগত মই বিধান সভাৰ প্ৰশ্নৰ উত্তৰত দেখা পালো যে PMGSY ৰ অধীনত ১০০০ জনবসতি থকা গাওঁসমূহত ৰাস্তা সংলগ্ন কৰা কাগজে-কলমে সম্পূৰ্ণ হৈ গৈছে। কিন্তু প্ৰকৃততে হোৱা নাই। মোৰ ৰূপহীহাট সমষ্টিত প্ৰায় ৩০৫ কিলোমিটাৰ ৰাস্তা বোকাময় অৱস্থাত পৰি আছে। কেৱল সৈইটোৱে নহয়, ৰাজ্যিক ৰাস্তাসমূহৰ অৱস্থা একেবাৰে বেয়া। মোৰ বিধান সভা সমষ্টিৰ মই উদাহৰণ দিব বিচাৰিছো। সোণাই-ছাইদৰীয়া এটা ২১ কিলোমিটাৰ ৰাজ্যিক পথ আছে । কিন্তু এই পথটোৰ এনেকুৱা অৱস্থা হৈছে যে গোটেই ৰাস্তাটোত পুখুৰীৰ নিচিনা গাত হৈছে। বৰষুণ দিলেই পানী জমা হয়। এনেদৰে যাতায়তৰ সমস্যাৰ সৃষ্টি হৈছে। যিটো মূল পথ, সেইটো আমাৰ নগাওঁ চহৰৰ পৰা ওলায় তেজপুৰ সংলগ্ন ৰাস্তাতোটোত গৈ লাগিছে। এইটো কেৱল মোৰ ৰূপহীহাটত পৰা নাই, নগাওঁ সদৰ সমষ্টিতো আধা পৰিছে। এই ৰাস্তাটো কেইবাবাৰো আমি দিছো, কিন্তু এতিয়ালৈকে কোনো আঁচনিতে এই ৰাস্তাটো অন্তৰ্ভুক্ত হোৱা নাই। আমাৰ ৰাস্তাবোৰ নিৰ্মাণ কৰোতে কিছুমান Policy ৰো গণ্ডগোল আছে। গতিকে মই এইটোৱে ক'ব বিচাৰিছো যে এই বিভাগৰ যিখিনি আঁচনি SOPD চলি আছে আৰু যিবিলাক ৰাস্তাৰ ব্লেকটপ কৰিছিল সেইসমূহ ৰাস্তা ২-৩ টা বছৰ যোৱাৰ পিছতে ৰাস্তাবোৰ ভাঙি যায়। ৰাস্তাৰ আয়ূসবোৰ দীৰ্ঘম্যাদী নহয় আৰু ৰাস্তাসমূহ বনাওঁতে ঠেক বনায়। কিছুমান ৰাস্তা বনাওঁতে ১২ ফুট বহল বনায় আৰু এই ১২ ফুট বহল ৰাস্তাত যেতিয়া গাড়ী চলে দুখন গাড়ী ক্ৰচ হ'বলৈ লয়, তেতিয়া দুখন গাড়ীৰে এটা এটা চকা ৰাস্তাৰ বাহিৰেদি যায়। যাৰ ফলত গাঁতৰ সৃষ্টি হয় আৰু ভঙা আৰম্ভ হয়। গতিকে ৰাস্তাসমূহ যদি অলপ বহল হয়, ৫ মিটাৰকৈ যদি বনোৱা হয়, তেতিয়াহ'লে মই ভাৱো যে সেই ৰাস্তাটোৰ আয়ূসকাল অলপ দীৰ্ঘম্যাদী হ'ব। কাৰণ পকাৰে গাড়ীখন যাব। আৰু এটা সমস্যা হয় যে এই গাওঁৰ ৰাস্তাসমূহত পকা ৰাস্তা হয়, কিন্তু দুৰ্ব্বল ভাৱে নিৰ্মাণ হয়। যাৰ কাৰণে অতিৰিক্ত বোজা লৈ যিবোৰ গাড়ী যায়, এই গাড়ীবোৰ যাওঁতে ৰাস্তাসমূহ ফাটি যায়। গতিকে আমাৰ Road policy টো অলপ ভাল হ'ব লাগিব। যদি Road Policy নাথাকে, ৰাস্তাসমূহৰ দ্যৰ্ঘম্যাদী আমি আশা কৰিব নোৱাৰো। ঠিক তেনেকৈ বিভাগৰ নিয়ন্ত্ৰণত থাকিব লাগিব। বিভাগটোৱে এটা নিৰ্দিষ্ট ৰুল বনাব লাগিব। যাৰ দ্বাৰা ৰাস্তাসমূহ ভাল থাকিব। যান-বাহন চলাচল কৰোতে যাতে অতিৰিক্ত বোজা লৈ যাব নোৱাৰে তাৰো ব্যৱস্থা কৰিব লাগে। বৰ্তমান যিটো কংক্ৰীটৰ ৰাস্তা বনোৱা হৈ আছে, এই ৰাস্তাসমূহ অলপ ভাল দেখা গৈছে। গতিকে আমাৰ পৰৱৰ্তী সময়ত যিসমূহ ৰাস্তা বনোৱা হ'ব, সেই ৰাস্তাসমূহ যদি ব্লেকটপ নকৰি কংক্ৰীটেৰে কৰা হয়, মই ভাৱো ৰাস্তাৰ আয়ূস অলপ দীৰ্ঘম্যাদী হ'ব। মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক অৱগত কৰিব বিচাৰিছো যে PMGSY ৰ দ্বিতীয় পৰ্য্যায় এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই। মোৰ বিধান সভা সমষ্টিত যোৱা বছৰ PMGSY ৰ প্ৰায় ৪ টা মান ৰাস্তা টেণ্ডাৰ গ্ৰহণৰ অৱস্থাত গৈ আকৌ সেইবিলাক নাইকিয়া হৈ গ'ল। গতিকে আমাৰ যদি ৰাস্তাসমূহ নিৰ্মাণ নহয়, তেন্তে অৰ্থনৈতিক বুনিয়াদ গঢ়ি নুঠিব। সেয়েহে ৰাস্তাসমূহ নিৰ্মাণৰ বাবে বেছি পুঁজি দিব লাগে। এই PMGSY ৰ মূল উদ্দেশ্য আছিল যে গাওঁৰ দুখীয়া সকলক দৰিদ্ৰতাৰ পৰা নিৰ্মুল কৰাৰ কাৰণে এটা অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণ কৰাৰ কাৰণে গাওঁৰ ৰাস্তাসমূহ নিৰ্মাণ কৰিব লাগে।

কিন্তু আজিলৈকে এই আঁচনিখন সফল ভাৱে প্ৰয়োগ হোৱা নাই। আমাৰ চৰকাৰে কৈছিল যে আমাৰ যিমানখিনি কাঠৰ দলং আছে, সেই সমূহ নাইকিয়া কৰি পকা দলং কৰিব। আমি এইবোৰ আঁচনি লোৱাৰ বাবে ভাল পাইছিলো আৰু সেইবোৰ হ'ব লাগে। কিন্তু মোৰ সমষ্টিত এতিয়াও ৮ খন কাঠৰ দলং জৰাজীৰ্ণ অৱস্থাত আছে আৰু যাতায়ত কৰিব নোৱাৰে। মই এই গোটেই কথাখিনি যোৱা বিধান সভাত কৈছিলো, কিন্তু প্ৰতিকাৰৰ ব্যৱস্থা এতিয়ালৈকে নহ'ল। আমি জনসাধাৰণৰ প্ৰতিনিধি হিচাপে জনসাধাৰণৰ দুখ-দুৰ্দশাৰ কথা এই বিধান সভাত কওঁ আৰু চৰকাৰ পক্ষই যদি সেই কথাখিনি হৃদয়ঙ্গম কৰি সেই ব্যৱস্থা নলয়, তেতিয়াহ'লে আমাৰ কোৱাৰ কোনো অৰ্থই নাথাকিব। গতিকে মই আশা কৰিছো সময় যিহেতু কম আমাৰ আৰু বক্তা আছে। গড়কাপ্তানী বিভাগৰ ৰাষ্টা আৰু দলং ক্ষীপ্ৰ গতিত যাতে নিৰ্মাণ আৰু মেৰামতি ৰ ব্যৱস্থা কৰা হয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে। গতিকে মই এই কথাখিনি ৰাখিলো। আশা কৰো চৰকাৰ পক্ষই গোটেই কথাখিনি হৃদয়ঙ্গম কৰি কাৰ্য্য ব্যৱস্থা হাতত ল'ব আৰু এইখিনি কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মোৰ বক্তব্য কৰি মই সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এ আই ইউ ডি এফৰ শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মোক ক'ব দিছে তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। এখন ৰাজ্য উন্নতিৰ কাৰণে যেনেকৈ শিক্ষা, স্বাস্থ্য আৰু অন্যান্য কিছু গুৰুত্বপূৰ্ণ কথা আছে তাৰ লগতেৰাজ্যখনত Road and Communication ৰ অৱস্থা ভাল নাথাকে, সেইখন ৰাজ্য কেতিয়াও উন্নত ৰাজ্য বুলি ক'ব নোৱাৰো। পূৰ্বৰ তুলনাত কিছু পৰিমানে আমাৰ Road and Communication ভাল হৈছে। কিন্তু তথাপিও এতিয়া আমাৰ অসমখন যিহেতু নৈ পৰীয়া ৰাজ্য, পাহাৰ-ভৈয়াম, চৰ-চাপৰি এই অঞ্চল বিলাকত ৰাষ্টা বহুত কম আছে। আমি লক্ষ্য কৰো যিবিলাক পাহাৰীয়া অঞ্চল আমাৰ অসমত আছে, সেই অঞ্চল বিলাকত কিন্তু ৰাস্তা সুচল ব্যৱস্থা নাই। চেষ্টা চলি আছে যদিও বৰ লেহেমীয়া। ঠিক নদী পৰীয়া অঞ্চল বিলাকত এতিয়াও প্ৰতিদিনে আমি দেখিবলৈ পাও, ইলেট্ৰনিক মিডিয়াৰ জৰিয়তে যে জণগনে পকেটৰ পইচা খৰচ কৰি তেখেত সকলে বাঁহেৰে শাকো ইত্যাদি বনায়, ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি জনগণে নিজে পাৰাপাৰৰ ব্যৱস্থা নিজৰ পকেটৰ পইচা দি কৰিছে। যিখিনি আমাৰ চৰকাৰৰ দায়িত্ব হয়, কিন্তু সেইখিনি নথকাৰ কাৰণে হয়তো জনগণে বহুত জেগাত নিজৰ ফালৰ পৰা এইবিলাক ব্যৱস্থা কৰিব লগা হৈছে। ঠিক চৰ-চাপৰি অঞ্চলবিলাকতো ৰাষ্টা-ঘাট বহুত কম। যোৱা কেইবছৰৰ পৰা আগতে যি ৰাস্তাৰ অৱস্থা আছিল, তাতকৈ কিছুপৰিমাণে ভাল হৈছে কিন্তু এতিয়াও সন্তোষজনক নহয়। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই, বিভাগীয় মন্ত্ৰী ডাঙৰীয়া আছে, যাতে অসমত গোটেই সামগ্ৰিকভাৱে শদিয়াৰ পৰা ধুবুৰী লৈকে বিশেষভাৱে পাহাৰীয়া অঞ্চল, চৰ-চাপৰি অঞ্চল, ভিতৰুৱা অঞ্চল যিবিলাক আছে য'ত এতিয়াও ৰাষ্টা ঘাট ঠিকমতে হৈ উঠা নাই সেই অঞ্চলবিলাক find out কৰি চাৰ্ভে কৰি তাৰ যোগাযোগ ব্যৱস্থা যাতে সুচল কৰা হয়, এইটো মই সামগ্ৰিকভাৱে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। লগতে পি এম জি এচ ৱাইৰ কথা ইয়াৰ আগতে মাননীয় সদস্য গৰাকীয়ে কৈ গৈছে। পি এম জি এচ ৱাইৰ যোগেদি অসমৰ গাৱেঁ-ভূঞে কিছু ৰাষ্টা হৈছে কিন্তু এই ৰাষ্টাবিলাক আজি ভাঙি-চিঙি বহুত দুৰৱস্থা হৈছে। কিছু ৰিপেয়াৰিং হৈছে যদিও মই বহুত সমষ্টিত লক্ষ্য কৰো একেবাৰে দুৰৱস্থা। বিশেষভাৱে নামনি অসমৰ জিলা সমূহত মই বেছিকৈ অহা-যোৱা কৰো। মোৰ সমষ্টি জনীয়াৰ পৰা আৰম্ভ কৰি গোটেই বৰপেটা জিলাৰ প্ৰায়বোৰ সমষ্টি, ওচৰৰ বঙাইগাওঁ, গোৱালপাৰা বা ধুবুৰীলৈ অহা-যোৱা কৰো,

পি এম জি এচ ৱাই ৰ যি ৰাষ্টা আছে, গাওঁৰ ৰাষ্টা বিলাকৰ অৱস্থা ভাল নহয়। ভাঙি-চিঙি গৈছে। ইয়াৰ কাৰণে কিছু পইচা ধাৰ্য্য কৰা হয়, বিভাগৰ পৰা। কিন্তু ঠিকাদাৰ সকলে কৈ থাকে যে, চাৰ, পচিছ লাখ বা ত্ৰিছ লাখ এনেকুৰাকৈ কিবা এটা টকা দিয়া হয় এককিলোমিটাৰ ৰাষ্টা ৰিপিয়াৰ কৰাৰ কাৰণে। মই ভাৱো যে, এইখিনি যথেষ্ট নহয়,কৰি আছে, এইখিনিয়েদি হৈ আছে কিন্তু তিনিমাহ যোৱাৰ পাছত ৰাষ্টা আকৌভাঙি যায়। বাৰিষা অহাৰ পাছত আকৌ ৰাষ্টা ভাঙি যায়। গতিতে তাত যদি খৰছ কৰা হৈছে বিছ লাখ বা ত্ৰিছ লাখ এককিলোমিটাৰ ৰাষ্টা ৰিপিয়াৰিংৰ কাৰণে অলপ কৰবাত ভাঙিলেই ঠিক ঠাক হয়। কিন্তু গাওঁৰ ৰাষ্টা কিছুমান এনেকুৰা হৈছে সাত-আঠ বছৰে তাত কাম হোৱা নাই। ৰাষ্টা আছিল নে নাই গম নাপায় এনেকুৰা এটা অৱস্থা হৈছে। সেইবিলাক ৰাষ্টাত কিন্তু পচিশ বা ত্ৰিছ লাখ টকা যথেষ্ট নহয়। গতিকে বিভাগীয় মন্ত্ৰী মহোদয় আছে। মই তেখেতৰ দৃষ্টি গোচৰ কৰিছো যে বিভাগৰ যিসকল বিষয়া আছে, তেখেতসকলৰ নিশ্চয় ফিল্ডৰ ৰিপোৰ্টি আছে। এই কথা-বতৰা বিলাক লৈ যিহেতু পছিশ ত্ৰিছ লাখত ৰাষ্টা খিনি ঠিক ঠাক নহয়। যদি পুঁজি অলপ বঢ়াই দি ৰাষ্টাবিলাক ভালদৰে কৰা যায় তেতিয়া দীৰ্ঘমাদী হ'ব আৰু বহুদিন চলিব। নহলে এটা চিজন যাব বাৰিষা আহিব, বাৰিষাৰ পাছত আকৌ তেনেকুৰা হ'ব। গতিকে সদায়তো ৰাষ্টা নিদিয়ে। ৰাষ্টাৰ কাৰণে পইচা ধাৰ্য্য নহয়। ইয়াৰ কাৰণে মই অনুৰোধ ৰাখিলো যাতে পইচা সেই বিষয়ে অলপ বঢ়োৱা হয়। বাকী যিখিনি পি এম জি এচ ৱাইৰ নতুন ৰাষ্টা হৈ আছে, মাননীয় উপাধ্যক্ষ মহোদয় এটা কথা আমি লক্ষ্য কৰিছো যিখিনি টকা ধাৰ্য্য কৰে, ঠিকে আছে, কিন্তু ডি পি আৰ বনাওতে বা তাতে যিখিনি টকা চেংশ্যন দিছে যিসকল ঠিকাদাৰে কাম কৰি আছে মোৰ সমষ্টিৰ কথা কৈছো বাঘবৰৰ, জনীয়াত ৰাষ্টাৰ কাম চলি আছে। মই দেখিছো ৩.৭৫ মিটাৰ যিখিনি ব্লেক টপিং হ'ব লাগে, এইখিনিতে অলপ মাটি পেলাই কিছু পৰিমাণে ৰোলাৰ মাৰি কম্পেকশ্যন এইখিনিতে কৰে বাকী ওপৰত যি ৬ মিটাৰ যিখিনি কম্পেকশ্যন হ'ব লাগে, যিখিনি ৰোলাৰ কৰি ঠিক-ঠাক কৰিব লাগে সেইখিনি নকৰে। যিখিনি ব্লেক টপিং হ'ব এই কাম খিনি ঠিকাদাৰে চকমকীয়া কৰি ক'লা ৰং সানি দিয়ে, দেখাত ধুনীয়া হয়। কাষৰ ৩.৭৫ ৰ যিখিনি ঠাই আছে, সেইখিনি ভালদৰে মাটি পেলোৱা হৈছে নে ভালদৰে ৰোলাৰ কৰা হৈছে নে কম্পেকশ্যন হৈছে যাৰ কাৰণে এবছৰ নাযাওতেই কিন্তু এই ৰাস্তাবিলাক ভাঙি যাব, তেতিয়া পি এম জি এচ ৱাই ৰ পাছ বছৰ নহ'লে তাত ৰিপিয়াৰিংত হাত নিদিব কি দুৰৱস্থা এটা হ'ব। এই কথাবিলাক লক্ষ্য ৰাখি যিসকলক দায়িত্ব দিয়া হৈছে, যিসকলে কাম কৰিছে মই ভাৱো, বিভাগীয় যিসকল বিষয়া আছে, যিসকল জে ই আছে, এচ ডি অ' আছে ইঞ্জিনীয়াৰ আছে তেখেত সকলে ফিল্ডত গৈ ইয়াত দৃষ্টি দিব লাগে, মন্ত্ৰী মহোদয়ে এইখিনি ensure কৰিব লাগে যে তেখেত সকলে এই ৩.৭৫ ত Confine নাথাকি যিখিনি ৰুল্চ প্ৰায় ৬ মিটাৰৰ ওপৰত ৰোলাৰ হ'ব লাগে, ভালদৰে কম্পেকশ্যন হ'ব লাগে। এইখিনি কথা যদি গুৰুত্ব দিয়া নহয়, দেখাত চাৰি হাজাৰ কিলোমিটাৰ হৈ গৈছে, বাৰ হাজাৰ কোটি টকা খৰচ হৈছে, কিন্তু কাৰ্য্যত গৈ এই ৰাষ্টা বিলাক ঠিক-ঠাক নাথাকে এবছৰ পিছত ভাঙি যাব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই কথাটোৰ ওপৰত যাতে বিশেষভাৱে গুৰুত্ব দিয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা আমাৰ দৃষ্টিত আহিছে বিশেষভাৱে মই বৰপেটা জিলাৰ কথায়েই কম। জনীয়া বাঘবৰত যিবিলাক ৰাষ্টাৰ কাম হৈ আছে তাত earth work একেবাৰে কমকৈ কৰা হৈছে। আমি কেতিয়াবা চেক কৰো যে এটা earth work কাম আছেনে নে নাই । ৰাইজৰ পৰা অবজেকশ্যন আহে যে কেতিয়াও তাত মাটিৰ কোনো কাম কৰা নাই ঠিকাদাৰে। যেতিয়া আমি খা-খৱৰ লও, তেতিয়া

তেওঁলোকে এনেকৈ কৈ দি ৰিপোৰ্ট দিয়ে যে মাটিৰ বিশেষ কাম নাই পি এম জি এচ ৰাইত। যেতিয়া আমি এষ্টিমেটতো চাওঁ যে পছিশ হাজাৰ ঘন মিটাৰ, ছাব্বিশ হাজাৰ ঘন মিটাৰ ইমান ঘন মিটাৰৰ মাটিৰ কাম আছে। কাম নোহোৱাৰ তাত কাৰণ হ'ল এটা মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় আছে, যে এই ঠিকাদাৰ সকলে যি সকলে কাম পায় তাতে যিখিনি মাটিৰ কাম থাকে কোনোবা এজনক চাব-কণ্ট্ৰেকত দি দিয়ে। যদি পাছ্‌ লাখ টকাৰ কাম থাকে ইয়াত দুই লাখ টকা দি সেই কামখিনি কৰাৰ কাৰণে তেখেতসকলে চে ষ্টা কৰে। চেষ্টা কৰিবই ঠিকাদাৰৰ natural কথা। তেখেতে বেনিফিটৰ কাৰণে কামত গৈছে কিন্তু এনেকুৱা বেনিফিট নহয় যে বেনিফিট ক ৰিবলৈ গৈ আমাৰ যি ৰাষ্টাৰ লক্ষ্য উদ্দেশ্য আছিল সেইখিনি শেষ কৰিব আৰু আমি বিভাগ, বিষয়া সকলোৱে প্ৰতিনিধিয়ে চকু মুদি ৰাখিম, চৰকাৰৰ পইচা পানীত পৰিব তেনেকুৱা হ'ব নালাগে। মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে এই যে চাব-কণ্ট্ৰেক দি earth work বিলাক ঠিক-ঠাক নকৰে আৰু যিমান আছিল দুই বা তিনি ফুট বা পাছ ফুট যিমানখিনি earth work কাম কৰিব লাগিছিল সেইখিনি নকৰি মাত্ৰ অলপ earth work কৰি ৰাষ্টা শেষ কৰি গুচি আহে তাৰ কাৰণে বহু ঠাইত complain আহি ৰাস্তা বন্ধ হৈছে। বছৰ বছৰ পৰি আছে, সেই কামখিনি কৰিব নিবিচাৰে। গতিকে মোৰ জনীয়া সমষ্টিটো বহু কেইটা ৰাস্তা এনেকুৱা হৈছে। মই বিষয়া সকলক কৈছো আপোনালোকে ফিল্ডত যাওঁক, কিমান মিটাৰ তাত earth work আছে সেইখিনি আপোনালোকে ঠিকাদাৰক compel কৰক সেইখিনি কৰিব লাগিব। তাৰ পাছত গৈ কিছু পৰিমাণে হৈছে কিন্তু এতিয়াও সন্তোষজনক নহয় মই ভাবো আশে পাশে এনেকুৱা অৱস্থা নিশ্চয় আছে, সকলো মাননীয় বিধায়ক সকলে এইখিনি কথা কব।গতিকে তাতে গুৰুত্ব দিব লাগে আৰু নামনি অসমৰ lowland আপোনালোকে জানে বিশেষভাবে বৰপেটাৰ নদী পৰীয়া অঞ্চল জনীয়া, বাঘবৰ, চেঙা এই অঞ্চলত যি ৰাষ্টা-ঘাট হৈ আছে তাতে যিখিনি এষ্টিমেটত আছে সেইখিনি earth work কম। তিনি ফুট যদি earth work আছে একফুট কৰি ঠিকাদাৰে তাত কাম শেষ কৰাৰ চেষ্টা কৰে। কিন্তু সেই তিনিফুটও যথেষ্ট নহয়। এনেকুৱা low area, তাতে যদি আমি যদি ৰাষ্টা বনাব বিচাৰো কিয়নো বানপানী হৈ যদি এই ৰাষ্টাটো তিনি ফুট পানীৰ তলত থাকে মানুহৰ কোনো লাভ নহব। বানীপানী হোৱাৰ পাছতো যাতে তাতে খোজ কাঢ়িব পাৰে, মানুহে গাড়ী চলোৱাৰ সুচল ব্যৱস্থা থাকে এনেকুৱা এটা অৱস্থা এটা হ'ব লাগে। গতিকে যেতিয়া ডি পি আৰ বনোৱা হয়, চাৰ্ভে কৰা হয় সেই সময়ত যিটো water level আছে সেই water level টো detect কৰি সেইখিনি যদি এষ্টিমেটত ঠিক তেনেকুৱা বনোৱা যায় মই ভাবো বহু পৰিমাণে হব। কিন্তু ঠিক তেনেকুৱা কৰা নহয়। গতিকে ভৱিষ্যতে যি বিলাক কাম কৰা হ'ব যাতে এই কথাখিনি গুৰুত্ব দিয়া হয় এই low area বিলাকত বানপানীৰ সময়ত যিটো water level আছে, এই water level ৰ ওপৰত যাতে ৰাষ্টা থাকে তাৰ কাৰণে earth work যদিও বেছি টকা ধাৰ্য্য কৰিব লগা হয় মই ভাবো সেইটো কৰিব লাগে নহলেতো ৰাষ্টা বনাই লাভ নাই। যদি বানপানীৰ সময়ত তিনিফুট পানীৰ তলত ৰাষ্টা থাকে এই জনীয়া আৰু বাঘবৰৰ নিচিনা ব্ৰহ্মপুত্ৰৰ বেকীৰ পানীউঠি যেতিয়া ৰাষ্টাৰ ওপৰত আহিব পিছৰ বছৰ আপুনি বিচাৰি নাপাব সেইখিনি ৰাষ্টা। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, যাতে এই বিষয়টো বিশেষ ভাবে দৃষ্টিৰখা হয় এইটো মই অনুৰোধ কৰিলো আৰু এটা কথা আমি ৰাষ্টাত লক্ষ্য কৰিছো, earth work ৰ যিটো পাত sand gravelling হ'ব লাগে 60:40 ratio হ'ব লাগে। 60% gravel হ'ব লাগে আৰু 40% বালি থাকিব লাগে। কিন্তু বালিযে 70% হয়গে আৰু stone তাতে থাকে নে নাই এনেকুৱা এটা অৱস্থা হয়। গতিকে এই বস্তু বিলাক আমি জনপ্ৰতিনিধিয়ে

কৰিব নোৱাৰো। মাননীয় মন্ত্ৰী গৈ কৰিব নোৱাৰে। প্ৰত্যেক জিলাত বিষয়া সকল আছে। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিম। কিন্তু এৰিয়া কম হোৱাৰ পিছতো যদি বিষয়া সকল ফিল্ডত নাযায় তেখেত সকৰৰ আণ্ডাৰত যি সকল আছে এই সকলক ৰাস্তাৰ নপঠায়, আজি যদি শিক্ষক জন সদায়ে স্কুলত যাব লাগে, ব্যৱসায় কৰাজন সদায়ে দোকানত যায়, আজি জে ই এজন আছে, যি জনৰ দায়িত্ব আছে ৰাস্তা চাব লাগে, যদি তেখেতে ৰাতিপুৱা উঠি ১০ টাৰ পৰা ৮ টালৈ ডিউতী ক'ত ক'ত ৰাস্তাৰ কাম হৈ আছে সেইখিনি চাব লাগে। কিন্তু আমি লক্ষ্য কৰো, সেই বুলি সকলো তেনেকুৰা নহয় । কিছুমান ভাল বিষয়াও আছে, নিষ্ঠাৰে দায়িত্ব পালন কৰে। কিন্তু বহুত আমাৰ চকুত পৰে বছৰ বছৰ গুছি যায় সেই বিষয়া সকলক আমিও বিচাৰি নাপাওঁ আমাৰো চকুত নপৰে, কোনো কথা নাই তেখেত সকলে ৰাস্তাত গৈ যেতিয়া কাম কৰে ঠিকাদাৰে ঠিক-ঠাক হৈ আছে নে নাই, এই গোটেইখিনি কাম তেওঁলোকে ছোৱাচিতা কৰে, তেতিয়া হ'লে যথেষ্ট পৰিমানে হ'ব। তেখেত সকলে এইটো বিভাগত কৰে, কৰিলেও যথেষ্ট নহয়, ঠিকাদাৰৰ লগত বেছি বন্ধুত্ব হ'ব নালাগে। বন্ধুত্ব সুলভ ভাবে আমি কাম কৰিব লাগিব। কোনো ঠিকাদাৰক আমি দোষাৰোপ কৰাৰ পক্ষপাতি নহয়। তেওঁলোকে ভাল দৰে কাম কৰক, জনসাধাৰনে সহযোগ কৰিব লাগিব প্ৰতিনিধিয়ে সহযোগ কৰিব লাগিব, বিষয়া সকলেও সহযোগ কৰিব লাগিব। But it doesnot mean, আমি ঠিকাদাৰৰ লগত অতি সম্পৰ্ক হ'ব, যে ঠিকাদাৰে কি কাম কৰি আছে সেইবোৰ আমি চাবলৈ নাযাম, আৰু ৰাস্তা বৰবাট হ'ব, চৰকাৰৰ পইচা, ৰাইজৰ সম্পত্তি বৰবাট হ'ব, পইচা এই ফালে ধাৰ্য্য হ'ব কিন্তু আচলতে কাম নহ'ব, এনেকুৰা যাতে নহয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ এইটো দৃষ্টিগোচৰ কৰিছো। এতিয়া উপাধ্যক্ষ মহোদয়, PMGSY ৰ চাৰ্ভে সময় মতে হয়। এক হাজাৰৰ ওপৰ আছিল পাঁচ হাজাৰৰ ওপৰ আছিল, ২৫০ হৈ গ'ল তথাপিও কিছু ঠাইত এতিয়াও ৰখি গৈছে, ধুবুৰীৰ পৰা শদিয়ালৈকে। গতিকে বাকী থাকি যায় তেতিয়া যি সকলে চাৰ্ভে কৰে সেই অঞ্চল বিলাকত উপাধ্যক্ষ মহোদয় চৰজমিন তদন্ত কৰি ক'ত Left out হৈ আছে, সেইখিনি Find out কৰি যাতে তেওঁলোকে plan বনায় আৰু তেখেত সকলে যেতিয়াplan বনাই PMGSY ৰ ৰুলত আছে, MLA /MP সকলৰ লগত তেখেত সকলে পৰামৰ্শ কৰিব লাগে। planবনাওতে, MLA সকলৰ ৰিক'মেণ্ডশ্যেন ল 'ব লাগে। যিটো ক'ব যে হয় ঠিকে আছে Final হৈছে, কিন্তু তেনেকুৰা দেখা নাযায়। আমি সদায় ঘুৰি থাকো ক'ত ৰাস্তাৰ প্ৰয়োজন, বিষয়াসকলো যায় কিন্তু আমি যিহেতু ৰাইজৰ প্ৰতিনিধি গাওঁবোৰৰ সমস্যা আমাৰ মনত আছে ক'ত ৰাস্তাৰ প্ৰয়োজন, মই ভাবো যেতিয়া plan বনোৱা হয়, ১২৬ জন বিধায়কৰ লগত যাতে যিটো PMGSY ৰ গাইড লাইন আছে, গাইড লাইনটো যদি তেখেতসকলে Follow কৰি যদি তেখেত সকলে বহে, তেতিয়া হ'লে Plan টো শুদ্ধ হ'ব । ক'ত ৰাস্তা এৰি গৈছে পৰামৰ্শ বিধায়ক সকলে দিব পাৰিব। যাতে এই পৰামৰ্শটো লয় তাৰ কাৰনে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। মাননীয় উপাধ্যক্ষ মহোদয়, মই সংক্ষিপ্ত কৰিম। যোৱা পৰহি ৩ তাৰিখে ইয়াত মন্ত্ৰী মহোদয়ে এটা উত্তৰ দিছে যে যোৱা ৪ বছৰত, ২০১৬ চনৰ পৰা ২০১৯ লৈকে বহু কিঃ মিঃ ৰাস্তা পকী হৈছে গোটেই অসমত। যোৱা ৪ বছৰত ২০১৬ চনৰ পৰা ২০১৯ লৈকে ১২ হাজাৰ ৪ শ ৪০ কিঃমিঃ পকা ৰাস্তা অসমত হৈছে যোৱা পৰহি এইটো অসম বিধান সভাত মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছে এইটো দাতা আৰু কোন সমষ্টিত কিমান হৈছে এইটোও দাতা দিয়া হৈছে সমষ্টি ভিত্তিত। কিছুমান সমষ্টিত এক শ ডেৰ শ কিছুমান সমষ্টিত একেবাৰে কম ২০, ২২, ৩০ কিঃ মিঃ লৈকে হৈছে এইখিনি দাতা দিয়া হৈছে। হয়তো হৈ

আছে আৰু হ'ব । মোৰ সমষ্টিত মই বিধায়ক নাছিলো যোৱা চাৰে তিনি বছৰত ২০১৬ ৰ পৰা ২০২১ লৈকে মাত্ৰ ৩২ কিঃ মিঃ ৰাস্তাহে সম্পুৰ্ন হৈছে পকা ৰাস্তা। কিছু সমষ্টিতআৰম্ভ হৈছে আৰু কিছু চলি আছে এই ৰাস্তাৰ কামখিনি হ'লে হয়তো এই পৰিমানটো আগবাঢ়িব। গড়ে যদি ১২৬ টা সমষ্টি আছে, ৯৮-১০০ কিঃ মিঃ হ'ব লাগে। ৪,৪০০ কিঃ মিঃ ৰাস্তা প্ৰায় এনেকুৱা হৈছে কিছুমান সমষ্টিত কম আছে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ যি সমষ্টিত on-going ৰাস্তা চলি আছে, মোৰ সমষ্টিটো বহু কেইটা ৰাস্তা এজন ঠিকাদাৰে ঠিকমতে কৰা নাই সেইজনক কাটি আকৌ বেলেগ এজনক দিলে। মই আগতে যেতিয়া বিধায়ক আছিলো, সেই নামৰ ঠিকাদাৰজন মই পাইছো। এই ৰাস্তাটো কিয় হোৱা নাই ইমান দিনে। বোলে অমুকৰ, সেইটো কাটি বেলেগক দিলে এতিয়াওঁ ৪ বছৰৰ পাছত আকৌআহিছো, আকৌ সেই সমস্যা। এনেকুৱা ঠিকাদাৰ দুই এজন আছে। ঠিকা লৈ ঠিক মতে কাম নকৰে, বেলেগক দিয়ে। যদি ৩-৪ জনলৈ, এজনৰ পৰা আন জনলৈ এনেকুৱাকে যাব প্ৰত্যেকেই লাভৰ কথা চিন্তা কৰে ফলত ৰাস্তাৰ কাম গৈ বেয়া হয়। সময়মতে ৰাস্তা হৈ নুঠে। যাৰ কাৰনে মাত্ৰ ৩২ কিঃ মিঃ ৰাস্তা জনিয়াত Sanction হৈছে, Sanction টো বেছি দিয়াৰ কাৰণে সম্পুৰ্ণ হোৱা নাই। কিন্তু সম্পুৰ্ণ হোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম নিশ্চয় বিভাগক কলে এই কামবিলাক তৰান্বিত হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াৰ আগতেও কৈ গৈছো, মন্ত্ৰী মহোদয় আহিছে। গোটেই অসমত কাম-কাজ চলি আছে, আগতকৈ ভাল হৈছে। ৰাস্তা-ঘাটো কিছু পৰিমাণে হৈছে। কিন্তু তাতে যি আসোঁৱাহ ত্ৰুটি মোৰ চকুত পৰিছে সেইখিনি মই কৈছো, যে Black topping কৰোতে খালী ওপৰৰ যিখিনি Black topping হ'ব সেইখিনি ৰুলাৰ কৰে, বাকী কামৰ যি অঞ্চল হ'ব লাগে, মাটি পৰিব লাগে, ৰুলাৰ হ'ব লাগে, সেইখিনি ঠিক-ঠাক মতে নহয়। ল' এৰিয়া বিলাকত যিখিনি earth work হ'ব লাগে, সেইখিনি নহয়, যাৰ কাৰনে জনিয়া বাঘবৰ বা গুৱালপাৰাৰ চৰ এলেকাবোৰৰ ৰাস্তাবোৰ বানপানীত ২-৩ মিটাৰ তলত থাকি যাব এই লিাকৰ প্ৰতি যাতে গুৰুত্ব দিয়া হয়, ইয়াৰ লগতে মোৰ সমষ্টিৰ বহুকেইটা ৰাস্তা, বহুকেইখন দলং বহুবছৰৰ পৰা আৰম্ভ হৈ এতিয়ালৈকে সম্পুৰ্ন হোৱা নাই। এই বিলাক মেডিকেল কলেজৰ পাছফালৰ পৰা গৈ ভেৰগাওঁ পাতলিকুচিৰ ৰাস্তা এনেকুৱা ভাটকুছি মেডেটৰী, সেইফালৰ ৰাস্তা আৰু কাঠৰ দলং ও কেইটামান হৈ আছে আৰ চি চি হৈ আছে, বৰ লেহেমীয়া গতিত হৈ আছে। গোটেই অসমতে এনেকুৱা যিখিনি ঠিকঠাক হৈ আছে সেইখিনি ঠিকে আছে, যিখিনিৰ ঠিকঠাক মতে হৈ থকা নাই মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে অতি সোনকালে এইটো বছৰতে যাতে কামখিনি হৈ যায় আৰু মই মাননীয় মন্ত্ৰী মহোদয়ক যোৱাকালিও কৈছিলো। আজিও মই তেখেতৰ দৃষ্টিগোচৰ কৰিছো, আমিন গাওঁ বৰপেটা হৈ জনিয়া, বৰপেটা লেংটিচিঙা হৈ যিটো ষ্টেট হাইওৱে SH2 সেই ৰাস্তাটো তেওঁলোকে সম্পূৰ্ণ কৰি গুছি গ'ল। কিন্তু মাজত ২ কিঃ মিঃ ৰাস্তা বাকী থাকিল। বালাগাওঁ ক্ষুদ্ৰকুটীৰ ৰাস্তা মই আগৰ বিধান সভাটো প্ৰশ্ন উত্থাপন কৰিছিলো। মাটি লোৱাটো অলপ অসুবিধা আছিল। তাৰ কাৰনে হৈ উঠা নাছিল। এতিয়া সম্পূৰ্ণ কৰি ৰাস্তাটো গুছি গ'ল আৰু হয়তো তেনেকুৱা নহ'ব। কিন্তু নিশ্চয় মাননীয় মন্ত্ৰী মহোদয়ে পাৰিব। মই যোৱাকালিও কৈছো আৰু অনুৰোধ ৰাখিছো, যিটো ষ্টেটহাইওৱে আজি ধুবুৰীৰ পৰা মানুহ এই ৰাস্তাৰে চলাচল আৰম্ভ কৰিছে। বঙাইগাওঁ, শালমাৰাৰ মানুহ আজি জনিয়া বৰপেটা হৈ আহিলে তেওঁলোক চমু হয়। প্ৰায় ১০০ কিঃ মিঃ চমু হয় গুৱাহাটী আহিবলৈ। এইএটা যদি চলাবৰ কাৰনে মানুহে বিকল্প হিচাপে লয়, বহু টকা জনগনৰ ৰাহি হ'ব। very Important Road এইটো । ২ কিঃ মিঃ বাকী আছে বালাগাওঁ ক্ষুদ্ৰ জনিয়াৰ এই অঞ্চল। অতি সোনকালে যাতে এটা বিশেষ পুঁজি

চৰকাৰে আৰন্টন দি মাননীয় মন্ত্ৰী মহোদয়ে ৰাস্তাখিনি বনাই দিয়ে, সেইটো অনুৰোধ ৰাখিম আৰু বহুকেইটা কাঠৰ দলংৰ কথা মই আগতেও কৈছো, বহু নদীৰ ওপৰত বাহৰ শাকো এতিয়াওঁ আছে, জনসাধাৰনে নিজৰ পকেটৰ পৰা পইচা দি বনাইছে। বহু দলং হৈছে, বহু হৈ আছে, এতিয়াও বহু বাকী আছে। যাতে সেই বাকী থকা অঞ্চলখিনি Find out কৰি কাঠৰ দলং বিলাক আৰ চি চি য়েই হওঁক, সেইবিলাক কৰি যাতে Roads & Communication টো সুচল কৰা হয়, শিক্ষা; স্বাস্থ্য আৰু আন্যান্য বিভাগবোৰকো আমি গুৰুত্ব দিওঁ, ঠিক সেই দৰে Roads & Communication কো ঠিক তেনেকৈ গুৰুত্ব নিশ্চয় দিয়া হৈছে যথেষ্ট পৰিমানে। যিখিনি আমাৰ অভাৱ আছে এই অভাৱখিনি Roads & Communication ৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যাতে বিশেষভাবে দৃষ্টি দিয়ে এইখিনি অনুৰোধ ৰাখিছো। ৰাস্তা আমি বিচাৰিছো,দলং আমি বিচাৰিছো আৰু আমাক লাগিব সেইটো আমি অনুৰোধ কৰিছো, এইখিনিৰ কাৰনে বহুত টকা লাগিব। কাম ভালকৈ হ'লে এই বিষয়ত টকা দিয়াত আমাৰ আপত্তি নাথাকে দিবও লাগে। ডিভাইছৰ আধাৰত যিহেতু আমি কথাবিলাক কোৱাৰ সুযোগ পাওঁ, কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি যাৰ কাৰনে আমাৰ দলৰ ফালৰ পৰা কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুযাৰ কলো। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আশা ৰাখিম ইয়াৰ প্ৰতি দৃষ্টি দিব, এইখিনি কৈ কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মোৰ এই বক্তব্য সামৰিছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ - ধন্যবাদ। মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকা ।

**শ্ৰী দেৱানন্দ হাজৰিকা, সদস্য** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আজিSuplementary Demand No.64 for Rs 15 thousand .01 Lakh ঘাটি পুৰণৰ বাবে যি প্ৰস্তাৱ আনিছে চৰকাৰে তাৰ সপক্ষে আৰু বিপক্ষে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুযাৰ ক'ব বিচাৰিছো। আমি বক্তাসকলৰ পৰা পাইছো যে কামৰ Quality বেয়া হৈছে। কাম কৰা ভাল হোৱা নাই। কথা হ'ল মই যদি কামটো বেয়া হৈছে বুলি কওঁ, মই টেকনিকেল পাৰ্চন নহয়। আমি যেতিয়া আমাৰ সমষ্টিত, মই বিশেষকৈ নিজৰ সমষ্টিৰ কথা কৈছো, ৰাস্তাবিলাক আমাৰ উদ্বোধন কৰা হয়। ফলক লগোৱা হয়, তেতিয়া আমি বিভাগীয় ইঞ্জিনিয়াৰক আমি তালৈ মাতি আনো আৰু তেখেতক আমি অনুৰোধ কৰো যে এই ৰাস্তাটোৰ Specification কি? কেনেধৰণে বনাই? আৰু সেইটো তেওঁ অতি সুন্দৰভাৱে তাত সমবেত ৰাইজক বুজাই দিয়ে আৰু আমি জনপ্ৰতিনিধি হিচাপে ৰাইজক অনুৰোধ কৰো, এই যে Specification মতে ৰাস্তাটো বনাব লাগে, যিটো বুজাই দিয়া হৈছে, এই মতে বুজিছেনে নাই? এইটোৰ Specification ৰ কাম কিন্তু আপোনালোকৰ, আৰু আমি সময়ে সময়ে সেই ৰাস্তা বিলাক পৰিদৰ্শন কৰি কোনোবাই যদি কিবা আপত্তি দৰ্শাই যে ইয়াত শিলগুটিৰ কম হৈছে বা বেছি হৈছে তাতো মোৰ ক'বলগীয়া নাই। কাৰণ মই টেকনিকেল পাৰচন নহয়। তাৰকাৰণে মই বিভাগীয় ইঞ্জিনিয়াৰৰ সহায় লৈ যদি কৰ'বাত লেকোনা আছে মই কাৰেকশ্যন কৰিবলৈ চেষ্টা কৰো। মোৰ জন্মৰ পৰা আজিলৈকে পি ডব্লিউ ডি ৰ ৰাস্তা বনোৱা দেখিছো। কিন্তু পি ডব্লিউ ডি মন্ত্ৰীয়ে গৈ দিনে-নিশাই গৈ ৰাস্তা ঠিক কৈ বনাইছে নে নাই বনোৱা বিভাগীয় ইঞ্জিনিয়াৰৰ লগত পৰিদৰ্শন কৰি উন্নয়ণৰ ক্ষেত্ৰত দুৱাৰ মোকলোৱা কিন্তু মই দেখা পোৱা নাছিলো। বৰ্তমানৰ চৰকাৰখনৰ দিনত আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এইটো কৰা পৰিলক্ষিত হৈছে আৰু ইয়াৰ কাৰণে সদৌ অসমত যিমানবিলাক ঠিকাদাৰ আছে, যিমানবিলাক আমাৰ বিভাগীয় ইঞ্জিনিয়াৰ আছে তেওঁলোক ও সচেতন হৈছে, উৎসাহিত হৈছে আৰু তেওঁলোকে ও দিনে-নিশাই নিজৰ কৰ্তব্য পালন কৰিছে আৰু যদি কৰ'বাত কৰা নাই তেনেহ'লে জনপ্ৰতিনিধিৰ গাফিলতিৰ কাৰণে হয়তো

কৰিব পৰা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৩ তাৰিখৰ পি ডব্লিউ বিভাগৰ ৰিপোৰ্টটো চালে মই ভাৱো যে এখন চৰকাৰে কেৱল চাৰিটা বছৰত ১২,৪৪০ কিলোমিটাৰ পথ সম্পূৰ্ণ কৰাটো আগতে সম্ভৱ হোৱা নাছিলে। ২০১৬-২০১৯ চনলৈকে ১২,৪৪০ কিলোমিটাৰ পথ পকীকৰণ কৰা হ'ল। ৩ তাৰিখৰ উত্তৰত সমষ্টি ভিত্তিত তালিকা দাখিল কৰা হৈছে আৰু ইয়াৰ বাবে ১৪,৫৬৩.০৮ কোটি টকা খৰচ কৰা হৈছে। অসমৰ বুৰঞ্জীত এইটো এটা ৰেকৰ্ড বুলি মই ক'ব খোজো। ২০১৯-২০ ৰ কাৰণে ৪৮৫ কিলোমিটাৰ ৰাস্তা, ২২১ খন দলং অনুমোদন হৈছে। ২০১৯-২০ বছৰত নিৰ্ধাৰিত লক্ষ্য হৈছে ৬০৮২ কিলোমিটাৰ পথ আৰু ৫৯৫ খন দলং। ২০১৯-২০ ৰ বিত্তীয় বৰ্ষত বিভাগীয় বাজেটত ১০,৩০৮ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু পথ, দলঙৰ বাবে ১৫৫১.৬৫ কোটি টকা অনুমোদন দিয়া হৈছে। এইটো এটা সাধাৰণ কথা নহয়। পি এম জি এচ ওৱাইৰ গাঁৱৰ ৰাস্তাৰ জিঅ' টেগিং যদি আগতেই কৰিলেহেতেঁন তেনেহ'লে আজি যিটো হাৰত পি এম জি এচ ওৱাইৰ ৰাস্তা প্ৰতিটো সমষ্টিত ৰাইজে পাইছে হয়তো বহুত বেছিকৈ পালেহেঁতেন। আমাৰ সমষ্টিত প্ৰথমটো বছৰতেই আমি ২৫ টা ৰাস্তা পালো। প্ৰায় ১১৭ কিলোমিটাৰ ৰাস্তা ইতিমধ্যে পকীকৰণ আৰু ১০ খন দলং নিৰ্মাণ কৰা হৈছে। সমষ্টিৰ ৰাইজে কয় যে এইখন চৰকাৰ অহাৰ কাৰণে আমি পকী ৰাস্তাত খোজ কাঢ়িব পাৰিছো। আমাৰ সমষ্টিত ৯০ শতাংশ ৰাস্তাই বেয়া আছিলে। এতিয়া ৯০ শতাংশ ৰাস্তা তাত ভাল মাত্ৰ ১০ শতাংশ ৰাস্তাহে বেয়া আৰু ৱৰ্কমেনশ্বিপ এ ওৱান বুলি মই ক'ব পাৰো। It is because of the proper supervision of the departmental officers and the MLAs. এইবিলাক কথা আমি ক'লে বেলেগে হয়তো ভাবিব যে চৰকাৰক সুখী কৰিবৰ কাৰণে এই কথাবিলাক কৈছে। কিন্তু 'সত্যম ব্ৰিয়ত, প্ৰিয়ম ব্ৰিয়ত, ন ব্ৰিয়ত, সত্যম অপ্ৰিয়ম' সত্যক অপ্ৰিয় কৰি ক'লে কোনোবাই বেয়া পায়। যোৱা ১০ বছৰত যদি ৰাস্তা এনেকুৱাকৈ হ'ল হেঁতেন তেনেহ'লে আমাৰ সমষ্টিৰ ৰাস্তা বিলাক বেয়া হৈ নাথাকিলে হেঁতেন। গাঁৱলীয়া ৰাস্তা সমূহ বেয়া বুলি কৈছে। এই ৰাস্তা সমূহ পি ডব্লিউ ডি লৈ নিয়াৰ ব্যৱস্থা আছে কিন্তু আমাৰ আগৰ জনপ্ৰতিনিধি সকলে কৰাটো পৰিলক্ষিত নহয়। য'ত দলং লাগে তাত নিদিয়ে আৰু য'ত নিজৰ মানুহ থাকে তাতহে দলং দিয়ে। কিন্তু এইখন চৰকাৰৰ দিনত আমাৰ মাননীয় গড়কাপ্তানী মন্ত্ৰী, মুখ্য মন্ত্ৰী আদি সকলোৰে নেতৃত্বত ' সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' অৰ্থাৎ আমি কোনো বিশেষ ঠাই বা বিশেষ ব্যক্তিৰ কাৰণে দলং নবনাওঁ, বিশেষ ঠাইৰ কাৰণে উন্নয়ণৰ পথা মুক্ত নকৰো। আমি সকলোৰে কাৰণে সকলোকে বিশ্বাসত লৈ একেলগে আগবাঢ়ি যোৱাৰ কাম কৰো। কিছু কিছু সমষ্টিত গৈ দুখ লাগে , তাত মানুহবিলাকে কয় যে আমাৰ ইয়াত ঠিকাদাৰ সকলে ভালদৰে কাম নকৰে। গতিকে ঠিকাদাৰে ভালদৰে কাম নকৰাৰ বাবে কেৱল মন্ত্ৰী, চৰকাৰী অফিচাৰ কেইজন দায়ী হ'ব নেকি? আমাৰ জনতা, জনপ্ৰতিনিধিৰ দায়বদ্ধতা নাই নেকি? আমি চুপাৰভিজন কৰিব নালাগে নেকি? আমি সকলোৰে মিলি যদি চুপাৰভিজন কৰো আৰু যদি ইঞ্জিনিয়াৰ সকলৰ লগত লগলাগি একেলগে কামখিনি কৰাৰ মই পক্ষপাতি। এইকাৰণেই বন্ধুত্ব কৰাৰ পক্ষপাতি যে তেওঁলোকে আহি যদি আমাৰ কামখিনি সুন্দৰ ভাৱে চায় আৰু যদি আমাৰ লগত সদিচ্ছা এটা থাকে তেনেহ'লে আমাৰ ঠিকাদাৰ সকলে সুন্দৰভাৱে কামখিনি কৰিব পাৰে। সেয়ে মই বিভাগীয় অফিচাৰ সকলৰ লগত বন্ধুত্ব কৰাটো বেয়া কথা বুলি নাভাবো। আমাৰ প্ৰগতিৰ এটা পথ হৈছে কানেকটিভিটী। এই চৰকাৰখনৰ মূল লক্ষ্য ৫ টা কানেকটিভিটীৰ ভিতৰত অন্যতম এটা কানেকটিভিটী হৈছে ৰোড কানেকটিভিটী। ২০১৯-২০ বিত্তীয় বৰ্ষতো বহুকেইটা ৰাস্তা ধৰা হৈছে। ঠেক ৰাস্তা বিলাক বহল

কৰি সুন্দৰ ভাৱে বনোৱা হৈছে, এই উন্নয়ণমূলক কামবিলাকৰ কাৰণে যথেষ্ট পইচাৰ দৰকাৰ। মোৰ সমষ্টিত যিহেতু ৰাস্তা বিলাক বেছি দীঘল নহয় গতিকে ৪০ কোটি টকাৰ ৰাস্তা বহলিকৰণৰ কাম কৰা হৈছে। তাৰবাবে এইখন চৰকাৰক জনসাধাৰণে চেল্যুট মাৰিছে। এই চৰকাৰ খনৰ সদিচ্ছাৰ কাৰনে ৰাস্তা বিলাক সুন্দৰ হৈছে। গতিকে আজি এই চৰকাৰ খনে সদিচ্ছাৰ কৰি আজি পৰিপূৰক দাবী আনিছে। সেয়ে মই কৈছো যে বেছি পইচাৰ প্ৰয়োজন হ'ব পাৰে। ১৫০ কোটি টকা বহুত কম পইচা যিহেতু উন্নয়ণৰ কাৰণে বহুত টকা লাগে কিন্তু কিহৰ কাৰণে বিচৰা নাই মই নাজানো। মই ভাৱো যে গোটেই অসমখনত ৰাস্তা, পদূলি, দলং নিৰ্মাণৰ কাৰণে বহু হাজাৰ কোটি টকাৰ প্ৰয়োজন। কিছু কিছু ঠাইত বাঁহৰ দলঙৰ ফটো দেখুৱাই থকা হৈছে। চৰকাৰৰ আঁচনি হৈছে conversion of SPD to RCC. চেমি পাৰমানেণ্ট যিবিলাক দলং সেইবিলাকক আৰ চি চি লৈ কনভাৰশ্যন কৰাৰ পদক্ষেপ লৈছে। কাৰণ আজি ১৫-১৬ বছৰ আগতে নকৰাৰ কাৰণে সেইখিনি conversion নকৰাকৈ নতুন দলং ল'বৰ কাৰণে বহুত হাজাৰ কোটি টকাৰ দৰকাৰ হয়। কৰ'বাত গাৱঁৰ নলা এটাৰ ওপৰত যদি কোনোবাই বাঁহৰ দলং এখন দিছে তাতে ফটো লৈ লৈ মানুহক দেখুৱাই আছে যে চৰকাৰখনে ভাল কাম কৰা নাই। মই আৰু এটা কথা কওঁ যিটো পি ডব্লিউ ডিৰ লগত সন্নিবিষ্ট নহয়। মই পঞ্চায়তলৈ গুছি যাওঁ। পঞ্চায়তৰ অধীনত আগৰ ১৫ বছৰত যিমানখিনি কাম হ'ব লাগিছিল সেইখিনি নোহোৱাৰ কাৰণে আৰু যোৱা ৪ বছৰত ক্ষীপ্ৰতাৰে কামবিলাক আৰম্ভ কৰাৰ কাৰণে এন আৰ এম ৰ পাৰ্চেণ্টেজ নিমিলাৰ কাৰণে আমি ৰাস্তাটো বনাব পৰা নাই। গতিকে সেইখিনি যদি আগৰ পৰা মেইনটেইন কৰি থাকিলে হেঁতেন তেতিয়াহ'লে পঞ্চায়তৰ দ্বাৰা বহুত ৰাস্তা গাঁৱে-ভূঞে হ'ল হেঁতেন। মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে ইমান ক্ষীপ্ৰতাৰে, ইমান পইচা খৰচ কৰি এই কানেকটিভিটীৰ ক্ষেত্ৰত, বিশেষকৈ ৰোড কানেকটিভিটীৰ ক্ষেত্ৰত ৰোডচ্ এণ্ড ব্ৰিজেজ বনাই এক অভিলেখ সৃষ্টি কৰা চৰকাৰ খনক মই ধন্যবাদ জনাই এই পৰিপূৰক দাবীৰ সপক্ষে আৰু বিৰোধী পক্ষই অনা প্ৰস্তাৱৰ বিৰোধ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী গুনীন্দ্ৰ নাথ দাস।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী দলৰ মাননীয় সদস্য সকলে অনা কৰ্তন প্ৰস্তাৱৰ মই বিৰোধীতা কৰি দুআষাৰ ক'ব খুজিছো। আজি গড়কাপ্তানী বিভাগে গোটেই অসমৰ লগতে আমাৰ সমষ্টিটো ৰাস্তা-ঘাটৰ ক্ষেত্ৰত যি বিপ্লৱী পৰিবৰ্তন কৰিছে তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী, গড়কাপ্তানী মন্ত্ৰী আৰু গড়কাপ্তানী বিভাগক মই ধন্যবাদ জ্ঞাপন কৰিছো। আজি জনিয়া সমষ্টিৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই কৈছে যে আমি কৰিব লাগে কাৰণে কৈছো। গতিকে মই ভাৱো আজি প্ৰত্যেক গৰাকী সন্মানীয় বিৰোধী দলৰ বিধায়কেও ভাৱে যে আমি পুঁজি বেছিকৈ দিব লাগে। আমাৰ সকেলাৰে দাবী যে আমাৰ সকলোবিলাক সমষ্টিতে ৰাস্তা-ঘাট উন্নয়ণ হ'ব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই যেতিয়া ২০০৬ চনত বিধায়ক হৈ আছিলো তেতিয়া মাননীয় শ্ৰীতৰুণ গগৈ ডাঙৰীয়া দেব মুখ্যমন্ত্ৰী আছিল আৰু পি ডব্লিউ ডি বিভাগৰ মন্ত্ৰী আছিল মাননীয়া বিধায়িকা অজন্তা নেওগ বাইদেউ। তেতিয়া মই বিৰোধী দলৰ বিধায়ক হিচাপে আছিলো। তেতিয়া আমি দুখন দলঙত ৫০ লাখকৈ টকা পাইছিলো। দুই-চাৰিটা সৰু সুৰা ৰাস্তা পাইছিলো গোটেই ৫ বছৰীয়া কাৰ্য্যকালত। আমি যদি ওচৰৰে চেঙা সমষ্টিত যাওঁ তেতিয়া সেই সমষ্টিৰ কংগ্ৰেছৰ সন্মানীয় মন্ত্ৰী শ্ৰীশুকুৰ আলি চাহাব আছিল। জনীয়া সমষ্টিত ৰাস্তা- ঘাট হৈছিল। আমাৰ বিৰোধী দলৰ বিধায়কসকল বেয়া পাব নালাগে, তেতিয়া কিন্তু তেখেতসকলে আমাক মাহী আইৰ দৰে ব্যাৱহাৰ কৰিছিল। কিন্তু আমাৰ এই বি জে পি দলৰ

চৰকাৰখনে মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াই যোৱা ৩ তাৰিখে দেখুৱাই দিছে যে ১২৬ টা সমষ্ঠিত তেওঁলোকে অলপ difference হ'লেও প্ৰায় সমান্তৰালকৈ পুঁজি আৱন্টণ দিছে। আজি মইও মিত্ৰজোঁটৰ বিধায়ক হিচাপে আজি সমষ্টিৰ সকলো ঠাইত থিয় হ'ব পাৰো। আমাৰ বিধায়কসকলক আজি পি ডব্লিউ ডি ডিপাৰ্টমেন্টে ৰাইজৰ ওচৰত গ্ৰহণ যোগ্যতা হাজাৰ গুন বৃদ্ধি কৰিছে । মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আজি মাননীয় হাজৰিকা দেৱে কৈছে যে আমাৰ Connectivity লাগিব। আমি সকলোৱে জানো যে যাতায়ত ব্যৱস্থাটো এখন দেশৰ এখন সমাজৰ , দেশৰ এটা মেৰুদণ্ড । আজি জনীয়া সমষ্টিৰ বিধায়কে কৈছে যে আজি যদি আমি বৰপেটাৰ পৰা গোৱালপাৰালৈ যাবলৈ মাত্ৰ ১ ঘন্টা সময় লাগে কাৰণ বৰপেটা সমষ্টিৰ ৰাস্তা-ঘাট ইমান সুন্দৰ হৈছে । বাহিৰৰ পৰা মানুহ আহিলে কয় যে বৰ সুন্দৰ ৰাস্তা। কেৱল বৰপেটাই নহয় অসমৰ সকলো ঠাইৰে ৰাস্তা-ঘাটবোৰ উন্নত হৈছে। তথাপিও মই কওঁ যে কিছু কিছু সমষ্টিৰ কিছু কিছু ঠাইত ৰাস্তা বাকী আছে। গতিকে মাননীয় গড় কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে আমাক অলপ বেছিকৈ পুঁজি দিয়ক। যাতে আমি আগন্তুক নিৰ্ব্বাচনৰ সময়ত ৰাইজৰ সমস্যাবিলাক সমাধান কৰিব পাৰো। গতিকে মই আপোনাৰ জৰিয়তে Department ক এইটো অনুৰোধ জনালো। আমাৰ কিছুমান আসোঁবাহ আছে। যোৱাবাৰ আমাৰ SOPDত আমাৰ Tender হৈছিল। ডাঙৰ ডাঙৰ Group কৰিছিল। ডাঙৰ ডাঙৰ Contractor সকলৰ কামৰ বহুত লোড থাকে গতিকে মই ভাবো যে এই কামবিলাকৰ কিছুমান কাম আমাৰ 2nd Class - 3rd Class Contractor সকলক দিব লাগে। যাতে আমাৰ কামবিলাক ক্ষিপ্ৰতাৰে আগবঢ়াব পৰা যায়। কেতিয়াবা দেখা যায় ৰাস্তা বনোৱা মেটেল বিলাক পেলাই থৈ দিয়ে । সময়মতে কাম নোহোৱাৰ বাবে মেটেলবিলাক সিঁচৰিত হৈ যায়, নষ্ট হয়। গতিকে আপোনাৰ জৰিয়তে বিভাগক অনুৰোধ জনালো যে যাতে এই বিষয়ত চকু ৰাখে। বৰপেটা সমষ্টিত এতিয়াও দুই - চাৰিখন ভঙা দলং আছে । প্ৰায় ২০-২৫ খন দলং কৰা হ'ল তাৰ কাৰনে গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিলো। এতিয়াও আমাৰ কিছুমান দলং কৰিব লগা আছে। আজি কিছুদিন আগতে Minority এলেকা এটাত মোক লৈ গৈছিল। তাত মই দেখা পাইছো এতিয়াও তাত এখন দলং হোৱা নাই। তেওলোকে মোক অনুৰোধ জনাইছে যে দলংখন সোনকালে কৰি দিব লাগে। আমি আপোনাৰ লগত আছো। মই জানো যে যদি দলংখন কৰি দিব পাৰো ২-৪ হাজাৰ মাইনোৰিটি ভোট আমি লাভ কৰিব পাৰিম। এনেকুৱা এটা পৰিবেশ আমাৰ চৰকাৰে সৃষ্টি কৰিছে যে আমি ৰাইজৰ হকে কাম কৰি ৰাইজৰ ওচৰত গ্ৰহণযোগ্য হ'ব পাৰো। গড়কাপ্তানি বিভাগে শাসক-বিৰোধী দলৰ বিধায়ক সকলোকে সমানভাবে গুৰুত্ব দিছে । গতিকে মই ভাবো যে আমি কৰ্ত্তন প্ৰস্তাৱ কৰাতকৈ বৰং আমি সকলোৱে চৰকাৰক সমৰ্থন কৰিব লাগে। গড়কাপ্তানি বিভাগক যথেষ্ট পুঁজি দিব লাগে যাতে অসমৰ প্ৰতিটো ৰাস্তা-ঘাট উন্নয়ণ হওঁক। আজি National Highwayৰ বহুতো ৰাস্তা বাকী আছে। এইবিলাকো যাতে সোনকালে হয় তাৰ কাৰণে মই আপোনাৰ জৰিয়তে বিভাগক অনুৰোধ জনালো। তেখেতসকলৰ Men Power বহুত কম। আমি বিধায়কসকলে সহায় সহযোগ কৰিব লাগিব। ৩ মাহ মান আগতে আমাৰ গড়কাপ্তানি বিভাগে এটা বলিষ্ঠ পদক্ষেপ লৈছে। আমাৰ Design বিলাক সৰু সৰুকৈ ভাগ কৰি কামৰ ক্ষিপ্ৰতা বৃদ্ধি কৰিছে। কাম ভাল কৰাৰ বাবে চেষ্টা কৰিছে এইটো প্ৰশংসনীয় কথা। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে সদনত অনুৰোধ জনাও আৰু অধিক পুঁজি আবন্টণ দিয়ক। ইয়াকে কওঁ যে মই এই কৰ্ত্তন পৰস্তাৱৰ বিৰোধীতা কৰি আৰু আমাৰ বিধায়ক বন্ধুসকলক সহযোগ কৰাৰ বাবে আহ্বান জনাই মোৰ এই

কৰ্ত্তন প্ৰস্তাৱৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰীৰবিৰাম নাজাৰ্ৰী।

**শ্ৰীৰবিৰাম নাজাৰ্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এই পবিত্ৰ সদনত PWD Department ৰ Grant No- 64 ৰ অধীনত পৰিপূৰক দাবী মঞ্জুৰী , ইয়াৰ ওপৰত পুঁজি আবন্টণ বিচাৰি অতিৰিক্ত প্ৰস্তাৱ এটা চৰকাৰে আগবঢ়ালে । ইয়াৰ বিৰোধিতা কৰি আমাৰ বিৰোধী পক্ষৰ পৰা তেখেতসকলে Cut Motion Move কৰিছে। এই প্ৰস্তাৱটো বিৰোধিতা কৰি চৰকাৰে Additional Fund বিচাৰি যিটো প্ৰস্তাৱ আগবঢ়ালে। ইয়াৰ সমৰ্থনত দু আষাৰ কোৱাৰ বাবে মই আগবাঢ়িছো। আমি সকলোৱে জানো যে উত্তৰ পূৰ্ব্বাঞ্চলত থকা ৭ খন ৰাজ্যৰ ভিতৰত আমাৰ অসমখন বৰ্ত্তমানে সকলোতকৈ উন্নত ৰাজ্য। আজি অসম চৰকাৰে বহু যত্নৰে বিভিন্ন আঁচনিৰ যোগেদি অসম খন উন্নত কৰাৰ চেষ্টা কৰিছে। আমাৰ আজিৰ বি জে পি, এ জি পি আৰু বি পি এফৰ সন্মিলিত চৰকাৰখন অহাৰ পিছত অসম ৰাজ্যখনৰ উন্নয়ণৰ আৰু জনগণৰ স্বাৰ্থত উন্নয়ণৰ যিটো ধাৰা সেই ধাৰাটো ধৰি ৰাখি সকলো Department অৰ কাম- কাজবিলাক সুচাৰুৰূপে চলাই যাবলৈ চৰকাৰ সক্ষম হৈছে। ইয়াৰ ভিতৰত গড়কাপ্তানী বিভাগটোৰ আমাৰ দক্ষ মন্ত্ৰী মহোদয় আৰু লগতে সেই Departmentৰ লগত জড়িত থকা কৰ্মচাৰীৰ যৌথ প্ৰচেষ্টাত এই গড়কাপ্তানি বিভাগৰ বিভিন্ন আঁচনি - ৰাস্তা-ঘাট, দলং আদিৰ কাম যথেষ্ঠ কৰিছে. । নতুন দলং ৰাস্তা-ঘাট নিৰ্মান কৰিছে লগতে বিভিন্ন সমষ্টিৰ উন্নয়ণৰ ব্যৱস্থা বা পদক্ষেপ লৈছে। ইয়াত আমাৰ বিধায়ক সকলোক জড়িত হ'বলৈ সুবিধা দি এটা ৰেকৰ্ডৰ সৃষ্টি কৰিছে। সচাঁকৈ আমাৰ এই চৰকাৰৰ আম্বোলত আমাৰ বিধায়কসকলে নিজৰ নিজৰ সমষ্টিৰ বাট-পথ, দলং আদিৰ উন্নতিৰ কাৰণে আজিৰ তাৰিখলৈকে যথেষ্ঠ পৰিমানৰ পুঁজি লাভ কৰিবলৈ সক্ষম হৈছো। আমি বিধায়কসকলৰ নিজৰ নিজৰ সমষ্টিৰ বিভিন্ন ৰাস্তা ঘাট, দলং ইত্যাদিৰ লগতে চহৰ সংযোগী পথো নিৰ্মান কৰিছে। চহৰলৈ যোৱা পূৰ্ব্ব জৰাজীৰ্ন পথবোৰ আজি উন্নত হৈছে। ইয়াৰ পৰা আমাৰ গাওঁৰ ৰাইজসকল যথেষ্ঠ উপকৃত হৈছে। গতিকে আমি চৰকাৰখনক ধন্যবাদ দিবই লাগিব। ইয়াৰ কাৰণে আমি মুখ্যমন্ত্ৰীৰ লগতে আমাৰ গড়কাপ্তানি মন্ত্ৰীকো ধন্যবাদ দিবই লাগিব। ইয়াৰ লগতে বিভাগৰ কৰ্মচাৰীসকলো ধন্যবাদৰ পাত্ৰ। এই বছৰ মেৰামতিৰ নামত যিখিনি টকা আবন্টণ দিছে চৰকাৰে। এই টকাৰে আমি আমাৰ সমষ্টিৰ বাট -পথবিলাকৰ কামবিলাক সম্পূৰ্ণ কৰিবলৈ আমি সুবিধা পাইছো। আমি ধন্যবাদ দিব লাগিব যে আমাৰ এই গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অসমত যিবিলাক এচ পি টি দলং আছে সেইবিলাক সম্পূৰ্ণকৈ conversion কৰি আৰ চি চি দলং বনাবলৈ যিটো এটা তেখেতে মিছন আৰম্ভ কৰিলে এচ পি টি দলং বিহীন এটা আমাৰ গড়কাপ্তানী, আমাৰ যিটো যাতায়তৰ ব্যৱস্থা সুচল কৰিবৰ কাৰণে যিটো পদক্ষেপ ললে, কাম কৰিবলৈ যিটো পেকেজ ললে সেইটো এটা প্ৰশংসনীয় এটা বিষয়। আজি আমাৰ সমষ্টিবিলাকৰ অজস্ৰ হয়তো এচ পি টি দলং আছে, গোটেই অসমৰ বিধান সভাৰ যিমান সমষ্টি আছে প্ৰতিজন বিধায়কৰ নিজৰ নিজৰ সমষ্টিত এতিয়াও এচ পি টি দলং যথেষ্ট আছে। সেইবিলাক conversion কৰাৰ প্ৰয়োজন আছে আৰু সেইটো ধাৰাবাহিক ভাৱে conversion ৰ প্ৰক্ৰিয়া এতিয়াও চলি আছে। বিভাগে আমাক ইয়াৰ কাৰণে সুবিধাখিনি প্ৰদান কৰিছে। মই ধন্যবাদ দিছো। এতিয়া আমি সকলোৱে জানো যোগাযোগৰ ব্যৱস্থা যদি উন্নত নহয় কেতিয়াও এটা ৰাজ্য বা ৰাষ্ট্ৰ ৰ উন্নতি হ'ব নোৱাৰে। Civilization কেতিয়াও উন্নত হ'ব নোৱাৰে। প্ৰধানতে মানুহৰ লগত মানুহৰ সংযোগ আৰু এটা এৰিয়াৰ পৰা আন এটা এৰিয়ালৈ সংযোগ, এখন ৰাজ্যৰ লগত আন এখন ৰাজ্যক সংযোগত আনিবৰ কাৰণে

যোগাযোগৰ ব্যৱস্থা অত্যন্ত দৰকাৰ। ইয়াৰ কাৰণে আমি কব লাগিব যে বিভিন্ন বিভাগ বিলাক যদিও আছে  কিন্তু সকলোতকৈ দৰকাৰ আছে এতিয়া যোগাযোগটো উন্নত কৰিব লাগে। এই গড়কাপ্তানী বিভাগৰ পৰা যি খিনি কাম কৰি আছে অতি সন্তোষজনক।  আমি সকলোৱে নিশ্চয় সেইটো স্বীকাৰ কৰিব লাগিব আৰু প্ৰশংসা কৰিব লাগিব। আজি মই যিটো অঞ্চলৰ পৰা আহিছো সেয়া সমস্যা জৰ্জৰিত। এই সমস্যা জৰ্জৰিত হৈ থকা আমাৰ সমষ্টি বিলাকৰ এলেকা বিলাকৰ ফটো মই এই হাউচত দাঙি ধৰিব বিচাৰো। প্ৰথম কথা হ'ল যে এই এচ পি টি দলং conversion ৰ কাৰণে চৰকাৰে যিমানখিনি টকা আৱন্টন কৰি দিছে সেই টকাটো আকৌ নিশ্চয় বঢ়াই দিয়াৰ প্ৰয়োজন আছে। আমি মই ইয়াত হাউচক অৱগত কৰিব খোজো যে মোৰ পশ্চিম কোকৰাঝাৰ সমষ্টি, আজি আমাৰ মন্ত্ৰী মহোদয়ৰ বিভাগৰ হাতত নিশ্চয় ৰেকৰ্ড আছে, যে সকলোতকৈ বেছি এচ পি টি দলং যদি আছে  পশ্চিম কোক্ৰাঝাৰ সমষ্টিত। যিটো সমষ্টিত মই আজি প্ৰতিনিধিত্ব কৰিছো, সেইটো সমষ্টিতে অসম বিধান সভাৰ সমষ্টিৰ ভিতৰত সকলোতকৈ বেছি এচ পি টি দলং আছে। গতিকে এই এচ পি টি দলং বোৰ conversion কৰি যদি আৰ চি চি দলং কৰিব লগীয়া হয় মই অসম চৰকাৰৰ মন্ত্ৰী মহোদয়ৰ বিভাগীয় কৰ্তৃপক্ষৰ বিলাকৰ কৃপা দৃষ্টি যাতে আমাৰ এই ২৯ নং সমষ্টিৰ প্ৰতি সদায় থাকে মই সেইটো অনুৰোধ কৰিব খুজিছো। ইয়াৰ লগে লগে আমাৰ কিছুমান সমস্যা আৰু আছে। সমগ্ৰ বি টি এ ডি অঞ্চল এটা পিছ পৰি থকা অঞ্চল আছিল। বি টি এডি গঠন হোৱাৰ পিছত অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ কিছুমান গ্ৰান্ট, টকা-পইচা পোৱাৰ কাৰণে আমি উন্নতি  সন্তোষজনক ভাৱে কৰিব পাৰিছো। ইয়াৰ কাৰণে মই অসম চৰকাৰ আৰু ভাৰত চৰকাৰক ধন্যবাদ দিছো যে আপোনাসকলে বি টি এডি অঞ্চলৰ বাট-পথ আৰু দলং বোৰ নিৰ্মাণৰ কাৰণে, উন্নতিৰ কাৰণে টকা-পইচা, পুঁজি আমালৈ আগবঢ়াই সমৰ্থন কৰিলে আৰু এইখিনি উচিত ভাৱে, সঠিকভাৱে ব্যৱহাৰ কৰাৰ কাৰণে আমাৰ অঞ্চলবোৰ আমি কিছু হলেও আগৰ তুলনাত উন্নতি যথেষ্ট কৰিব পাৰিছো। কিন্তু, এইখিনি আজিৰ দিনত কবলৈ গ'লে যথেষ্ট নহয়। কিয়নো BTAD অঞ্চলৰ ভূ-খণ্ড আছে সেই ভূ খণ্ডটো হ'ল হিমালয়ৰ ওখ পাহাৰৰ তলত থকা। সেই হিমালয় ওখ পাহাৰৰ পৰা যিবিলাক নদ-নদী আছে সেইবিলাকৰ সোঁতৰ গতি সেইটো যেতিয়া বাৰিষা বতৰ আহে তেতিয়া যি ফালেদি ৰাস্তা নাছিল যি ফালেদি বানপানী বৈ যোৱা বা নদী নাছিল নতুন নতুন সেইবোৰ এলেকাবোৰ হ'ল, এতিয়া নতুন নতুন নদীৰ সৃষ্টি হৈ আছে। নদীৰ সৃষ্টি হৈ আছে নতুন দলং, নতুন নতুন ৰাস্তা বোৰ ভাঙি চিঙি আজি  বহুত আমাৰ ক্ষতি কৰে। এইটো প্ৰতি বছৰে হয়। ইয়াৰ কাৰণে এইবোৰ অঞ্চলত গড়কাপ্তানী বিভাগৰ পৰা যথেষ্ট কাম কৰিব লগা আছে। আমাৰ বিটি চি অঞ্চলৰ পৰা আমাৰ ৰাইজে আমাক কৈ থাকে আমাৰ দাবী চৰকাৰৰ আগত দাঙি ধৰিব লাগে, আমাৰ যি সমস্যা আছে যে আমাৰ বানপানী গ্ৰস্থ এলেকা, হিমালয়ৰ পৰা নদ-নদী অহা যাৰ কাৰণে আমাৰ বাট-পথ , দলং বোৰ নষ্ট হয় প্ৰতিবছৰে, আমি বনোৱা সেইবিলাকৰ infrastcture নষ্ট হৈ যায়, সেই বিলাক বনাবৰ কাৰণে আমাৰ অঞ্চলত যথেষ্ট পইচা মোকলাই দিয়াৰ প্ৰয়োজন আছে, চৰকাৰৰ কৃপা দৃষ্টিৰ প্ৰয়োজন আছে। আমাৰ আজি যিবিলাক এচ পি টি দলং conversion সেইটো on going এটা প্ৰচেষ্টা কিন্তু এটা কথা আমি ইয়াত দাঙি ধৰাটো উচিত বা মই ক'ব খোজো যে আমাৰ কিছুমান অঞ্চলত একেইবাৰে ৩০ কি.মিটাৰ, ৪০ কি.মিটাৰলৈ গৈ ঘুৰি নদী পাৰ হৈ যাব লগা হয়। য'ত অথচ এচ পি টি দলং আগৰ পৰা কেতিয়াও নাছিল, আজিৰ তাৰিখলৈ নাছিল। সেই বোৰ অঞ্চলত কিন্তু আমি যোগাযোগটো সুচল কৰিবলৈ হ'লে নতুনকৈ য'ত এচ পি টি দলং নাছিল সেইবোৰত নতুনকৈ আৰ চি চি দলং নিৰ্মাণ প্ৰয়োজন আছে।

যেনেকৈ আমাৰ সংকোচ নদীৰ পশ্চিম ফালে আমাৰ পশ্চিম বংগৰ লগত আমাৰ গোসাইগাওঁ সমষ্টি ২৮ নম্বৰ, আমাৰ সেই পশ্চিম বঙ্গৰ ফালে আমি ভিতৰত ৪০-৫০ কি.মিটাৰ পশ্চিম বঙ্গত গৈহে তাৰ পৰা ঘুৰি আহি আমাৰ এই সোণকোষ নদীৰ পশ্চিম ফালে থকা অসমৰ এই ভূ-খণ্ডত আমি ভৰি দিব লগা হয়। ইয়াৰ কাৰণে এই সোণকোষ নদীৰ আমাৰ সেইটো অঞ্চলত অসম খনৰ এই ভূ-খণ্ডত সংযোগ কৰিবলৈ নতুনকৈ এখন আৰ চি চি দলং বনোৱাৰ প্ৰয়োজন আছে। ঠিক তেনেকৈ আমাৰ গঙ্গীয়া নদী, আমাৰ গৰুফেলা নদী, সেন নদী, লঙীয়া নদী, হৰভঙা নদী, আই নদী, কানামাচৰা, বেকী নদী, ধৰশিৰি, চুকলাই সেই নদীৰ বিলাকৰ ওপৰতো নতুনকৈ কিছুমান আৰ চি চি দলং বনোৱাৰ প্ৰয়োজন আছে। কিয়নো এইবোৰ নদীৰ ওপৰত এচ পি টি দলং নাই। অথচ এই নদীৰ দুয়োপাৰে থকা ৰাইজৰ মাজত সংযোগৰ বাবে যিটো ৰাস্তা আছে সেই ৰাস্তাটো থকা সত্বেও দুয়োপাৰৰ মানুহ সকলৰ মাজত যোগাযোগৰ সুবিধা আজিলৈকে পোৱা নাই। গতিকে আমি কব খোজো এইবোৰ অঞ্চলৰ কাৰণে আমাৰ মন্ত্ৰী মহোদয়ে, আমাৰ বিভাগে আমাৰ চৰকাৰে এইবোৰ অঞ্চলত কিছুমান Apart from the Government policy to convert SPT bridge to RCC bridge, there should be a policy in the hand of the Government to construct some new RCC bridges over those rivers. সেইবোৰ অঞ্চলত এইবিলাক নদীৰ ওপৰত নতুনকৈ আৰ চি চি দলং বনোৱাৰ প্ৰয়োজন আছে। সেইখিনি বিষয়ৰ ওপৰত চৰকাৰে যাতে দৃষ্টি ৰাখে, বিভাগৰ পৰা যতে দৃষ্টি ৰাখে ইয়াৰ কাৰণে মই আজি হাউচত চৰকাৰক অনুৰোধ জনাইছো। আমাৰ বি টি চি চৰকাৰে নিজৰ যিখিনি বছৰকীয়া প্লেন যিখিনি বাজেট তেখেত সকলে নিৰ্দ্ধাৰিণ কৰে এইখিনি সীমিত পুঁজিৰে আমাৰ অঞ্চলৰ বাট-পথ আমি নিৰ্মাণ কৰা, আমাৰ মেৰামতি কৰা নতুনকৈ দলং নিৰ্মাণ কৰা সেইটো কেতিয়াও সম্ভৱ নহ'ব। গতিকে BTC is the part and parcel of State of Assam and the Govt. is now taking a policy for all round development of entire State of Assam. So, the Government should take a policy for further development of this area. আমাৰ বি টি চি অঞ্চলৰ কাৰণেও অসম চৰকাৰে যাতে আমাৰ সাহায্য প্ৰদান কৰে। মই এইখিনি অনুৰোধ কৰিছো যে আজি অসম চৰকাৰৰ ফালৰ পৰা গড়কাপ্তানী বিভাগৰ ফালৰ পৰা আমাৰ বাট-পথ নিৰ্মাণৰ কাৰণে, মেৰামতিৰ কাৰণে, উন্নতিৰ কাৰণে, দলং নিৰ্মাণৰ কাৰণে যিখিনি আজি টকা প্ৰয়োজন চৰকাৰৰ ওচৰত দাবী জনাই এটা প্ৰস্তাৱ আনিছে, মই সেই প্ৰস্তাৱটো পূৰ্ণ ভাৱে সমৰ্থন আগবঢ়াইছো।

আমাৰ বহু খিনি কাম কৰিবলগীয়া এতিয়াও আছে। আমাৰ civilization development, socio-economic development, educational development আমি যদি অসমত আনিব লাগে আমাৰ যোগাযোগৰ ব্যৱস্থাটো আমি সদায় উন্নত কৰিবৰ কাৰণে জোৰ দি কাম কৰিব লাগিব । আমি আজি ধন্যবাদ দিব লাগিব অসম চৰকাৰক। অসমৰ চুবুৰীয়া ৰাজ্য পশ্চিমবংগ। তুলনামূলক ভাবে সঁচাকৈ আমি ক'ব লাগিব যে অসম খন বিশেষকৈ যাতায়ত ব্যৱস্থাৰ, যোগাযোগ ব্যৱস্থাৰ, যিটো আন্তঃগাঁঠনি পশ্চিমবংগৰ তুলনাত যথেষ্ট উন্নত । আৰু সেইটো আমাৰ চৰকাৰৰ এটা constructive policy ৰ কাৰণে সম্ভৱ হৈছে । আজি আমাৰ স্থায়ীভাবে নিৰ্মাণ কৰা ৰাস্তা অহা বছৰত ভাহি যোৱা এইবিলাক যাতে নহয় ইয়াৰ কাৰণে নতুন নতুন scientific mechanism introduce কৰি যিটো কাম কৰিবলৈ লৈছে। আজি PWD পকীকৰণৰ কাৰণে আমাৰ বিভাগৰ পৰা SDPC ৰ যিটো নীতি আৰু যিটো কাম কৰা প্ৰক্ৰিয়া আৰম্ভ কৰিছে সঁচাকৈ

ধন্যবাদৰ বিষয় । কিয়নো SDPC ৰ যোগেদি কাম কৰাৰ পিছত আমি সেইটো দেখা পাওঁ যিটো আমি যোৱা দিন বিলাকত কৰি আহিছিলো । ইয়াৰ তুলনাত আজিৰ দিনত যিখিনি SDPC ৰ দ্বাৰা ৰাস্তা বনাইছো, পকীকৰণ কৰাৰ ব্যৱস্থা সেইটো বেছিকৈ ভাল হোৱাটো আমি দেখা পাইছো । আমি ইয়াৰ কাৰণে savings কৰিব পাৰিছো । যিটো আমি বছৰি বছৰি মেৰামতি কৰিবলগীয়া হৈছিল সেইটো আমি তিনি বছৰ, চাৰি বছৰত হয়তো মেৰামতি কৰিবলগীয়া হ'ব। ইয়াৰ কাৰণে অলাগতীয়াল ভাবে যিটো খৰচ কৰিবলগীয়া হৈছিল সেইখিনি খৰচ আজি কমি গৈছে। এইটো বিভাগৰ পৰা লোৱা পদপেক্ষৰ এটা প্ৰশংসাৰ বিষয়। গতিকে মই আৰু বেছিকৈ ক'ব নাযাওঁ যে আমাৰ চৰকাৰে যিখিনি টকা বিচাৰি প্ৰস্তাৱ সদনত উত্থাপন কৰিছে মই পুৰ্ণাংগ ভাবে সমৰ্থন আগবঢ়াই বিৰোধী দলৰ বিধায়ক সকলে যিখিনি কৰ্তন প্ৰস্তাৱ আনিলে মই সেইখিনিৰ বিৰোধীতা কৰি আমাৰ তৎক্ষানিক ভাবে কাম কৰিবৰ কাৰণে আগবাঢ়িছে, যাতায়তৰ ব্যৱস্থা সুচল কৰিবৰ কাৰণে যিটো ব্যৱস্থা কৰিছে তাৰ প্ৰতি আমাৰ এই সন্মানীয় বিৰোধী দলৰ বিধায়ক সকলক সহায় সহযোগ আগবঢ়াবৰ কাৰণে মই অনুৰোধ কৰিছো। ইয়াৰ লগতে মই শেষত এটা কথা ইয়াত উল্লেখ কৰিব খুজিছো যে আমাৰ যিটো National Highway শ্ৰীৰামপুৰ, আমাৰ অসম আৰু পশ্চিমবংগৰ যিটো বৰ্ডাৰ সেই বৰ্ডাৰৰ পৰা কোকৰাঝাৰৰ কচুগাওঁলৈকে যিটো এটা আমাৰ National Highway ৰ অৱস্থা সেই অৱস্থা সঁচাকৈয়ে বেয়া। অসম-পশ্চিমবংগ বৰ্ডাৰৰ পৰা পূৱ পিনে আহি কোকৰাঝাৰ জিলাৰ কচুগাওঁলৈকে যিটো ৬০ কিলোমিটাৰ দূৰত্বত যিটো National Highway যদিও নিৰ্মাণ কাৰ্য্য তাত চলি আছে খুব দীঘল আৰু লেহেমীয়া, একেবাৰে অগ্ৰগতি লাভ কৰা নাই, মানুহ বিলাক সদায় নাথাকে। মানুহ মৰি আছে। এইবিলাক কাম একেবাৰে লেহেমীয়া হৈ থকাৰ কাৰণে ৰাইজে বহুটো কষ্ট পাইছে। বহিঃৰাজ্যৰ পৰা অহা ট্ৰাক চালক সকলে বহুতো কষ্ট পাই আছে । আজি ৰাইজৰ বিভিন্ন ধৰণৰ প্ৰেচাৰৰ সন্মুখীন হ'ব লগীয়া হ'ল । গতিকে যিটো কোম্পানীৰ পৰা তাত সেই নিৰ্মাণ কাৰ্য্যটো চলি আছে তেখেত সকলে যাতে সঠিক ভাবে, সময় মতে ক্ষীপ্ৰতাৰে কামখিনি কৰি সোনকালে কৰি যাতে কৰা হয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে ইয়াৰ প্ৰতি নজৰ ৰাখে। গতিকে মই আশা কৰো মন্ত্ৰী মহোদয়ে সোনকালে ইয়াৰ কাৰণে যোগাযোগ কৰিব । আৰু আশা কৰা ধৰণে এই অঞ্চলৰ ৰাইজৰ যাতায়তৰ ব্যৱস্থা সেইটো ভাল কৰিব কাৰনে সম্ভৱ হ'ব । মই এইখিনিকে কৈ আমাৰ চৰকাৰৰ যিটো দাবী মঞ্জুৰী ইয়াত বিচাৰি প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনায় মোৰ ক'বলগীয়া খিনি ইয়াতে শেষ কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন, বিধায়কঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যি দাবী মঞ্জুৰী-৬৪ নং ৰ পথ আৰু দলংৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীয়ে অতিৰিক্ত ১৫০০০.০১ লাখ টকা মঞ্জুৰী কৰিব লাগে । তাক সমৰ্থন কৰি আৰু বিৰোধীৰ কৰ্তন প্ৰস্তাৱক বিৰোধীতা কৰি মই দুযাৰমান ক'বলৈ ওলাইছো । উপাধ্যক্ষ মহোদয়, অসমৰ বাট-পথ, দলং আদি দ্ৰুত গতিত নিৰ্মাণ হ'বলৈ ধৰিছে। মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ শাসনকালত আমাৰ মাননীয় মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যেতিয়াৰ পৰা PWD ৰ দায়িত্ব ল'লে তেতিয়াৰ পৰা অতি সাহসেৰে কাম কৰিছে । এটা কথা মনত পৰে মাননীয় উপাধ্যক্ষ মহোদয়- " মোডি হেতু মুমকিন হেই, সৰ্বা হেতু সম্ভৱ হেই ওৰ হিমন্ত হেইতু হিম্মত হেইন" । এই হিম্মৎৰ কাৰণে কামবোৰ দ্ৰুত গতিত আগবাঢ়ি গৈছে। আজি যি ধৰণে কাম হৈছে আমাৰ অসমত কোনো এটা সমষ্টিতে কাকো এৰি দিয়া হোৱা নাই । চবকা চাথ, চবকা বিকাশ, চবকা বিশ্বাস। এই নীতি লৈ আমি কামত আগবাঢ়িছো। কোনো বিধায়কে আজি ক'ব নোৱাৰে

তেখেত সকলৰ সমষ্ঠিত টকা পইচা দিয়া নাই বা কামৰ পাৰও বাদ দিয়া নাই । আমি সকলোকে লগত লৈ কাম কৰিছো । বিধায়ক সকলৰ পৰামৰ্শ মতে এই আঁচনি সমূহৰ কাম হাতত লোৱা হৈছে । আজি আমাৰ প্ৰায় ১৬ হাজাৰ কিলোমিটাৰৰ অধিক এই চৰকাৰৰ দিনত ৰাস্তা প্ৰস্তুত কৰি উলিওৱা হৈছে । আৰু আগন্তুক দিন বোৰতো আমাৰ চৰকাৰৰ কাৰ্য্যকাল শেষ হোৱাৰ আগে আগে ২০ হাজাৰ কিলোমিটাৰ অধিক ৰাস্তা আমি ভাল কৰিবলৈ সক্ষম হম। সেয়েহে উপাধ্যক্ষ মহোদয় আমাৰ চৰকাৰে অতি সাহসীকতাৰে কামবোৰ আগবঢ়াই লৈ গৈ আছে, আমাৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। সেই কাৰণে আমাৰ কাঠৰ দলং বোৰ পকী দলঙলৈ ৰূপান্তৰিত কৰিছে। এই আঁচনি খনৰ নামো দিছে লাচিত-চিলাৰায় সেতু। এই বীৰ সকলৰ নামত আমাৰ দলংবোৰ নিৰ্মাণ হৈছে আৰু বীৰ গতিৰে আমাৰ এই চৰকাৰ খনে কাম কৰি গৈ আছে । বিগত সময়চোৱাত যি লেহেম গতিত কাম বোৰ হৈছিল তাৰ তুলনাত এই চৰকাৰৰ দিনত খুব সুন্দৰ ভাবে কামবোৰ হৈছে। আমি আশা কৰিছো যদিহে কামবোৰ আগবাঢ়ি গৈ থাকে তেতিয়াহ'লে আমাৰ এই অসম খন ৰাস্তাৰ ক্ষেত্ৰত, যোগাযোগৰ ক্ষেত্ৰত অতি সোনকালে আমি আগবাঢ়ি যাব পাৰিম। মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য যেতিয়া PWD ৰ মন্ত্ৰী আছিল তেখেতৰ দিনৰ পৰাই সেই কামবোৰ আৰম্ভ হৈছিল। প্ৰত্যেক জন বিধায়কক ৭ কোটি টকাকৈ ৰাস্তা-পদূলী বনোৱাৰ কাৰণে দিছিল। সেই সময়ত আমি সকলোৱে আনন্দ লাভ কৰিছিলো। এনেকৈ ৭ কোটি টকাকৈ অহাবাৰো দিব লাগে । PWD ৰ মন্ত্ৰী যেতিয়া বেলেগ হ'ল তেতিয়া আমাৰ মন বোৰ সেমেকি গৈছিল । কিন্তু হিমন্ত্ বিশ্ব শৰ্মা ডাঙৰীয়াই এই বিভাগৰ দায়িত্ব লোৱাৰ পিছতে প্ৰত্যেকটো সমষ্ঠিত যেতিয়া ২০/৩০ কোটি টকাকৈ অনুমোদন জনালে তেতিয়া আনন্দত আত্মহাৰা হৈ পৰিলো। তেতিয়া আমি সমষ্টিৰ বহুতো ৰাস্তা বনাবলৈ সক্ষম হৈ গলো। চাহ বাগানৰ ক্ষেত্ৰত প্ৰত্যেক খন বাগানতে ১ কিলোমিটাৰ ৰাস্তাকৈ প্ৰিভাৰ ব্লকৰে বনোৱা হ'ব। ৮৫০ কিলোমিটাৰতকৈ অধিক অসমত প্ৰিভাৰ ব্লকৰে ৰাস্তা বনোৱা হৈ গ'ল। আমি মন্ত্ৰী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো । আজি আমাৰ ৰাস্তাবোৰ ইমান ধুনীয়া হৈছে যে বাগানৰ ৰাস্তাবোৰলৈ গ'লে আমাক কয় চাৰ আমি ঘৰত নবহো, ৰাস্তাতহে বহিম । আজি মানুহৰ মনবোৰত কিমান আনন্দ লাভ কৰিছে যে আমি এটা ডাঙৰ বস্তুহে পালো । কিয়নো আগতে চাহ বাগানৰ ৰাস্তাবোৰ বনোৱাৰ কাৰণে কোনোধৰণৰ ব্যৱস্থা হাতত লোৱা নাছিল । সেয়েহ আজি মানুহৰ মনবোৰ অতি আনন্দত থাকে । আমাৰ বিধায়ক সকলেও এনেকুৱা ৰাস্তা বনোৱাৰ ক্ষেত্ৰত যথেষ্ট আগভাগ লোৱা পৰিলক্ষিত হৈছে । গতিকে আমাৰ যদি যোগাযোগ ব্যৱস্থা ভাল হয় তেতিয়াহ'লে আমি তাত গৈ আনন্দ লাভ কৰো।

উপাধ্যক্ষ মহোদয়, এম,এল,এ সকলেও যথেষ্ট গুৰুত্বসহকাৰে এই ৰাস্তা বনোৱাৰ ক্ষেত্ৰত লাগিছে, কাৰণ যোগাযোগটো যেতিয়া ভাল হয় আমিও খোজকাঢ়ি বা গাড়ীৰে গলে কষ্ট নাপাওঁ আৰু এম এল এ সকলে এটা সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছে যে এতিয়া প্ৰত্যেকটা সমষ্ঠিতে ৰাস্তা হৈছে। এনেধৰণে প্ৰতিটো বিভাগৰে কাম হৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ যিখিনি ইঞ্জিনিয়াৰিং চেকচনত, ক্লাৰিকেল চেকচনত তেখেত সকলৰ কাম ইমান বাঢ়িছে যে আগতে অফিচত গলে তেওঁলোকক পোৱা নাযায়, কিন্তু এই চৰকাৰখন অহাৰ পিছত অফিচত গলে অফিচাৰৰ কথা কবলৈ সময় নাই। মূৰ ডাঙিবলৈ সময় নাই। ইমান কাম বাঢ়ি ছে। মোৰ সমষ্ঠিত কাৰ্যবাহী অভিযন্তাই ৰাতি ৩ বজালৈকে চহী কৰি ডি পি আৰ বনাই গুৱাহাটীলৈ আহে। এইটো কথা নহয় উপাধ্যক্ষ মহোদয়, যে আগৰ নিচিনা চেংচন দিব তাৰ পিছত বনাব লাহে লাহে ডি পি আৰ হব আৰু ছমাহ এবছৰ পিছত কামটো কৰিব। সময় দিয়ে মাত্ৰ ১৫ দিন আৰু এই ১৫ দিনৰ ভিতৰত ডি পি আৰ

জমা দিব লাগিব। লগে লগে হাহাঁকাৰ লাগি যায়। ইঞ্জিনিয়াৰিং চেকচনত থকা সকলৰ হুৰাদুৰা লাগি যায়। সকলোৱে দৌৰাদৌৰী কৰা আৰম্ভ কৰে।এতিয়া এটা work puting ত আমাৰ কাম হৈছে। সকলোৱে নিষ্ঠাৰে কাম কৰিছে। সেই কাৰণে তেখেত সকলক আমি ধন্যবাদ দিব লাগিব।

উপাধ্যক্ষ মহোদয়, কাৰ্বি আংলঙত আমি যদি চাওঁ, সকলো সমষ্টিতে সমানে টকা দিছে । আমি সুখী কিন্তু কাৰ্বি আংলঙত মাটি-কালি যিটো আছে, বেলেগ প্লেন এৰিয়া ত ৭০০ বৰ্গ কিলোমিটাৰ বা ১০০০ বৰ্গ কিলোমিটাৰত একোটা সমষ্টি থাকে। কাৰ্বিআংলঙৰ এন চি হিলচত ৪০০০ বা ৩০০০বৰ্গ কিলোমিটাৰৰ একোটা সমষ্টি আছে। গতিকে যিহেতু প্ৰত্যেকটা সমষ্টিতে টকা সমানে দিয়ে আমাৰ কাৰণে সেইটো one third ৰ দৰে হয় । আমাৰ তাত জিলা ভিত্তিক জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ৯২ জন । অসমৰ প্লেইন ডিষ্ট্ৰিকত প্ৰতি বৰ্গ কিলোমিটাৰ জনসংখ্যা ঘনত্ব ৪৪৬ জন। গতিকে জনসংখ্যাৰ ঘনত্ব যদি চায় আমাৰ ইয়াত ১০ ঘৰ আছে, তাত পাঁচ ঘৰ আছে, কৰবাত ১৫ ঘৰ আছে তেনেকুৰাকৈ পাহাৰীয়া অঞ্চলত দীঘল-দীঘল ৰাস্তা। কিন্তু যি পৰিমানৰ আমি টকা পাইছো, সেইটো পৰিমানে পাহৰীয়া অঞ্চলত আমাৰ নাটে। গতিকে আমি ভাবো ,আমাৰ পাহৰীয়া অঞ্চলত জনসংখ্যাৰ ঘনত্ব য'ত কম আৰু দীঘলীয়া ৰাস্তা লাগে তাত অকণমান আৰু পুঁজিটো বঢ়াই দিলে ভাল হয়। এতিয়াও সুখী নহয় বুলি নকওঁ। we are very happy. আগতে একো পোৱা নাছিলো, এতিয়া অন্ততঃ পাহাৰ অঞ্চলত কাম আৰম্ভ হৈছে।

উপাধ্যক্ষ মহোদয়, বাগানৰ যিটো ৰাস্তাৰ কনচেপ্ট আনিছে তাত আমি সুখী হৈছো। আগতে বোকা- পানীয়ে লেতেৰা অৱস্থা। তাত ল'ৰা ছোৱালী বিলাকে চেণ্ডেল খুলি খুলি স্কুললৈ যায়। গোটেই শৰীৰত বোকা লাগে। এতিয়া এই পৰিস্থিতি সলনি হৈছে। চাহ বাগিচাৰ ল'ৰা ছোৱালী স্কুল যাবলৈ মন কৰিছে। তেখেত সকলৰ মুখত হাঁহি আহিছে আৰু লগতে আমাৰো মনবিলাক স্ফুৰ্টি হ'ব ধৰিছে। এনে দৰে যদি আমি কাম কৰি গৈ থাকো মই ভাবো আগন্তুক ছয় বছৰত অসমত নিৰ্মাণ কৰিবলগীয়া ৰাস্তা নাথাকিব চাগে। তথাপিও উপাধ্যক্ষ মহোদয়, মই মোৰ সমষ্টিত দুটা মান ৰাস্তাৰ কথা কওঁ। যিখিনি সৰু সৰু ৰাস্তাৰ বাবে টকা দিছে দুই কিলোমিটাৰ, চাৰি কিলোমিটাৰ, দহ কিলোমিটাৰ মই সেই ৰাস্তাবোৰ বনাইছো। খুব সুন্দৰ হৈছে। ৰাইজ খুব খুচী । ৰাইজে কৈছে যে আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক গামোছা পিন্ধোৱাৰ বাবে গুৱাহাটীলৈ যাম নিকি? মই কৈছো, নালাগে। মন্ত্ৰী ডাঙৰীয়া আহিব,তেতিয়া তেখেতক গামোছা দিব। আৰু কেইটামান দীঘলীয়া ৰাস্তা আছে। যিখিনি টকা দিছো সেই টকাৰে নাটে। সেই কাৰণে মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিব বিচাৰিছো যে চিলনীজানৰ পৰা কঁহৰা, এই পথটোৰ দৈৰ্ঘ্য ৮৮ কিঃমিঃ । এই পথটোৰ বাবে যি আচঁনি দিয়ে তাৰ দ্বাৰাই পথটো নিৰ্মাণ কৰাত অসুবিধা হয়। গতিকে এই পথটো যদি 'অসম মালা'ত ধৰে, তেতিয়া এই পথটো ভাল হ'ব। যদি এই পথটো National high way লৈ convert কৰে তেতিয়াও ভাল হ'ব। তেতিয়া কাজিৰঙাৰ কঁহৰাৰ পৰা চিলনীজানলৈ যাব। বহুত কষ্ট কমি যাব আৰু কাজিৰঙা National park বহু খিনি জোঁট খুলিব যদি আমাৰ কাৰ্বি-আংলঙৰ মাজেৰে গাড়ীবোৰ যায়। তাৰ পিছতে চকীহোলাৰ পৰা বৰপুং তৰাপুং নামৰ ৬০ কিঃমিঃ ৰাস্তা আছে। যোৱাবাৰ PMGSY ৰ চেকেণ্ড ফেজৰ কাৰণে উঠিছিল। আমাৰ দুৰ্ভাগ্য যে কাৰ্বি-আংলঙত PMGSY ৰ চেকেণ্ড ফেজটো নাপালো। যিহেতু আমাৰ ফাৰ্ষ্টফেজৰ কাম হোৱা নাছিল। গতিকে মই ভাৱো এইটো যদি আমাৰ হৈ যায়, খুব ধুনীয়া কাম হব আৰু বহুত সুবিধা পাম। তাৰোপৰি চিলনীজানৰ পৰা খোৱানী বুলি এখন ঠাই আছে, ফাংচীৰ ওপৰ ফালে, ২৬ কিঃমিঃ

। এইটো ৰাস্তা মই ভাবিছো, অহাবাৰ চিগনেচাৰ প্ৰজেক্ট পালে তাৰ আধাখিনি মই বনাই দিম আৰু আধাখিনি যদি মন্ত্ৰী ডাঙৰীয়াই সহায় কৰে তেতিয়া খুব ভাল পাম। আৰু এটা ৰাস্তা আছে ধনশিৰি নদীৰ কিনাৰে কিনাৰে Old ND ৰোড বুলি কৈছে। আচলতে ND টো আছিল, ১৮৮৫ চনত যেতিয়া বৃটিছৰ সময়ত ৰাস্তাটো বনাইছিল তেতিয়া National Defence Road বুলি নাম দিছিল। ভাৰত স্বাধীন হোৱাৰ পিছত নুমলীগড়-ডিমাপুৰ ৰোড বুলি নাম দিলে। কিন্তু ধনশিৰি নদীয়ে National high way টো ভাঙি দিয়াৰ পিছত যেতিয়া ৮-১০ কিলোমিটাৰ নেচনেল হাইয়েটো লৈ যোৱা হ'ল তেতিয়াৰ পৰা সেই ৰাস্তাটো জৰাজীৰ্ণ অৱস্থা লৈ গুচি গল। এতিয়া এই ৰাস্তাটোৰ মেৰামতিৰ কিছু কাম মই কৰি আছো। কিন্তু ইয়াৰ দৈৰ্ঘ্য হ'ল ৫৪ কিলো মিটাৰ। এম এল এ ফাণ্ডত যিখিনি টকা দিয়ে, সেই টকাৰে এই কাম খিনি কৰা সম্ভৱ নহয়।উপাধ্যক্ষ মহোদয়, এই বিলাক কিছুমান আমাৰ সমস্যা আছে। এই সমস্যা বিলাক সমাধান খুউব শুনকালে যে সমাধান নহয়, আমিও জানো। যিখিনি পইচা আছে সেইখিনি পইচাৰে যি সমষ্টি বিলাকত কাম কৰিবলৈ সুবিধা দিছে, তাৰ কাৰণে ভাৰতীয় জনতাপাৰ্টীৰ সৰ্বানন্দ সোণোৱাল নেতৃত্ব চৰকাৰক আমি ধন্যবাদ দিছো আৰু বিশেষকৈ আমাৰ মন্ত্ৰী, মই আগতে কৈছো, হিমন্ত বিশ্ব ডাঙৰীয়াৰ হিম্মতে আমাৰো হিম্মত বাঢ়ি গৈছে ৰাস্তা বনাবলৈ। আগন্তুক দিনত যাতে এনে ধৰণেৰে কাম কৰি থাকে আৰু আমি তেওঁৰ পৰা আৰু বহুত আশা কৰিছো। যি কন্‌চেপ্ট প্ৰধান মন্ত্ৰীয়ে আনিছে- 'ভাৰতমালা', গোটেই ভাৰতবৰ্ষতে ৰাস্তা বনাবৰ কাৰণে। আমাৰ ডবকাৰ পৰা ডিমাপুৰলৈকে ভাৰতমালাৰ ফৰ লেন এটা চেংচন হৈছে, ঠিক তেনেকৈ প্ৰত্যেকখন জিলাত অসমমালা হিচাপে আমাৰ মন্ত্ৰী ডাঙৰীয়াই এটা নতুন কন্‌চেপ্ট উলিয়ালে আৰু ৰাস্তা বিলাকৰ কাম আৰম্ভ কৰিছে। এই ক্ষেত্ৰত মই এই পৱিত্ৰ বিধান সভাৰ মজিয়াৰ পৰা ধন্যবাদ দিছো আৰু তেনেধৰণৰ কিছুমান কন্‌চেপ্ট উলিয়াই অসমত যাতে ৰাস্তা বিলাক বনাব লাগে আৰু মই ভাৱো তেখেতে পাৰিব। আমাৰ বিশ্বাস আছে। গতিকে আমাক তেখেতে যিখিনি সুবিধা দিলে ৰাস্তা আৰু দলঙৰ বাবে, ধন্যবাদ দিছো। বিৰোধীয়ে যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই ল'বৰ কাৰণে তেখেতসকলক অনুৰোধ জনাইছো আৰু ১৫০০০.০১ লাখ কোটি টকা মঞ্জুৰী দিব দিব লাগে আৰু তাতকৈ ওপৰত যদি পৰে আৰু টকা মঞ্জুৰী দিব লাগে। তেতিয়া আমাৰ সমষ্টি বিলাকত কাম হ'ব। পুনৰবাৰ মই মোক দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। শেষত, উপাধ্যক্ষ মহোদয়ক ধন্যবাদ দি যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি আৰু দাবী মঞ্জুৰীৰ সমৰ্থনত কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো। বহুত বহুত ধন্যবাদ।

**माননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য এ কে ৰচিদ আলম ডাঙৰীয়াই ক'ব।

**শ্ৰী আবুল কালাম ৰছিদ আলম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দু-আষাৰ কথা কম আৰু লগতে গড়কাপ্তানী বিভাগৰ কিছুমান কৰণীয় আৰু সমস্যাৰ বিষয়ে কম। আমি সকলোৱে কৈ গৈছো ৰাষ্টা-ঘাট বিলাক নতুনকৈ হ'ব লাগে, আৰু হ'ব লাগে। কিন্তু মই এটা অনুভৱ কৰিছো এইখিনি কৰাৰ উপৰিও আমাৰ যিখিনি ৰাস্তা আছে, সেই ৰাষ্টাখিনি বহল কৰাৰ বহুত প্ৰয়োজন আছে । তাৰোপৰি গুৱাহাটী চিটিত যেনেকুৱা ট্ৰেফিক জাম হৈ আছে, ভাৱ হয় দুই-চাৰি বছৰ পিছত কিজানি আমাৰ যাতায়াত ব্যৱস্থা বন্ধ হৈ যাব। হয়, বিভিন্ন ঠাইত দেখিছো অ'ভাৰ ব্ৰীজ হৈ আছে। আমাৰ আৰু অভাৰ ব্ৰীজৰ প্ৰয়োজন আছে। ঠিক তেনেকুৱাকৈ নৰনাৰায়ণ সেতুৰ পৰা পুৰণা 37 National Highway জালুকবাৰীলৈ যিটো আহিছে , ব্ৰীজখন বেয়া হৈ আছে কাৰণে ট্ৰেফিক কম হৈ আছে, যানবাহন কম হৈ আছে। প্ৰত্যেক বছৰে দুৰ্ঘটনাত শ শ

মানুহ মৰি আছে। এই ব্ৰীজখন ভাল কৰাৰ লগে লগে মই অনুৰোধ কৰিম এই National Highway টো যেন four lane লৈ পৰিবৰ্তন কৰে। ন'হলে আমাৰ গোৱালপাৰাৰ পৰা ,নামনি অসমৰ পৰা যাতাযাত বন্ধ হৈ যাব। যিয়ে নহওঁক মাননীয় উপাধ্যক্ষ মহোদয়, গোৱালপাৰা তিনিটা সমষ্টিৰ মাজেৰে গৈছে SS -46 highway. এই ৰাষ্টাটো যোৱা চৰকাৰৰ দিনতে sanction আছিল। যি কোম্পানীক, যি ঠিকাদাৰক দিয়া হৈছিল বহুত লেহেমগতীয়া হোৱা কাৰণে মই বিধায়ক হোৱাৰ পিছত সদনৰ জৰিয়তে বিভাগক দৃষ্টিগোচৰ কৰিলো। দৃষ্টিগোচৰ কৰাৰ পিছত চাৰিটা গ্ৰুপত ভাগ কৰিলে আৰু তাৰে তিনিটা গ্ৰুপৰ কাম শেষ হ'ল। কিন্তু দুখৰ বিষয় যে টাউনৰ লগত লাগি থকা যিটো গ্ৰুপ চি ৰ কামটো বন্ধ হৈ থাকিল। World bank ৰ টকাৰে দিয়া এই কামখিনি নোহোৱাৰ কাৰণে টকাতো ঘুৰি গ'ল। এইটো কিন্তু আমি কৰিব পাৰিলো হৈ। মাত্ৰ tender ৰ সময়ত আগৰ মন্ত্ৰীয়ে কি কৰিলে L-1 ক সেই ঠিকাতো নিদি L-2 ক ঠিকাটো দিলে। L-2 ক ঠিকাটো দিয়াৰ বাবে L-1 ঠিকাদাৰ জনে হাইকোৰ্ট কৰিলে। হাইকোৰ্ট কৰাৰ কাৰণে কামটো বন্ধ হৈ থাকিল। তাৰ পিছত হাইকোৰ্টে আকৌ বিভাগৰ favourt ত বা L-2 contractor জনক কামটো দিলে। কিন্তু contractor জনে কামটো নকৰিলে। আমি contrctor জনক বাধ্য কৰাব নোৱাৰিলো। মাত্ৰ contractor জনৰ গাফিলতিত হাইকোৰ্টৰ অৰ্ডাৰৰো নামানিলে, বিভাগৰ অৰ্ডাৰো নামানিলে, কামটো নকৰিলে। মই ব্যক্তিগত হিচাবত লগ কৰি অনুৰোধ কৰিছিলো। আমাৰ মুখ্য অভিযন্ত্ৰা জনকো বাৰে বাৰে অনুৰোধ কৰিছিলো, কিন্তু ঠিকাদাৰ জনে কাম নকৰিলে। contractor জনে মোক শেষত উত্তৰ দিলে যে এই কামটো কৰিলে আমাৰ লোকচান হ'ব।

গতিকে মই অনুৰোধ কৰিম সেই ঠিকাদাৰজনে এতিয়াও বিভাগৰ কাম কৰে বিৰাট দুখজনক হ'ব। সেই ঠিকাদাৰজনৰ ভুলৰ বাবে আমাৰ টকাখিনি ঘুৰি গ'ল আৰু সেই কামটো নহ'ল। গতিকে সেই ঠিকাদাৰ জনক black listed কৰিব লাগে। গতিকে মই অনুৰোধ কৰিছো সেই গ্ৰুপ চি ৰ কামখিনি যিকোনো শিতানৰ পৰাই কৰা হওঁক । এই SS-46 ৰাষ্টাটো মাটিয়াৰ পৰা দুধনলৈ গৈছে। মই অনুৰোধ কৰিম মাটিয়াৰ পৰা দুধনলৈ গৈছে ঠিকে আছে - মাটিয়াৰ পৰা নগৰবেৰা হৈ, চিমলীতোলা হৈ, বকো হৈ জালুকবাৰীলৈ SS-46 ৰাষ্টা উঠাই দিলে যিটো ভাল হয়, বিভাগে এইটো survey কৰি চাব, উলিয়াই দিলে আমাৰ কাৰণে ভাল হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ শৈলমাৰীৰ পৰা গোৱালপাৰা টাউনলৈ যোৱা ৰাষ্টাটো ঠিক সেইটো তেনেকুৱাই গ্ৰুপ - চি দৰে অৱস্থা। কেতিয়াবাই ঠিকাদাৰে কাম পাইছে, কিন্তু আমি বিভাগে ঠিকাদাৰ জনক বাধ্য কৰাব পৰা নাই কাম কৰিবলৈ। বাৰে বাৰে অনুৰোধ কৰা স্বত্বেও, ডি.চিক মাতি অনুৰোধ কৰাৰ স্বত্বেও সেই ঠিকাদাৰে শৈলমাৰিৰ পৰা গোৱালপাৰা টাউন যিটো SS-12 নে কি নাম্বাৰ আছে নাজানো। এইটোত আমাৰ ঠিকাদাৰ জনক বাধ্য কৰাব লাগে। মই নিজে ব্যক্তিগতভাৱে ঠিকাদাৰ জনৰ যোগাযোগ কৰিছো, তেওঁলোকৈ কৈছে যে আমি কামতো মাৰ্চৰ ভিতৰতে কৰি দিম। কিন্তু যি হিচাবত কামতো কৰি আছে কিজানি মাৰ্চৰ ভিতৰত কিয় এই বছৰতো কাম শেষ নহ'ব। গতিকে মই অনুৰোধ কৰিছো যে গোৱালপাৰা চহৰত এটাই ৰাষ্টা NH-37 highway ৰ পৰা মানে শৈলমাৰীৰ পৰা গোৱালপাৰা চহৰলৈ অহা যিখিনি ৰাষ্টা ইমানে বেয়া কমেও ৫ হাজাৰ মান মানুহে মোক আৰু বিভাগক দৈনিক গালি দিয়ে আৰু অভিশাপ দিয়ে। গতিকে এই গালি দিয়ে আৰু অভিশাপৰ পৰা মোক ৰক্ষা কৰক আৰু অতি সোনকালে সেই ঠিকাদাৰ জনক নিৰ্দেশ দিয়ক যে মাৰ্চৰ ভিতৰতে কামতো শেষ কৰিব লাগে লগতে এইটো চোৱা চিতা কৰিব লাগে যে এই ঠিকাদাৰজনে কামটো কৰি আছে নে নাই।

যিয়ে নহওঁক মাননীয় অধ্যক্ষ মহোদয়, PMGSY ৰ ৰাষ্টাৰ ক্ষেত্ৰত সকলোৱে কৈ গৈছে। ইয়াতে দেখিছো আমাৰ যিটো সব কা সাথ, সব কা বিকাশ এই PMGSY ৰ ৰাষ্টাৰ ক্ষেত্ৰত কিজানি হোৱা নাই। মই মোৰ সমষ্টিত বহু বেছি পাইছো, বহু বেছি কৰিছো **১৬১** কি. মি. । কিন্তু তালিকাত দেখা যায় গোটেই অসমত যে শদিয়াত **১১** কি. মি. আৰু ধুবুৰী, দক্ষিণ শালমাৰাত **১৪** কি.মি. । গতিকে ইমান বৈষম্য যাতে নহয়। মই অনুৰোধ কৰিম যাতে মোৰ **১৬১** কি.মি নহয় আৰু কৰিব লাগিব আছে। সেইদিনা ধন্যবাদ দিছো আৰু আজিও দিম। এই যে শদিয়াত **১১** কি. মি. আৰু দক্ষিণ শালমাৰাত **১৪** কি.মি. ইমান বৈষম্য যাতে নহয় সেইটো অলপ দৃষ্টিগোচৰ কৰিব আৰু যিমান দুৰ পৰা যায় সব কা সাথ, সব কা বিকাশ এইটো যাতে maintain কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, PMGSY ৰ আমাৰ যিটো phase -II আছিলে। সেইটো আমি নাপালো। ইয়াৰ কাৰণতো কি? মই ইয়াৰ কাৰণতো বুজি পোৱা নাই। মই বিভাগক বিভিন্ন ঠাইত সুধিলো আমি phase -II টো কিয় নাপালো। বিভাগে কলে যে আমি সময়মতে কামটো উঠাব পৰা নাই কাৰণে আমাৰ PMGSY ৰ phase -II টো নাপালো। এইটো খুৱ দুখৰ বিষয় যে আমি প্ৰথম phase ৰ কামটো সময়মতে নকৰাৰ বাবে আমি phase -II টো নাপালে। গতিকে আমাৰ Phase -III টো আকৌ তেনেকুৱা হ'ব নেকি? গতিকে বিভাগ সক্ৰিয় হ'ব লাগে আৰু ইয়াৰ কাৰণ কিছু আছে। মোৰ সমষ্টিত এজন ঠিকাদাৰক **৩০,৩৫** কি.মি. ৰ কাম দিয়া হৈছে। তেওঁৰ আগৰ কোনো অভিজ্ঞতা নাই, তেওঁৰ quality নাই আৰু তেওঁ যিটো agreement ত লিখি দিছিল ঠিকাতো লওঁতে যিখিনি মেচিনাৰী সেই ৰাষ্টাৰ থাকিব লাগিছিল, যিখিনি technical persons, Project Manager, JE থাকিব লাগিছিল, সেইবিলাক কোনো নাই, শিক্ষিত নাই, তাতে অশিক্ষিত মানুহৰে কাম কৰি আছে। গতিকে মোৰ অনুৰোধ এইবিলাক ঠিকাদাৰে যাতে কাম নাপায়, এইবিলাক black listed হয় লাগে, এইবিলাক enquiry হ'ব লাগে, তাতে ইমানে corruption হৈছে, মই নিজে গৈ চাইছো। মই নিজে ফিটা মাৰো, মই quality control ৰ ওপৰত ভৰষা নকৰো, মই নিজে sand test আদি কৰো। estimate মই নিজে লৈ যাও, প্ৰতিটো item মোক JE, SDO য়ে বুজাই দিব লাগিব। মই review meeting কৰো বিভাগক লৈ। কিন্তু PMGSY ৰ যিজন ঠিকাদাৰ, তেওঁ কোনো engineer ৰ কথা নুশুনে, কোনো review meeting ত নাহে। PMGSY ৰ মই কোনো review meeting পাতিব পৰা নাই, যাৰ কাৰণে ইমান লেহেমগতিত হৈ আছে।

গতিকে মই অনুৰোধ কৰো যে PMGSY ৰ ক্ষেত্ৰত কঠোৰ হ'ব লাগে, যিহেতু time bound scheme এইটো, সময়মতে উঠাবই লাগিব। গতিকে বিধায়কক লগত লৈ Engineer, Contractor ৰে মাহত নহলেও তিনি মাহৰ মুৰে মুৰে যদি review meeting কৰি নাথাকে, কেতিয়াও সময়মতে কাম বিলাক হৈ নুঠিব। গতিকে এই যে Engineer ৰ কথা যে ঠিকাদাৰে নুশুনে কাৰণতো কি? গতিকে যিয়ে নহওঁক এই ক্ষেত্ৰত আমাৰ বিভাগে অলপ সক্ৰিয় হ'ব লাগিব। আৰু আমাৰ গোৱালপাৰা জিলাতে PMGSY ৰ ৰাষ্টা tender হৈছে, কিন্তু তাৰপিছত cancel হৈ গৈছে। গতিকে cancel হোৱা কামখিনি আকৌ পুনৰাই কৰিব বুলি মই আশা ৰাখিলো।

SOPD ৰ কথা সৰে কৈ গৈছে। মোৰ সমষ্টিত বহুত SOPD ৰ Bridge এতিয়ালৈ বাকী আছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো কমেও ৫ টা SOPD Bridge যদি এই Financial Year ত কৰি দিয়ে, মোৰ উপকাৰ হ'ব। লগতে আমাৰ যিখিনি Bridge ৰ কাম দিয়া হৈছে এটা কোম্পানী আজিলৈকে দেখা পোৱা নাই আৰু Engineer ক শুধিলে কয়

যে আমি দেখা পোৱা নাই। M.P. Agarwal এজন Contractor এটা package ত ৪ টা কৰি Bridge লৈছে। যি হিচাপত কাম কৰি আছে কেতিয়া হ'ব ঠিক নাই। গতিকে এই কোম্পানীটোক অতি সোনকালে কাম কৰাৰ কাৰণে বাধ্য কৰাব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, SOPD ৰ যিমান কাম কৰিলো মোৰ গোটেই শেষ হ'ল। মই বিধায়ক হোৱাৰ পিছত যিখিনি ৰাস্তাৰ কাম কৰিছিলো গোটেই ভাঙি শেষ কৰি দিছে আমাৰ গোৱালপাৰা জিলাত। ৯ টনৰ ৰাস্তাৰ কেপাচিটিত ৪০-৫০ টনলৈ গৈ আছে। আমি কিমান ভাল কৰিম? কিমান মন্ত্ৰী ডাঙৰীয়াৰ পৰা কৈ কৈ পুঁজি লম? আমি ভাল ঠিকেই কৰো কিন্তু সেই ৰাস্তা নাথাকে। আমাৰ তাত ৮ টাকৈ উদ্যোগ হৈছে, ৩০ টন ৪০ টন কৈ সেই ৯ টনৰ ৰাস্তায়েদি গুছি যায়। গতিকে আপোনাৰ জৰিয়তে মই বিভাগ তথা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে over loading ৰ ক্ষেত্ৰত strict হ'ব লাগে নহলে আমি ৰাস্তা যিমানেই নকৰো ৰাস্তা নাথাকিব।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া বহুত আছিল। কিন্তু সি যি কি নহওঁক আমাৰ যিটো Border Area সেইবোৰৰ ৰাস্তা ঘাটবোৰ খুৱেই বেয়া। Specially Border Area বিলাকত অলপ পুঁজি দিব বুলি আশা ৰাখি আৰু আমাৰ গাঁৱৰ যিখিনি ৰাস্তা সেইখিনি PWD লৈ আমাক convert কৰি যাতে ভাল কৰি দিয়ে। এই অনুৰোধ ৰাখি মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দু-আষাৰ কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই supplementary Grant ত যি Cut Motion আহিছে তাৰ বিৰোধিতা কৰি ক'ব বিচাৰিছো যে আমাৰ গড়কাপ্তানী বিভাগে যিখিনি পইচা বিচাৰিছে এই কামখিনি কৰিবৰ কাৰণে মই ভাবো বিচৰা পইচাতকৈ বহুত বেছি প্ৰয়োজন। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই ১৯৭৮ ত চীনলৈ গৈছিলো। তাত যাওঁতে মই তেওঁলোকৰ Rural Area ত ৰাস্তা -ঘাটবোৰ কেনেকুৱা চাবলৈ গৈছিলো। ধপাতৰ খেতিৰ মাজত বাট- পথবোৰ তেওঁলোকে যাব পৰাকৈ সুবিধা কৰি দিছে। এতিয়া কথাটো হ'ল, যেতিয়ালৈকে এখন দেশৰ micro level লৈ যদি উন্নয়নৰ মাপ-কাঠিটো আমি কঢ়িয়াই আনিব নোৱাৰো তেতিয়াহ'লে এখন দেশৰ উন্নতি কেতিয়াও সম্ভৱ নহয়। লগতে Rural Level আমি সম্পূৰ্ণকৈ involve হ'বলৈ সুবিধাখিনিও কৰি দিব লাগিব। মই Developed Country জাৰ্মানীত এবাৰ যাওঁতে তেওঁলোকৰ ভিতৰৰ ঠাইবিলাক চাইছো। ভিতৰৰ ঠাই বুলি ধৰিব নোৱাৰি। ভাবিব নোৱাৰাধৰণে তেওঁলোক উন্নত। তাৰ পিছত মই গুজৰাটলৈ এবাৰ যাওঁতে খেতিয়ক সকলৰ মাজতো চাবলৈ গৈছিলো যে তেখেত সকলে কেনেকুৱা ধৰণৰ উন্নয়ন কৰিছে। মই দেখিছো যে খেতি পথাৰৰ মাজলৈ ৰাস্তা অতি সুন্দৰকৈ তেওঁলোকে নিৰ্মাণ কৰিছে আৰু এই ৰাস্তাৰ কাষত মই দেখিছো যে বহুত প্ৰকাণ্ড এটা এলেকাত ধনীয়া খেতি কৰিছে আৰু সেইবোৰ খেতি পথাৰৰ পৰাই গাড়ীৰে বজাৰলৈ নিছে আৰু সেইকাৰণে তেওঁলোকৰ Rural Economy টো Develop কৰিছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মোৰ মনত আছে ১৯৮৫ চনত যেতিয়া আমি আহিলো সেইটো সময়ত আমাৰ যিবোৰ ঠাই, আজি মই যদি মোৰ সমষ্টিৰ কথাই কওঁ বা শিৱসাগৰ, নাজিৰা বা সোনাৰী ইত্যাদি সমষ্টিবোৰৰ কথা যদি কওঁ তেতিয়াহ'লে আপুনি আচৰিত হ'ব যে তাত গাওঁ বিলাকত যাবলৈ আপুনি চিন্তা কৰিব লাগিব। বাৰিষাৰ দিনত তালৈ যোৱা কেতিয়াও সম্ভৱ নহয়। মানুহ যদি এবাৰ ভিতৰত সোমাই যায় সি নোলায় আৰু যদি ওলাইছে সোমাব নিবিচাৰে আৰু Highway বুলি ক'লে এটাই Highway 37.তাৰ বৰ্ণনা আমি দিব নোৱাৰো।

তেনেকুৱা এটা অৱস্থা। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই এতিয়া তুলনা কৰি চাই আছো চীন, জাৰ্মানী, গুজৰাট আদি দেশৰ কথা ক'লো। হাৰিয়ানাত মই দেখিছো যে মধুৰী আম খেতিৰ মাজত তেওঁলোকৰ এনেকুৱা বৃহৎ ফাৰ্ম আছে তাত গাড়ী মাজেৰে গৈ থাকে আৰু দুটা side ৰ পৰা গাড়ীৰে মধুৰী ছিঙি গৈ থাকিব পাৰে। তেনেকুৱা সুবিধা আছে। এইখন এখন কৃষিভিত্তিক দেশ আৰু এই দেশৰ গোটেই মানুহবিলাকে নিৰ্ভৰ কৰে কৃষিৰ ওপৰত। এতিয়া কৃষকৰ প্ৰতি লক্ষ্য ৰাখি এই বাট পদুলিৰ কথাটো বিশেষ গুৰুত্ব দেখা পোৱা নাছিলো। মানুহে যদি এটা ভাল কাম কৰে তেতিয়াহলে এখন সমাজ বহুত ওপৰলৈ লৈ যাব পাৰে। যেনেকৈ হীমা দাস। হীমা দাস হৈছে দৌৰবিদ। এই দৌৰবিদে গোটেই অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। এতিয়া অসমৰ এই গড় কাপ্তানী বিভাগৰ জৰিয়তে যোৱা সময়ছোৱাত যিখিনি কাম কৰিছো মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি বিশেষভাৱে আমি চৰকাৰক ধন্যবাদ দিব লাগিব যে অতি systematically & uniformly গোটেই ৰাজ্যখনত ১২৬ টা সমষ্টিতে একেধৰণে কাম কৰিছে। আমগুৰিত প্ৰায় ১৫০ কিলমিটাৰ ৰাস্তা নিৰ্মাণ কৰিছে। মই ইয়াত ক'ব বিচাৰিছো যে তাত স্বৰ্গদেউ সকলৰ দিনৰ ৰাস্তা বিলাকেই আছিল আমগুড়িত , সেই ৰাস্তা বিলাকৰ অৱস্থা অত্যন্ত বেয়া আছিল এতিয়া গাওঁৰ ভিতৰত সোমোৱা ৰাস্তা বিলাক আমি নিৰ্মাণ কৰি উলিয়াইছো, যিবোৰ দলং আছিল। এতিয়া গাঁৱে গাঁৱে যিবোৰ ৰাস্তা আছে সেইবোৰ নিৰ্মাণ কৰি উলিয়াইছো। আমাৰ তাত দুখন দলং দিবলৈ মই দুবাৰ -তিনিবাৰকৈ বিভাগক কৈছিলো। সেইমতে তেখেতসকলে এতিয়া এখন দলং নিৰ্মাণ কৰি দিছে। সেই দলংখন হোৱাৰ পিছত তাত আৰু আন দলঙৰ কাম নাই। ধোদৰ-আলিৰ সমান্তৰালকৈ যিটো ৰাস্তা গৈছে, যিটো আমি highway কৰাৰ বাবে ইতিমধ্যে দাবী কৰি আছো, মাত্ৰ তাত এখন দলং বনাবলৈ বাকী আছে। ইয়াৰোপৰি, শিৱসাগৰ-যোৰহাটৰ মাজতে জাঁজী নৈৰ ওপৰত এখন দলং নিৰ্মাণ কৰিবলগীয়া আছে। এই দুখনৰ বাহিৰে আমাৰ তাত দলং নিৰ্মাণৰ কাম প্ৰায়েই সম্পূৰ্ণ হৈছে। মোক বৰ্তমান যদি পথ নিৰ্মাণৰ কথা সোধা হয়, তেন্তে, তাত প্ৰায়বোৰ পথৰ কাম সম্পূৰ্ণ হোৱা বুলি ক'ব পাৰিম। এই পথবোৰ নিৰ্মাণ হোৱাৰ বাবে আমি চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো, ইয়াক অত্যন্ত সুন্দৰভাৱে পৰিচালনা কৰা হৈছে। ৰাইজৰ প্ৰতিনিধি হৈ মই এইবাৰ এই কামখিনি কৰি সুখী হৈছো। মই এইখিনি ক'বলৈ পাই গৌৰৱ অনুভৱ কৰিছো যে মোক ভোট দি বিধানসভালৈ পঠিওৱা মানুহখিনিৰ যাতায়তৰ ব্যৱস্থা কৰাৰ লগতে খেতিয়ক সকলকো সহায় কৰাটো সম্ভৱ হৈ উঠিছে।

এতিয়া মই engineering skill ৰ ওপৰত দুটামান কথা ক'ব বিচাৰিছো। ৰাস্তাৰ কামৰ quality যদি ভাল হয় তেন্তে it will last for long । দীৰ্ঘদিনলৈ ৰাস্তা ভালে থাকিলে চৰকাৰৰো বহুখিনি পুঁজি ৰাহি হ'ব। NH 61 টো আজিৰ পৰা প্ৰায় ১৪ বছৰ আগতে ইমান সুন্দৰকৈ নিৰ্মাণ কৰা হৈছিল যে তাক দ্বিতীয়বাৰ নিৰ্মাণ কৰাৰ বাবে প্ৰয়োজন হোৱা নাই। আজিৰ পৰা অলপ দিন আগতেহে এই ৰাস্তাটো মেৰামতি কৰাৰ বাবে tender call কৰা হৈছে। বহু দূৰ-দূৰণিৰ মানুহ সেই ৰাস্তাটোৰে যায়, তেওঁলোক বাগানৰ মাজলৈ গৈ ফটো উঠে কিয়নো সেই ৰাস্তাটোৰে গাড়ী চলাই মানুহে ভাল পায়। গতিকে, চৰকাৰে যিহেতু পুঁজি দি ইমান সুন্দৰকৈ এই কামবোৰ কৰিবলৈ আগবাঢ়িছে, সেই ক্ষেত্ৰত ঠিকাদাৰ সকলেও যাতে quality maintain কৰি ভালদৰে কামবোৰ কৰে তাৰ বাবে supervise কৰিব লাগে। যোৱাকালিও সদনত এই কথাটো উত্থাপন হৈছিল যে কিছুমান ঠিকাদাৰে কাম পাবৰ বাবে scheduled rate তকৈ ১০%, ১৫%, ২০% কমকৈ tender দিয়ে। কিন্তু, Scheduled rate অনুযায়ী কাম কৰিলেহে

কামখিনি ঠিক হ'ব। তাৰ বিপৰীতে ঠিকাদাৰ সকলে যদি ১০%, ১৫%, ২০% কম rate ত tender দি বিভাগক L1 ত দিব লাগে বুলি কয়, তেন্তে সেই কামৰ quality কেতিয়াও ভাল নহ'ব, যাৰ ফলত চৰকাৰে সেই কামটো পুনৰ কৰিব লাগিব। গতিকে, ঠিকাদাৰ সকলক এনেদৰে কম rateতে কাম দি চৰকাৰে যদি compromise কৰে তেন্তে সেই কামৰ quality কেতিয়াও ভাল নহ'ব। উপাধ্যক্ষ মহোদয়, মই ভাল কামৰ এটা উদাহৰণ দিব বিচাৰিছো। শিৱসাগৰত, NH 37 ত নামদাঙৰ ওপৰত যিখন শিলৰ সাঁকো আছে সেইখন স্বৰ্গদেউসকলে নিৰ্মাণ কৰিছিল। অসমত আহোম অহা আজি ৬০০ বছৰ পাৰ হ'ল, আপুনি যদি উজনিলৈ যায়, তেন্তে দেখিব যে এই শিলৰ সাঁকোৰ ওপৰেৰে এতিয়াও গাড়ী চলি আছে, কিমান গধূৰ বাহন পাৰ হৈ গৈছে, কিন্তু আজিলৈ শিলৰ সাঁকোখন লৰচৰ হোৱা নাই। তেওঁলোকৰ engineering skill টো আপোনালোকে চাওঁক। তেওঁলোকে corruption নকৰাকৈ ইমান sincerely কাম বোৰ কৰিছিল যে সেই কামৰ স্মৃতি স্বৰূপ ৬০০ বছৰীয়া শিলৰ সাঁকো আজিও আমাৰ মাজত জীৱিত হৈ আছে। স্বৰ্গদেউ সকলে বনোৱা সাগৰ সদৃশ বৃহৎ পুখুৰীৰ ক্ষেত্ৰতো engineering skill, physics ৰ কথা আছে। ইয়াক এনেভাৱে নিৰ্মাণ কৰা হৈছে যে নাগমাৰিডালক পানীৰ তলৰ পৰা উঠাই আনিলেও পানী উপচি নপৰে। পুখুৰীৰ পানীত আইৰন নাই আৰু ইয়াৰ পাৰবোৰ বৰ সুন্দৰকৈ নিৰ্মাণ কৰা হৈছে। বিশ্বত এতিয়া ইমান machinery সুবিধা ওলাইছে যদিও আজিলৈকে স্বৰ্গদেউসকলে কৰা ধৰণে পুখুৰী খান্দি পানী দিয়াৰ ব্যৱস্থা কৰিব পৰা নাই। স্বৰ্গদেউ সকলে এই পুখুৰীবোৰ ৰাইজৰ বাবে নিৰ্মাণ কৰিছিল যাতে ৰাইজে পানী খাব পাৰে। কিন্তু, আমাৰ চৰকাৰবোৰে এই পুখুৰীবোৰ utilize কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। সেয়েহে, উপাধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগে সমগ্ৰ অসমতে কৰা কামবোৰ ভালদৰে supervise কৰাটো অত্যন্ত প্ৰয়োজন বুলি মই ভাৱো।

উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে এটা অত্যন্ত ভাল পদক্ষেপ গ্ৰহণ কৰিছে যাৰ বাবে আমি চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। অসমৰ চাহ-বাগিচা অঞ্চলবোৰত আগতে কোনেও চকু দিয়া নাছিল। আগতে চাহ-বাগিচা অঞ্চলৰ পৰা ভোট লৈ চৰকাৰ গঠন কৰি তাৰ পিছত কোনো সদস্যই তালৈ নাযায় আৰু সেই অঞ্চলৰ মানুহেও কাকো নিবিচাৰে। কাৰণ তেওঁলোক কোম্পানীৰ অধীনত কাম কৰি থাকে। গতিকে চাহ-বাগিচা অঞ্চলৰ মানুহে ৰাস্তা-ঘাট, পানী, ভাল লেট্ৰিনৰ অভাৱত যি জীয়াতু ভুগি আছিল, সেই মানুহখিনিৰ বাবে প্ৰতিখন বাগানৰে ৰাস্তা-ঘাট নিৰ্মাণৰ বাবে সন্মানীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰ আৰু ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত গড়কাপ্তানি বিভাগে বহুতো সুন্দৰ আঁচনি গ্ৰহণ কৰিছে। এই ৰাস্তা-পথবোৰ নিৰ্মাণ হোৱাৰ পিছত বাগানৰ মানুহে ৰাতি দূৰৰ পৰা কাম কৰি আহিবৰ কাৰণেও চিন্তা নকৰে। আগতে, এই লোক সকলৰ hygiene দিশটো যিদৰে আওকাণ কৰা হৈছিল, সেই সমস্যাবোৰৰ পৰাও এতিয়া তেওঁলোক ওলাই আহিবলৈ সক্ষম হৈছে। উপাধ্যক্ষ মহোদয়, 70% of total output of Indian economy has been produced in Assam. অৰ্থাৎ অসমৰ চাহ-বাগিচা অঞ্চলৰ লোকসকলে চাহ উৎপাদন কৰি দেশৰ অৰ্থনীতিত অৱদান আগবঢ়াই আহিছে। গতিকে, ৰাজ্যৰ অৰ্থনৈতিক দিশত এনেধৰণে সহায় কৰা লোকসকলক উপেক্ষা কৰি পিছ পেলাই ৰখা হৈছিল।

**মাননীয় অধ্যক্ষ মহোদয়ে নিজৰ আসন গ্ৰহণ কৰে।**

ইমান ধৰণে তেওঁলোকক পিছ পেলাই ৰাখি থৈ দিছে, Neglect এতিয়া যি পদক্ষেপ লৈছে, যাৰ

দ্বাৰা কৃষকসকলক কেনেধৰণে সহায় হৈছে, সেইটোৰে মই অলপ ভিতৰলৈ গৈ ক'ব বিচাৰিছো। যেনেকৈ আমাৰ ধানখেতি কৰা মানুহখিনিৰ ৰাস্তা নিৰ্মাণৰ পৰা সহায় হৈছে, চাহ বাগানৰ নিৰ্মাণ কৰি চাহ বাগানৰ কৃষক সকলৰ সহায় হৈছে, এইটো অতি গুৰুত্বপূৰ্ণ কথা আৰু গোটেই অৰ্থনীতিতে সহায় হোৱাটো চাই তেওঁলোকে এই কামখিনি কৰিছে। এই যিখিনি বিচাৰ আৰু এই ধৰণে যদি কামখিনি আৰু এটা বছৰ কৰে অসমৰ entire rural mass will be connected with a very beautiful road connection. Road communication টো অতি সুন্দৰভাৱে connect কৰা যাব। বৰ্তমান সকলোৱে গাড়ী কিনিছে। আগতে গাড়ী লৈ ভিতৰলৈ যাব পৰা যোৱা নাছিল। কিন্তু এতিয়া আপুনি গাড়ী একেবাৰে ধাননি পথাৰলৈ যাব পাৰে। এতিয়া ট্ৰেক্টৰ, ট্ৰাকত ধান লৈ আনিব পৰা যায়। আগতে ভাৰত, পাচি আদিত আনিছিল। এতিয়া ইয়াতকৈ ডাঙৰ কথা হৈছে যে নতুন ল'ৰা যিখিনি খেতিৰ কাৰণে ওলাই আহিছে, তেওঁলোকে গাড়ী কিনি সেই গাড়ী খেতিৰ বাবে ব্যৱহাৰ কৰিব পাৰিছে। আমাৰ যদি communication ভালধৰণে নহয়, তেতিয়াহ'লে উন্নতিৰ কথা আমি ভাৱিব নোৱাৰো। মোৰ গাত থকা ভেইন, আৰ্টাৰি বিলাক যদি ক'ৰবাত বন্ধ হৈ যায়, ক'ৰবাত যদি তেজ চলাচল কৰিব নোৱাৰে, তেতিয়াহ'লে মোৰ স্বাস্থ্য কেতিয়াও ভাল নহ'ব। এতিয়া যিবিলাক ৰাস্তা বেয়া হৈ আছে, মামৰে ধৰি আছে, অহা-যোৱা কৰিব নোৱাৰা হৈ আছে, সেইবোৰ ঠিকমতে কৰা নহয়, তেতিয়াহ'লে দেশ আগবাঢ়ি নাযাব। আজি অৰ্থনীতিৰ কথা কৈছে, উদ্যোগীকৰণৰ কথা কৈছে, কিন্তু আমি উদ্যোগ কেনেকৈ উন্নয়ণ কৰিম। আজি ONGC য়ে ইয়াত কাম কৰি আছে। তেল উলিয়াই আছে। তেল যদি একেবাৰে গাওঁ অঞ্চলত পাইছে, তেওঁলোকৰ ৪০/৫০ টন ওজনৰ গাড়ী তালৈ যাবলগীয়া হয়। কিন্তু যদি ৰাস্তা নাথাকে তালৈ যোৱা সম্ভৱ নহয়। আমাৰ চাহপাত আনিবলৈ যদি গাড়ী চাহ বাগানলৈ যাব নোৱাৰে, তেতিয়াহ'লে আমাৰ চাহ পাত transport কৰিব নোৱাৰিব। সেই কাৰণে ভাল পাইছো যে আমাৰ ভিতৰুৱা অঞ্চল সমূহত কৃষক সকল থাকে। সেই ঞ্চল সমূহৰ ভিতৰত যথেষ্ট প্ৰভাৱ পেলাইছে, যথেষ্ট সহায় হৈছে।তেওঁলোকৰ পৰা যথেষ্ট Feedback পাইছো। সেই কাৰণে এই কামখিনি যিধৰণে আগবঢ়াই নিয়া হৈছে, সেইধৰাণে যাতে আগলৈ আগবঢ়াই নিয়া হয়, তেতিয়া হ'লে অসমৰ প্ৰায় সমূহ অঞ্চল সামৰি ল'ব পৰা যাব। মই এটা কথাৰে শেষ কৰিব বিচাৰিছো যে আমাৰ যোৰহাট আৰু শিৱসাগৰৰ ধোদৰ আলিটো সম্পূৰ্ণ ৰূপে ৰাষ্ট্ৰীয় ঘাইপথ কৰিব লাগে। কাৰণ শদিয়াৰ পৰা আহি কমাৰ গাওঁ ওলাইছেহি। এই ধোদৰ আলিটো যদি ৰাষ্ট্ৰীয় ঘাইপথ হয়, তেতিয়া হ'লে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ আছে, তাত কিবা অসুবিধা হ'লে আমি ধোদৰ আলিটো বিকল্প ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ব্যৱহাৰ কৰিব পাৰিম। সেই ধোদৰআলিটোৰ ওপৰতে আমগুৰিৰ ওচৰত যোৰহাট, শিৱসাগৰৰ জাঁজী নৈৰ ওপৰত যিখন দলং আছে, সেইখন হয়তো ইংৰাজৰ দিনতে বনোৱা হৈছিল। সেইখন এতিয়া ভাঙি ৰড ওলাই গৈছে। গতিকে মই ভাৱো চৰকাৰে এই বিষয়টো Take up কৰিব আৰু ধোদৰআলিটো যাতায়াতৰ ব্যৱস্থা কৰি দিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্বেৰ মান আলী ডাঙৰীয়াই কওঁক।

**শ্ৰী শ্বেৰমান আলী (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া বহু কথাই আছে। কিন্তু মই চমুকৈ পইণ্ট হিচাপে উত্থাপন কৰিম। যোৱা ৪ টা বছৰত 'প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা' ৰ অধীনত গোটেই অসমত প্ৰায় ১০ হাজাৰ কিলোমিটাৰ ৰাস্তা পকীকৰণ হৈ আছে। বৰ্তমান বহুতো ৰাস্তা পকীকৰণ হৈছে। মোৰ সমষ্টিতো প্ৰায় ২০০ কিলোমিটাৰবো ওপৰত 'প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা' ৰ অধীনত ৰাস্তা পকীকৰণ হৈছে। ৰাস্তাবোৰ যেতিয়া পকীকৰণ হয় বা চেংচন হয়, আমি

যথেষ্ট উৎসাহিত হৈছিলো। মোৰ সমষ্টিয়েই নহয়, গোটেই অসমতে প্ৰায় ১০ হাজাৰ কিলোমিটাৰ ৰাস্তা যদি সুন্দৰকৈ বনোৱা হয়, তেতিয়া অসমৰ কাৰণে এটা ডাঙৰ Asset হ'ব। কাৰণ ৰাজ্যচৰকাৰৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈ থাকে আমাৰ ইমান resource নাই যে এনেকুৱা ১০ হাজাৰ কিলোমিটাৰকৈ ৰাস্তা প্ৰতি ৫ বছৰৰ অন্তৰে অন্তৰে বনাই দিম। এই ১০ হাজাৰ কিলোমিটাৰ ৰাস্তা আমাৰ অসমৰ কাৰণে ডাঙৰ ডাঙৰ Asset হ'ব আৰু ভৱিষ্যতে যোগাযোগৰ ব্যৱস্থা অলপ ভাল হ'ব। কিন্তু ৰাস্তাবোৰ এতিয়া নিজে পৰিদৰ্শন কৰি তাৰ quality চাই মই যথেষ্ট পৰিমাণে আশাহত হৈছো। ৰাস্তাবোৰ দেখিবলৈ যথেষ্ট ভাল হৈছে। কিন্তু মোৰ ধাৰণা হৈছে যে প্ৰথম জাক বৰষুণ দিয়াৰ লগে লগে বা এটা বাৰিষা যোৱাৰ পিছত ৰাস্তাবোৰ হয়তো স্থায়ী নহ'ব। ইয়াৰ মূল আসোঁৱাহ কেইবাটাও আছে। তাৰে এটা হ'ল, ৰাস্তাবোৰ বনাওঁতে যদি Proper compaction মাটিখিনি বা Sand gravel কৰা নহয়, বিজ্ঞান সন্মত ভাৱে যদি compaction কৰা নহয়, যিখিনি ৰাস্তা পকী হ'ব, তাৰ কাষত যদি ঠিক মতে side berm নাথাকে বা side berm নাথাকিলেও সেইখিনি যদি Proper compaction তেতিয়াহ'লে সেই ৰাস্তাটো কেতিয়াও স্থায়ী নহয়। মই দেখা মতে বা ইনঞ্জিনিয়াৰ সকলৰ পৰা শুনা মতে মাটিখিনি earth filling কৰাৰ পিছত compaction কৰোতে layer by layer কৰিব লাগে। ৩ ফুট বা ৪ ফুটৰ পিছত compaction কৰিব, পানী মাৰিব। তাৰ পিছতো আকৌ ১/২ ফুট পিছত পুনৰ filling কৰিব আৰু পানী মাৰিব। কিন্তু দেখা গৈছে যে layer by layer compaction বোৰ হোৱা নাই। যাৰ ফলত পৰ্য্যাপ্ত পৰিমাণে পানী মৰা হোৱা নাই। ফলত Sand Gravel কৰাৰ পিছত compaction ঠিক মতে হোৱা নাই। ৰাস্তাৰ Top with হ'ব লাগে ৬ মিটাৰ আৰু Bottom with মিনিমাম ৭ মিটাৰ হ'ব লাগে। কিন্তু দেখা গৈছে এনেকুৱা বহুত ৰাস্তা আছে য'ত Top with ৬ মিটাৰৰ ঠাইত Top with টো জেনেৰেলি Black topping কৰিব লাগে ৩.৭৫ মিটাৰ। সেই ৩.৭৫ মিটাৰ বাদ দি আধা ফুটো মাটি নাই। মই সকলোবোৰ ৰাস্তাৰ কথা কোৱা নাই। কিন্তু বহুতো ৰাস্তাত দুয়োটা ফালে side berm ১ ফুট বা আধা ফুটো নাই। ৬ মিটাৰ নালাগে অন্তত: যদি ৩.৭৫ মিটাৰ পকীকৰণৰ পিছত দুয়োফালে যদি পইণ্ট .৭৫ মিটাৰকৈও হয়, side berm Proper compaction হয়, তেতিয়াহ'লে ৰাস্তা টিকিব। যেতিয়া বৰষুণ দিব side berm লগে লগে গুচি যাব আৰু যেতিয়া side berm গুচি যাব তেতিয়া ৰাস্তাৰ পকা ভঙা আৰম্ভ কৰিব। এতয়া ৰাস্তাবোৰ দেখাত বৰ ধুনীয়া। কিন্তু মোৰ সন্দেহ হৈ আছে যিহেতু side berm নাই বা ঠিক মতে side bermবোৰ compaction হোৱা নাই, বালি দিয়া হৈছে, এই ৰাস্তাবোৰ বাৰিষাৰ পিছত স্থায়ী হৈ থাকিব নে নাই। মই স্বীকাৰ কৰিব লাগিব যে এই ত্ৰুটি সম্পৰ্কত বিভিন্ন সময়ত মই মাননীয় মন্ত্ৰী মহোদয়ক লগ ধৰাটো বাদেই message দিলেও লগে লগে তেওঁ যথেষ্ট respond কৰে। মাননীয় মন্ত্ৰী মহোদয়ক বিভিন্ন সময়ত লগ ধৰাটো বাদেই মেচেজ দিলেও লগে তেওঁ যথেষ্ট সঁহাৰি দিয়ে। মোৰ তাত কেইবাৰো enquiry হৈছে। বিষয়া সকলেও যথেষ্ট ভয় খাইছে suspend কৰিব বুলি। মই ভাল পাইছো যে enquiry কৰিলে বোধহয় ঠিক হ'ব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, বুজি নাপাও, কেইবাবাৰো মোৰ সমষ্টিত এই enquiry হোৱাৰ পাছতো quality improvement ৰ ক্ষেত্ৰত কিন্তু বৰ বেছি এটা পৰিৱৰ্তন মই লক্ষ্য কৰা নাই। যাৰ ফলত কি হ'ব আমাৰ প্ৰায় দহ হাজাৰ কিলোমিটাৰ ৰাস্তা, বেলেগ সমষ্টিত কি হৈছে মই নাজানো মোৰ সমষ্টিত এইটো মই ত্ৰুটি লক্ষ্য কৰিছো যে ভৱিষ্যতে বোধহয় এইবোৰ আমাৰ asset নহয় liability হ'ব নেকি? দুইবছৰৰ পাছত এই দহ হাজাৰ কিলোমিটাৰ ৰাস্তা যদি

ৰাজ্য চৰকাৰে maintain কৰিবলগীয়া হয় it will be a very difficult task. দুবছৰৰ পাছতে যদি ভাঙি যায়। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই আকৌ অনুৰোধ কৰিব খোজো আমাৰ এই ৰাষ্টাবোৰ এইধৰণৰ দোষ-ত্ৰুটি হোৱাৰ আৰু এটা কাৰণো হ'ল যে Government of India য়াই ৩১ মাৰ্চ dead line দিছে। গতিকে ঠিকাদাৰ সকলে যিমান পাৰে দৌৰা-দৌৰিকৈ কামখিনি কৰিব খুজিছে। কামখিনি হ'ব ঠিকেই, আমি achieve কৰিলো টাৰগেট ঠিকেই, যদি স্থায়ী নহয়। তেতিয়াহ'লেতো লাভ নহ'ব। বহু ঠিকাদাৰ আছে তেওঁলোকে কাম দুবছৰৰ আগতে পাইছে। কামবোৰ আৰম্ভ কৰা নাছিল।

**মাননীয় অধ্যক্ষঃ** আপুনি additional point আৰু দিব হয়তো। মোৰ হাতত দহ মিনিট আছে। বাকী point কেইটা কৈ দিয়ক।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু দুটামান কথা PMGSY ৰ ক্ষেত্ৰত ক'ব খুজিছো যে আমাৰ কিছুমান অঞ্চল যথেষ্ট দ কিছুমান অঞ্চল ওখ। কিছুমান ঠাইত earth filling নালাগে কিছুমান ঠাইত লাগে। দেখা গৈছে আমাৰ PMGSY ৰ ৰাষ্টা বোৰত মোৰ সমষ্টিত এতিয়া উত্তৰপাৰৰ যিটো common perception যিবোৰ স্থায়ী অঞ্চল সেইবোৰত মাটি ফিলিং কম লাগে, চৰ অঞ্চলত মাটি ফিলিং বেছি লাগে। This is a totally wrong perception. মোৰ চৰ অঞ্চলত আশী শতাংশ অঞ্চলত earth filling লাগে, খুব বেছি চাৰি ফুট, তাতকৈ বেচি নালাগে। কিন্তু মোৰ স্থায়ী অঞ্চলবোৰ যথেষ্ট low, earth filling প্ৰায় পাচ ফুট, ছয় ফুট সাত ফুট এনেকুৱা লাগে। দেখা গৈছে DPR বনাওঁতে তেওঁলোকে wrongly বনালে। তাত পৰ্য্যাপ্ত earth filling নাই। কিছু কিছু DPR ৰ ক্ষেত্ৰতproper adequate earth filling ৰ ব্যৱস্থা ৰাখিছিল যদিও Government of India ৰ NRRDA আহি কাটি দিয়ে। ইঞ্জিনীয়াৰ সকলে ক'লে যে NRRDA য়ে নামানে। আচল কথাটো মাননীয় অধ্যক্ষ মহোদয়, মই যিমানখিনি জানিব পাৰিছো আচলতে ইঞ্জিনীয়াৰ সকলৰ ত্ৰুটিৰ কাৰণে এই earth work বোৰ কাটি দিছে। Basic engineering ৰাস্তা এটা বনোৱাৰ ক্ষেত্ৰত Basic কথাটো হ'ল যে প্ৰথম ৰাষ্টাটোৰ DPR বনাওতে HFL টো নিৰ্ধাৰণ কৰিব লাগে (Highest flood level) আৰু এই ৰাস্তাবোৰক কোৱা হৈছে All weather road. HFL নিৰ্ধাৰণ কৰাৰ পাছত যিটো তিনি মিটাৰ হ'ল তাৰ ওপৰতহে ৰাস্তাটো ঢাকিব লাগিব, তেতিয়াহে All weather road হ'ব। আগৰবাৰ দেখিছো HFL টো নিৰ্ধাৰণ নকৰিলে। য'ধে ম'ধে তেওঁলোকে ক'ৰবাত দুইমিটাৰ, তিনি মিটাৰ earth filling দেখালে যাৰ ফলত NRRDA ৰ বিষয়া সকল আহোতে তেওঁলোকে justify কৰিব নোৱাৰিলে গতিকে earth work কাটি দিলে। মই কথাখিনি এই কাৰণেই কৈছো যে আকৌ PMGSY ত phase আৰম্ভ হ'ব, তাত যাতে DPR বনাওঁতে আমাৰ ইঞ্জিনীয়াৰ সকল সাৰধান হয়। তেওঁলোকে যাতে HFL টো নিৰ্ধাৰণ কৰি য়েই ৰাষ্টাৰ DPR বনায়। মাননীয় অধ্যক্ষ মহোদয়, আকৌ আমাৰ এই অসুবিধাবোৰ হ'ব। এই যে ৰাষ্টাবোৰ এতিয়া যে দৌৰা-দৌৰিকৈ বনোৱা হৈছে, মোৰ সমষ্টিত মই দেখিছো প্ৰথম দুইবছৰ ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯, মোৰ ৰাস্তাবোৰৰ কোনো ঠিকাদাৰে টেণ্ডাৰ নিদিলে। শেষৰ বছৰত ২০১৯-২০ চনতে টেণ্ডাৰ দিছে। এই যে টেণ্ডাৰ নিদিলে তাৰ কেইবাটাও কাৰণ।

প্ৰথমতে হ'ল যে, যিমানখিনি earth work থাকিব লাগিছিল সেইখিনি নাই। ঠিকাদাৰ সকলে ভাবিলে ইমান কম earth work লৈ আমি ফিল্ডত ৰাষ্টা বনাবলৈ নোৱাৰিম।

দ্বিতীয়তে হ'ল চৰ অঞ্চলৰ DPR ত সেইখিনি provision incorporate কৰা

নহ'ল । আজি চৰ অঞ্চলত যাতায়াতৰ অসুবিধা, নাওঁৰে নিব লাগে। কিন্তু আমাৰ schedule ত সেই নাওঁৰ carries ৰ ব্যৱস্থাটো নাই। মাজুলিত যেনেকৈ চৰ অঞ্চলত difficult terrain কাৰণে এটা extra 10% allowance আছে, আমাৰ সেই চৰ অঞ্চলৰ কাৰণে নাই। পিছত মই মাননীয় মন্ত্ৰী মহোদয়ক কেইবাবাৰো কোৰাৰ পিছত এইখিনি schedule ত সুমোৱা বুলি শুনিছো। মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব খুজিছো যাতে ইয়াৰ পিছত যিবোৰ ৰাস্তা হয়, নতুন schedule ত অতি সোনকালে approve কৰি যাতে সেইমতে হয়। তেতিয়া আমাৰ ৰাস্তাবোৰ ভাল হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, এনেই ৰাস্তাবোৰৰ volume of earth work DPR ত কম হৈ আছে । Because of the fault of the engineers. They did not determine the HFL and thats why they could not justify before the NRRDA Authority about the retirement of such huge volume of part 1.

দ্বিতীয় কথাটো হ'ল যে, 10 thousand cubic meter earth work আছে এটা ৰাষ্টাৰ কিন্তু কৰিছে মাত্ৰ দুই হাজাৰ cubic meter। মই এটা উদাহৰণ দিব খুজিছো, মোৰ সাপাছৰ গাওঁৰ পৰা পুৰাণ চিকাৰীয়তলৈ এটা ৰাস্তা earth work ৰ কাৰণে মোৰ টকা আছে ৪২ লাখ। সিদিনা মাননীয় মন্ত্ৰী মহোদয়ৰ নিৰ্দেশত এনকুৱেৰী টিম গৈছিল, তাত এইখিনি প্ৰমাণ হৈছে। বিয়াল্লিছ লাখ টকাৰ ভিতৰত ঠিকাদাৰে কোনোবা চাইদুল ৰহমানক ঠিকা দিলে মাত্ৰ ন লাখ টকা। এতিয়া ৪২ লাখ টকাৰ যদি ৯ লাখ ঠিকা দিয়ে sub-contractor এ সেই earth work নকৰে আৰু অতি দুৰ্ভাগ্যজনক কথা যে এইখিনি কথা বিভাগক জনাওঁতে, বিভাগীয় সহকাৰী কাৰ্য্যবাহী অভিযন্তাই বেলেগ ধৰণৰ কটু মন্তব্যহে দিলে তেওঁ ফিল্ডত গৈ। এইবিলাক দুখ লগা কথা। ৪২ লাখৰ ঠাইত দহ লাখ খৰচ কৰিবনে পাচ লাখ খৰচ কৰিব that is not my look out. কিন্তু 10 thousand cubic meter ফিলিং কৰিব লাগিছিল, সেইখিনি কিন্তু হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইখিনিয়ে আমাৰ শেষ কথা নহয়, অহা বছৰ PMGSY 3, 4,5,6 হ'ব অনাগত দিনত যাতে এই কেইটাৰ কথাৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু বৰ্তমান ৩১ মাৰ্চৰ ভিতৰত যিখিনি হ'ব, মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও এইখিনি আমাৰ অসমৰ সম্পত্তি, আমাৰ চৰকাৰৰে liability কমি থাকিব যাতে proper compaction of the earth work, compaction in layer, compaction of the sand gravel, proper side burm ছয় মিটাৰ এতিয়া ধৰি থাকি লাভ নাই। Atleast 175 meter দুয়োটা চাইদে যাতে থাকে আৰু সেইখিনি যাতে proper compaction হয়। মোৰ নিচামেচৰ ৰাস্তা এটা মাননীয় মন্ত্ৰীয়ে দুবাৰো enquiry কৰিলে। নিচানেচৰ ৰাস্তা ব্লক দি বনাইছিল, ইমান ধুনীয়া ৰাস্তা প্ৰথম যাওঁতে। কিন্তু বৰষুণ দিয়াৰ লগে লগে গোটেই মাটি গুচি গ'ল। ইঞ্জিনীয়াৰ সকলে চিধাই কৈ দিয়ে যে ইয়াত বানপানী হৈছিল মই যে ক'লো চৰ এৰিয়াৰ বহুত হাইলেণ্ড, আজিলৈকে স্বাধীনতাৰ সত্তৰ বছৰ পাছতো তাত বানপানী হোৱাই নাই কেতিয়াও। ইমান ওখ ঠাই। তাত কোনো ফিলিং কৰিব লগা হোৱা নাই। side burm খিনি যদি ভালকৈ বনালে হেতেন তেতিয়াহ'লে এই ৰাস্তা গণ্ডগোল নহ'ল হেতেন। দুবাৰো ভাঙি গ'ল।

**মাননীয় অধ্যক্ষঃ** শেষৰ পইণ্টটো কওঁক। দুটা ভাল কথা কৈছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু এটা অসুবিধা হ'ল মন্ত্ৰী

মহোদয়, he is the best judge to take all decision. আমি দেখিলো যিফালে আমাৰ সন্মুখত টাৰ্গেট ৩১ মাৰ্চৰ ভিতৰত কাম শেষ কৰিব লাগে। এইখিনি কাম শেষ নকৰিলে অহা বছৰ Government of India ৰাস্তা নিদিলে কিন্তু দেখা গ'ল আমাৰ বহুতো ইঞ্জিনীয়াৰক এই ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ ভিতৰত ট্ৰেঞ্চফাৰ কৰি দিয়া হয়। এইটো এটা ডাঙৰ অসুবিধা হৈছে। ট্ৰেঞ্চফাৰ কৰিছে আপত্তি নাই, অন্তত এই অফিচাৰ যিমানখিনি এচ অ' এই মাৰ্চত ৰিলিজ হৈ গ'ল। নতুন যিজন এচ অ' আহিছে তেওঁ একো চিনি নাপায়। মই লগত মানুহ দিব লগা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো ট্ৰেঞ্চফাৰ কৰিছে মোৰ ক'বলগীয়া নাই। অন্তত ৩১ মাৰ্চলৈ মোৰ এচ অ' জনক তাত থাকিব দিয়ক। তেওঁৰ গোটেইখিনি নখ দৰ্পনত। মোৰ Assistant Executive Engineer Post vacant হৈ আছে।

**মাননীয় অধ্যক্ষঃ** শেষ কৰক। মোৰ অকনমান Time constraint আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটামান দৰকাৰী পইণ্ট মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো। Char is a misnomer again. এইফালেদি ব্ৰহ্মপুত্ৰ গৈছে, এই ফালেদি এটা সৰু নদী জলজলী আগতেই আছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ এটা সুঁতি আহি জলজলীত লগ লগোৱাৰ কাৰণে চৰ হ'ল। Char is a misnomer into true sence. চৰৰ বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় জানে তাত ১৫৫ কিলোমিটাৰ ৰাস্তা হ'ল। ৩৫ খন আৰ চি চি ব্ৰীজ হ'ল। টকা খৰছ হ'ল দুশ কোটি। কিন্তু এতিয়াও Connectivity পোৱা নাই। কাৰণ এইফালেদি জলজলী নামৰ এখন সৰু নদী আছে তাৰ ওপৰত দুখনমান ব্ৰীজ বনাব লাগে। কদমতলা ছয়শিমনা আৰু বিদেশ্বৰ ডেকদোৱা। বৰবেছি টকা নালাগে এইবোৰত। দুশ কোটি আমি খৰচ কৰিলো। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যাতে জলজলীৰ এই ব্ৰীজ দুখন অতি সোনকালে চি আৰ এফ হওঁক বা অন্য কিবা হওঁক কৰবাত যাতে চেংশ্যন কৰাৰ ব্যৱস্থা কৰে আৰু এই Connectivity হৈ গ'লে এই যে Health ৰ IMR যথেষ্ট বেছি , MMR বেছি, literacy rate যথেষ্ট আমাৰ কম ইয়াৰ অৰ্থ এইটো নহয়, গোটেই অসমত চৰকাৰ বিফল হৈছে এইটো নহয়। During the past years a lot of works has been done on health sector or education sector. We are still in the bottom because this brokage. এই চৰ অঞ্চলবোৰৰ এনেকুৱা এই IMR, MMR literacy rate বোৰ যথেষ্ট দুখ লগা। গতিকে এই Connectivity কৰি দিলে মই ভাৱো health sector ত উন্নতি হ'ব education sector develop হ'ব আৰু তাৰ লগে লগে population control হ'ব। শেষত এটা কথা বঙাইগাওঁ আৰু বৰপেটাত আমাৰ ডিভিজন বিলাকে যেতিয়া এষ্টিমেট বনায় তেতিয়া নিজৰ জিলাখন চায়, LAC টো চায়। No, that should not be our target.মোৰ বৰপেটা, বঙাইগাওঁৰ ইঞ্জিনীয়াৰে যেতিয়া প্লেন বনায়, তেওঁ চাব লাগিব Inter District Connectivity হ'ল নে নাই। আজি বঙাইগাওঁ, অভয়াপুৰীত যথেষ্ট ৰাস্তা হৈছে। মোৰ বাঘবৰত হৈছে। কিন্তু মাজতে বেকী নদীৰ কাৰণে এই Inter District Connectivity টো হোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, বেকী আই মানসৰ ওপৰত দুখন ব্ৰীজ বনালে আমাৰ Inter Connectivity টো হৈ যাব। মন্দিয়াৰ পৰা বহৰিলৈ দূৰত্ব মাত্ৰ ১০ কিঃ মিঃ। কিন্তু এতিয়া আমি ৭০ কিঃ মিঃ ঘুৰিহে যাব লাগে। মাজত মাত্ৰ দুখনমান দলং আৰু অলপমান ৰাস্তা যদি বনাই দিয়ে, মন্দিয়াৰ পৰা বহৰিলৈ যোৱা পথটো সুচল হ'ব। আমাৰ Transportation Cost ৰ লগতে সময়ো বাচিব। মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৭ টা PMGSY ৰ

ৰাস্তা মন্ত্ৰী মহোদয়ে জানে, আৰু ৭ খন দলং Survey কৰিলে ঠিকেই, কিন্তু হোৱাগৈ নাই। এতিয়া ৰাস্তা হৈছে ঠিকেই কিন্তু মাজত দলং নাই। এইটো যাতে এই বছৰতে হয়, তাৰ কাৰণে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, We should be Sympathetic, we should be encouraging the good Works and simultaneously discourage and take unity measures against the bad work. যি সকল ঠিকাদাৰ, ইঞ্জিনিয়াৰ, JE, কোনো বেয়া কামৰ লগত জড়িত, মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম ৩১ মাৰ্চ পাৰ হৈ যাওঁক, তেওঁলোকৰ বিপক্ষে যাতে কঠোৰ ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। শিলাদিত্য দেৱ। ৫ মিনিট দেই

**শ্ৰীশিলাদিত্য দেৱ (হোজাই)** ঃ- মাননীয় অধ্যক্ষ Road Connectivity ৰ কথা কলে, আমি ১৯৯৮ - ২০০৪ চনৰ সময়চোৱা পাহৰিব নোৱাৰো, যেতিয়া অটল বিহাৰী বাজপেয়ীৰ চৰকাৰ আছিল। তেওঁৰ নেতৃত্বত, তেওঁৰ এটাই সপোন আছিল যে Rural Connectivity আৰু Road Connectivity যদি ভাল হয়, তেতিয়া হ'লে প্ৰতিটো Sector ৰত কাম ভাল হ'ব। প্ৰতিটো বিভাগৰ কাম ভাল হ'ব। সেইভাৱে গোটেই ভাৰতবৰ্ষত ৰাস্তাৰ কাম হৈছিল। কিন্তু বিভিন্ন ৰাজ্যৰ লগত তুলনা কৰি আমি অসমত সেইটো লাভ পোৱা নাছিলো আৰু ২০০৪ ৰ পৰা ২০১৪ চনলৈ যেতিয়া ড° মনমোহন সিং ডাঙৰীয়া প্ৰধান মন্ত্ৰী আছিল, অসমৰ পৰা তেওঁ ৰাজ্য সভাৰ সদস্য হৈ গৈছিল আৰু তেতিয়া তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ অসমত আছিল। আমি সেই সময়ছোৱাত দেখিছো যে ৰাস্তা-ঘাটৰ যিমান উন্নতি হ'ব লাগিছিল, হোৱা নাছিল। ২০১৪ চনৰ লোক সভা নিৰ্বাচনৰ সময়তে ৰাজহুৱাভাৱে মই বিশেষকৈ হোজাই সমষ্টিৰ কথা কৈ আছো। জনসাধাৰণৰ মুখত কথা আছিল যে যদি অটল বিহাৰী বাজপেয়ীৰ ৰাস্তাৰে যদি যায়, তেনেহ'লে ১০০ কিঃ মিঃ Speed ত গাড়ী চলিব পাৰে আৰু যদি আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ ৰাস্তাইৰে যায়, তেতিয়া হ'লে ২০ কিঃ মিঃ Speed ত গাড়ী চলে। তেনেকুৱা ধৰণৰ জনসাধাৰণৰ মন্তব্য আছিল। কথাটো সঁচা। কাৰণ আমি যেতিয়া বিৰোধী পক্ষৰ আছিলো, যেতিয়া গুৱাহাটীৰ পৰা হোজাইলৈ যাওঁ, সেই সময়ত তেখেত আমাৰ মন্ত্ৰী আছিল তেতিয়া, তেওঁৰ কনভয় মই ৩-৪ বাৰ মই বাটত পাইছো।

**মাননীয় অধ্যক্ষ** ঃ- This is Suplementary Demand Debate, আপুনি ইয়াৰ লগত আহক। অন্য কথা আপুনি General Debate ত ক'ব।

**শ্ৰীশিলাদিত্য দেৱ (হোজাই)** ঃ- এক মিনিট ছাৰ, যেতিয়া মই কনভয় দেখা পাওঁ, তাত কিন্তু মন্ত্ৰীবিধায়ক নাই। তেতিয়া মই সুধিছো যে, মন্ত্ৰী ক'ত গ'ল? তাৰ পাছত গম পাইছো, যে মন্ত্ৰী ট্ৰেইনত আহি আছে। নীলবাগানৰ পৰা হোজাইৰ ৰাস্তাৰ অৱস্থা ইমান বেয়া আছিল যে মন্ত্ৰী স্বয়ং কনভয়ত নাযায়, তেওঁ ট্ৰেইনত আহে।

(সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ** ঃ- আপুনি পইন্টলৈ আহক।

**শ্ৰীশিলাদিত্য দেৱ (হোজাই)** ঃ- নীলবাগানৰ পৰা হোজাইলৈ যি ৰাস্তাৰ কাৰণে শিক্ষা বন্ধ হৈ গৈছিল ৰাইজে ভাবিছিল যে এই ৰাস্তা কেতিয়াও সম্পুৰ্ণ নহ'ব। মই এতিয়া ধন্যবাদ দিব বিচাৰিছো, আমাৰ শুক্লবৈদ্য ডাঙৰীয়াক যেতিয়া তেওঁ মন্ত্ৰী হৈছিল, তেওঁ CRF Fund ত আমাক এই ৰাস্তাটো দিছিল আৰু পিছত যেতিয়া আমি গম পালো যে CRF ৰ ৰাস্তাখিনি সম্পুৰ্ণ কৰিবলৈ হলে ৯-১০ বছৰ লাগি যাব, মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া যেতিয়া গড়কাপ্তানী মন্ত্ৰী হ'ল, তেওঁ

সেই ৰাস্তাটো CRF ৰ পৰা সলনি কৰা নাই কিন্তু payment টো State ৰ ফালৰ পৰা কৰি দিলে। আৰু কলে যে subsequently যিটো পইচা আহিব এইটো ৰাজ্য চৰকাৰে payment কৰি থাকিব। সেই কাৰণে এই ধৰণৰ পদক্ষেপৰ সহায়ত নীলবাগানৰ পৰা হোজাই ৰাস্তাটো বনাব পাৰিছিলো। ছাৰ, আমাৰ হোজাই জিলাখন হৈছে নতুন জিলা। ২০১৬ চনত যেতিয়া জিলা ঘোষণা কৰা হয়, তেতিয়া মাত্ৰ কাগজ-কলমত কৰা হৈছিল। তেওঁলোকে কেৱল নিৰ্বাচনত ভোটত জিকিব লাগে বুলি জিলা ঘোষণা কৰিছিল। কিন্তু তাত কোনো ধৰণৰ আন্তগাঠনি নাছিল। আমিনবহুতো সমস্যাৰ মুখা-মুখি হৈ আছিলো। আজি যি বিলাক গুৰুত্বপুৰ্ণ ৰাস্তা আছে সেইবোৰ সম্পুৰ্ণ হৈছে। ৰাস্তাৰ ক্ষেত্ৰত মই এটা কথা কওঁ আমাৰ Soil condition is very bad. Soil condition বেয়া হোৱাৰ কাৰণে আমি যেতিয়া black top ৰাস্তা কৰো বহুত সোনকালে damage হৈ যায়। আমি এতিয়া পেপাৰ ব্লক ৰাস্তা হোজাইত কৰিছো। প্ৰায় ১১-১২ কিঃ মিঃ ৰাস্তা আমাৰ পেপাৰ ব্লকৰে হৈছে। সপোনেতো আমি ভবা নাছিলো যে without agitation হোজাইত তিনিখন ফ্লাই অভাৰ পাম। এখন প্লাই অভাৰৰ ৰেলৱেৰ ৫০ শতাংশ আৰু ৰাজ্য চৰকাৰৰ ৫০ শতাংশ অংশ । আমি তাতে ফ্লাই অভাৰ বনাই আছো। যিধৰণৰ আমাৰ কাম হৈ আছে, সেইখিনি বিৰোধীপক্ষইও Appreciate কৰিছে। কিন্তু যিটো cut-motion আনিছে, তেওঁলোকে কৈছে যে কৰ্ত্তন কৰিব লাগে, infact payment টো আৰু বঢ়াব লাগে। আমাৰ বহুতো ঠিকাদাৰে এতিয়াও payment বোৰ পোৱা নাই। তেওঁলোকে পইচা পালে, কামবোৰ অলপ সোনকালে হ'ব। লগতে আৰু এটা কথা কওঁ online system ত এতিয়া কামবোৰ হৈ আছে। এজন ঠিকাদাৰে যেতিয়া ১০টা মান ৰাস্তাৰ কাম কৰে স্বাভাৱিকভাবে তেওঁলোকে কামৰ speed টো কমাই দিয়ে। কাৰণ প্ৰথমতে তেওঁলোকে ১টা ২টা ৰাস্তা বনায় আৰু এক-ডেৰ বছৰ লগাই দিয়ে।

**মাননীয় অধ্যক্ষ** ঃ- What is your suggestion?

**শ্ৰী শিলাদিত্য দেৱ (হোজাই) ঃ** My suggestion is that the Minister has a vision to convert all the roads in Assam, in a complete manner, but at a same time যিটো procedure প্ৰক্ৰিয়া চলি আছে যে ঠিকাদাৰ সকলৰ বা বিভাগবোৰৰ ফালৰ পৰা, মই এটা কথা কম ছাৰ,

মাননীয় অধ্যক্ষ ঃ- নহয়, নহয়। I will not allow. মই আপোনাক কৈছো যে তেখেতে যিটো আধাঘন্টা লাগিব বুলি কৈছিল মই সেয়েহে অলপ সময় আছিল বাবে দিছিলো। Why are you disturbing? Minister is ready to give the reply.

**শ্ৰী শিলাদিত্য দেৱ (হোজাই) ঃ** এখন দলং মোৰ নাইকীয়া হৈ গ'ল ছাৰ, সেই কাৰণে ক'ব বিচাৰিছো সেই দলংখন বেলেগ ঠাইত বনাই দিলে, ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ- আপোনাৰ দলংখন বেলেগ ঠাইত বনাই দিলে কথাটো কৈ দিলেই হয়। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়, আমাৰ বিজেপি ৰ আৰু কোনোৱে কথা নকয়, গতিকে এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা (গড়কাপ্তানী মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় শাসকীয় পক্ষ, আৰু বিৰোধী পক্ষ, দুয়োফালৰ সন্মানীয় বিধায়ক সকলে গড়কাপ্তানী বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আলোচনা আগবঢ়ালে। সন্মানীয় সদস্য নুৰুল হুদা, ৰফিকুল ইছলাম, নজৰুল ইছলাম, দেৱানন্দ হাজৰিকা, গুণীন্দ্ৰ দাস, ৰবিৰাম নাৰ্জাৰি, ড° নোমল মমিন, আমাৰ শিলাদিত্য দেৱ ডাঙৰীয়া

আৰু প্ৰদীপ হাজৰিকা ডাঙৰীয়া আৰু শ্বেৰমান আলী ডাঙৰীয়াই আমাৰ এই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত অংশগ্ৰহন কৰি নিজ নিজ সমষ্টি তথা গড়কাপ্তানী বিভাগৰ ৰাস্তা-ঘাটৰ ওপৰত নিজৰ শংকা আৰু সম্ভাৱনা দুয়োটাৰ ওপৰতে যি আলোচনা কৰিলে, তাৰ বাবে মই তেখেত সকলক ধন্যবাদ জনাইছো। ধন্যবাদ এই কাৰণেই জনাইছো যে কৰ্ত্তন প্ৰস্তাৱৰ উদ্দেশ্য আমাক টকা কাটি দিয়া নহয়, সকলোৱে টকা বেছিকৈ বিচাৰে, মাত্ৰ আলোচনাৰ দৃষ্টিভংগীৰ পৰাই যিহেতু এইটো এটা সংসদীয় গনতন্ত্ৰৰ এটা device , সেই বাবেই এই কৰ্ত্তন প্ৰস্তাৱ অনা হয়, কিন্তু বিধায়ক সকলৰ বক্তব্য শুনাৰ পাছত সকলোৰে কথা গোটেইখিনি শুনি এনেকুৱা লাগে যেন সকলোৱে নিজ সমষ্টিত আৰু টকা বেছিকৈ বিচাৰিছেহে। গতিকে মই ভাবো যে We should take it in a most constructive way. অধ্যক্ষ মহোদয় গড়কাপ্তানী বিভাগলৈ যোৱাৰ আগতে মই আজি এটা বিশেষ কথা এই পবিত্ৰ সদনৰ আগত অৱগত কৰিব খুজিছো, অলপ আগতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই অসমৰ Economic Survey এই সদনত উপস্থাপন কৰিছিল। আজি আমি জানো যে ভাৰতত বিকাশৰ গতি ৪.৫, ৪.৭ বহুত Constant and current price ত চলি আছে আৰু দেশৰ অৰ্থনৈতিক যি কৰ'না ভাইৰাচৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ কথা বতৰাই দেশৰ অৰ্থনীতিবিদ সকলে আমাৰ দেশৰ অৰ্থনীতিৰ ওপৰত বিভিন্ন ধৰণে আলোচনা কৰি আছে। এই সময়চোৱাৰ মাজতো আজি যি Economic Survey ৰ ৰিপোৰ্ট আমি দিলো তাত যদি দেখা পায় যে অসমৰ জি এচ ডি পি gross trade domestic product এই বছৰ যোৱা বছৰৰ তুলনাত আমাৰ current price ত ১৩. ৩৭ শতাংশ increase হৈছে । অৰ্থাৎ আমাৰ ৰাজ্যখনে ১৩.৩ শতাংশ জি ডি পি গ্ৰ'থ ল'বৰ কাৰণে সক্ষম হৈছো আৰু যদি Constant price তো আমি ইয়াক তুলনা কৰো তেতিয়াহ'লে আমাৰ Constant price তো ৬.৯২ শতাংশ Economic Growth পাবলৈ সক্ষম হৈছো। এই দুইটাই ইনডিকেট কৰে ভাৰত চৰকাৰৰ যি ৰাষ্ট্ৰীয় হাৰ তাতকৈ আমি ওপৰত যাবলৈ সক্ষম হৈছো। সাধাৰণতে আমাৰ ৰাজ্যখন ৰাষ্ট্ৰীয় হাৰতকৈ তলত থাকে। কিন্তু যোৱা বছৰৰ তুলনাত এই বছৰ আমি ৰাষ্ট্ৰীয় হাৰৰ বহু ওপৰত গৈছো। অহাকালি বাজেটত যেতিয়া আমি ৪ টা বছৰৰ তুলনা দেখিবলৈ পাম তেতিয়া মই ভাৱো যে অসমৰ বৰ্ধিত অৰ্থনৈতিক যি সম্ভাৱনা তাৰ এটা শুদ্ধ প্ৰতিচ্ছবি আপোনালোকে দেখা পাবলৈ সক্ষম হ'ব। এই সময়চোৱাত এগ্ৰিকালচাৰৰ ইক'নমিক ১৫.৮০ শতাংশ, ইণ্ডাষ্ট্ৰীৰ পৰা ৩৩.৫১ শতাংশ কনট্ৰিবিউচন আহিছে। Service Sector has grown by 45.63% and from Taxes and Subsidy 5.6% যিটো growth হৈছে সেইখিনি যোৱা বছৰৰ তুলনাত গোটেইখিনি ইনডিকেটৰে আগতকৈ ভাল হৈছে। Expanded fiscal space অৰ্থাৎ যেতিয়া জি ডি পি বাঢ়ে, per capita income বাঢ়ে তেতিয়া fiscal space টো বাঢ়ি বাঢ়ি গৈ থাকে। যেতিয়া আমি অসমত প্ৰথম চৰকাৰ গঠন কৰিছিলো public expenditure আছিলে ৪২ হাজাৰ কোটি টকা। অৰ্থাৎ আমি ৰাজ্যখনৰ বিকাশৰ বাবে এটা বছৰত ৪২ হাজাৰ কোটি টকা খৰচ কৰিছিলো। আমি এ জি ৰ ৰিপোৰ্টত দেখিবলৈ পাইছো যে our public expenditure has grown up to 73000 crore অৰ্থাৎ ৪২ হাজাৰ কোটিৰ ঠাইত ৭৩ হাজাৰ কোটি আমি যোৱা বছৰ খৰচ কৰিছো। It is a expansion of fiscal space by 33000 crore almost double বুলি আমি ক'ব পাৰো। এই গোটেই Expanded physical space টোৰ আটাইতকৈ ডাঙৰ বেনিফিচাৰীটো হৈছে road sector. আজি আমি বিশ্বাস কৰো যে communication and road যদি ভাল নহয় agricultural commodity

নাহিব, হস্পিটালত, ইণ্ডাষ্ট্ৰীত মানুহ যাব নোৱাৰিব, স্কুলত শিশু যাব নোৱাৰিব। গতিকে communication and road transport টো আমি সদায় আমাৰ অৰ্থনৈতিক জীৱনৰ মেৰুদণ্ড বুলি ভাৱি আহিছো। ৰাজ্যখনত achievment ৰ ক্ষেত্ৰত যদি মই ক'ব যাওঁ ২০১৬-১৭ চনৰ পৰা ২০১৯-২০ চনলৈকে তেনেহ'লে ২০১৬-১৭ চনত যেতিয়া আমি এই চৰকাৰখন আৰম্ভ কৰিছিলো সেই বছৰটোত আমি PMGSY ৰ ৮৫৪ কিলোমিটাৰ ৰাস্তা আমি বনাবলৈ চেংচন পাইছিলো আৰু আগৰ চেংচন লগ লগাই ৯৩০ কিলোমিটাৰ ৰাস্তা বনাইছিলো। ২০১৭-১৮ চনত আমি ১৬১৯ কিলোমিটাৰ ৰাস্তা বনাব পাৰিলো। আমি নিজেই নিজৰ অভিলেখ ভংগ কৰি যোৱা বছৰ PMGSY ত আমি ৪৩০০ কিলোমিটাৰ ৰাস্তা এটা বছৰত বনাব পাৰিছো। এই বছৰত আজিৰ দিনটোত ২৫৮৮ কিলোমিটাৰ ৰাস্তা বনাই আমি শেষ কৰিলো। মোৰ ইচ্ছা, বিভাগৰ সকলোৱে চেষ্টা কৰি আছে। এই বছৰো আমি ৪০০০ সংখ্যাটো গৈ চুব লাগে। So we have started the journey with 930 km and today we have achieved 4000 km. কিন্তু ৯৩০ ৰ পৰা ৪০০০ কিলোমিটাৰ ৰাস্তা ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ আমাৰ যিটো যাত্ৰা সেই যাত্ৰাই প্ৰমাণ কৰে যে আমি ৰাজ্যখনৰ জনসাধাৰণক communication ৰ এটা life line দিবলৈ আজি আমি সক্ষম হৈছো। যোৱা বছৰ যেতিয়া আমি ৪০০০ কিলোমিটাৰ ৰাস্তা শেষ কৰিলো ভাৰতবৰ্ষৰ বাকী যি ৰাজ্য আছে তাৰ তুলনাত আমি আটাইতকৈ তলত আছিলো। হঠাতেই আমাৰ মধ্যপ্ৰদেশৰ লগত তুলনা আৰম্ভ হ'ল যে মধ্যপ্ৰদেশে ও ৪০০০ কৰিছে অসমে ও ৪০০০ কৰিছে। Madnya Pradesh is considered to be best in PMGSY. আমাক ভাৰত চৰকাৰে ক'লে যে অসমত PMGSY-II আৰম্ভ কৰক। আমি কলো আমি PMGSY-I য়েই শেষ কৰিব পৰা নাই PMGSY-IIকেনেকৈ হ'ব? ভাৰত চৰকাৰে ক'লে যে অসমে পাৰিব। PMGSY- II আমি ১৭৩০ কিলোমিটাৰ ললো আৰু আমি ডিচেম্বৰ মাহত পালো। মাৰ্চৰ ৩১ তাৰিখৰ ভিতৰত আমি এলোটমেণ্ট শেষ কৰি দিম। ভাৰত চৰকাৰে তেতিয়া আমাক ক'লে যে মাৰ্চৰ ৩১ তাৰিখৰ ভিতৰত যদি তোমালোকে এলোটমেণ্ট শেষ কৰি দেখুৱাব পাৰা তেনেহ'লে আমি তোমালোকক মে মাহত PMGSY- III দি দিম with 4325 km. যোৱা দুই-আঢ়ৈ বছৰৰ ভিতৰত PMGSY- I সম্পূৰ্ণ হ'বলৈ গৈ আছে, ১৭৩২ কিলোমিটাৰ আমি PMGSY- II ত পালো আৰু সকলো যদি ঠিকে থাকে এই বছৰতে আমি PMGSY-III লৈকে গতি কৰিম with 4325 km. মাননীয় সদস্য সকলে কৈছে যে আমাৰ সমষ্টিত অহা নাই। হয়, সফলতাৰ কাৰণে কিছুমান নতুন নতুন বিষয়ত হাত দিব লাগে। আমাক ভাৰত চৰকাৰৰ পৰা টকা লাগে যাতে অসমৰ অৰ্থনীতিত টকা আহে। যদি আমি জিলা বা সমষ্টি ভিত্তিক অংক এটা কৰি থাকো non performing অঞ্চল কেইটাৰ কাৰণে performing অঞ্চল কেইটা ক্ষতিগ্ৰস্ত হয়। কাৰ্বি আংলং জিলা, বৰাক উপত্যকা, ধুবুৰী, বৰপেটা বহুত PMGSY- I ৰ ৰাস্তা হোৱা নাই। হয়, বিভাগ হিচাবে বা মন্ত্ৰী হিচাবে মোৰো দায়িত্ব আছে। কিন্তু এই দায়িত্ব তদন্ত কৰি থকাৰ কাৰণে PMGSY- II অহা নাই। সেয়ে আমি কলো যে PMGSY- II টো তাত দিয়ক য'ত আমি delivery কৰিব পাৰো। PMGSY- II খিনি আমি এনেকুৱা সমষ্টি বা জিলাত দিলো য'ত নেকি বানপানী বা খৰাঙৰ সমস্যা নাই আৰু আমি সম্পূৰ্ণ কৰিব পাৰিম। সেইখিনি strategy কৰাৰ কাৰণে আজি আমি PMGSY- III পালো। PMGSY- IV অহাৰ বাবে বহু দেৰি হ'ব গতিকে PMGSY- III ত আমি সকলোৱে নিজৰ নিজৰ কিছু ৰাস্তা ল'ব পাৰিম বা সেই দিশত আমি আগুৱাই যাব পাৰিম। quality ৰ প্ৰশ্ন এটা আহিছে আৰু ইয়াত বিভিন্ন ধৰণৰ

উত্তৰ থাকে। জালুকবাৰীৰ quality লৈ মই সন্তুষ্ট। যদি বিধায়ক এজনে গৈ শিলগুটি হিচাপ কৰিব লগীয়া হয়, জে ই লৈ যাবলগীয়া হয় তাত ৰাস্তা নহ'ব আৰু ঠিকাদাৰ সোমাবলৈকে ভয় কৰিব। মোৰ মতেৰে বিধায়কৰ দায়িত্ব হৈছে আইন প্রনয়ণ কৰা, rules and regulations বনোৱা। আমি যদি হাতুৰি লৈ ৰাস্তা চাবলৈ যাওঁ তাত কাম নহ'ব। গতিকে য'ত নিৰবে কাম হৈ থাকে তাত ৰিজাল্ট ভাল হয়। মই নিজেই বহু কেইটা সমষ্টি চাবলৈ গৈছো। বৰাক ভেলীত যোৱা ২ মাহলৈকে ৰাস্তাৰ অৱস্থা খুব বেয়া আছিল। এদিন বৰাক ভেলীলৈ গৈ আমি ইঞ্জিনিয়াৰ সকলৰ সৈতে আলোচনাত বহিলো আৰু কলো যে ৩ মাহত ২০০ কিলোমিটাৰ national highway আমি fix কৰিম। এতিয়া বৰাক ভেলীৰ পৰা কোনো মন্ত্রী, বিধায়কে মোক acompany কৰা নাই। ৰাতি অকলে অকলে কাটিগড়াত গৈছো, বিভিন্ন ঠাইলৈ কমিশ্যনাৰ আৰু মই অকলে অকলে গৈছো। মই কৈছো যে মই বহাগ বিহুৰ দিনাখন আহিম বৰাক ভেলীত যোৱা দুই মাহ আগলৈকে ৰাস্তাৰ অৱস্থা খুৰ বেয়া। দিলীপ পাল ডাঙৰীয়াই ক'ব। বৰাক ভেলীত ইঞ্জিনিয়াৰসকলৰ লগত বহি আমি ৩ মাহত ২০০ কিঃ মিঃ ৰাস্তা বনোৱাৰ বাবে fix কৰিলো। বৰাক ভেলীৰ কোনো মন্ত্রী-এম এল এ মোক accompany কৰা নাই। কমিশ্যনাৰ লগত লৈ অকলে অকলে ৰাতি আমি গৈছো। মই তেওঁলোকক কৈছো বহাগ বিহুত আকৌ আহিম যদি নেশ্যনেল হাইৱেত সামান্য এটাও যদি খুন্দা খাও আপোনালোকৰ বিপদ আছে। কিন্তু মই নিশ্চিত যে এইবাৰ খুন্দা নাখাওঁ। এটা simplex য়ে কৰি আছে। State য়ে কৰা নাই। তাৰ পিছত আমি সিদ্ধান্ত ললো, জালুকবাৰীৰ পৰা ঢেকীয়াজুলি হৈ আমি তেজপুৰ যাম। নগাওঁ ৰাস্তাত কৈ আমি ভালকৈ যাব পাব লাগিব। কোনো মন্ত্রী, এম এল এ মোৰ লগত যোৱা নাই। আজি মই আপোনালোকক encourage কৰিম। আপোনালোকে যদি নগাওঁত যাব লগা হয় তেনেহ'লে বাইহাটা চাৰিআলি হৈ যাব। আপোনালোকে বেছিহে ভাল পাব। কেনো কষ্ট নাপায়। কোনো মন্ত্রী, এম এল এ মোক accom-pany কৰা নাই। ৰাতিও গৈছো। চাই চাই গৈছো। ঢেকীয়াজুলিত Drain ৰ কাম আৰম্ভ হৈছে। Ashok Singhalক মই পিছতহে খৱৰ দিছো যে, ঢেকীয়া জুলিত Drain এটাৰ কাম আৰম্ভ হ'ব। মই ভাবো বহু ক্ষেত্রত আমি ৰাজনীতি কৰা মানুহবিলাক গড়কাপ্তানি বিভাগৰ বহুত ভিতৰলৈ সোমাই যোৱা কাৰণে আমি মানুহক আমাৰ ৰিজাল্টটো দিয়াত সঠিক হৈছে। আজি মই নলবাৰী গৈছো । আমাৰ বিধায়ক অশোক শৰ্মাৰ ঘৰৰ সন্মূখত ৰাস্তাত সেইদিনাখন মুখ্যমন্ত্রী ডাঙৰীয়া আৰু মই খোজ কাঢ়িছো। মোৰ ভাল লগা নাই, Endolation বহুত। মাননীয় C.M য়ে খোজ কাঢ়ি থাকোতে মই অলপ লাজ পাইছো। ৫৩ হাজাৰ কি.মি ৰাস্তা-ঘাট আমি বনাব লাগিব গতিকে আমি Civil Engineer , Junior Engineer Pass কৰা ল'ৰা কিছুমানক বেংকৰ পৰা Loanৰ ব্যৱস্থা কৰি একোজন Quality Contractor PWD De-partment ত আমি আনিব লাগিব। আমি ৫০০ ভাল ঠিকাদাৰ নমোৱাৰ কাৰণে প্লেন কৰি আছো। They should be Civil Engineer. তেওঁলোকে কম ৰেটত কাম পাব। তেওঁলোকে ৫০ শতাংশ Security দিলেই হ'ব। মই Apex Bank ৰ লগত কথা পাতি আছো। তেওঁলোকক ১ কোটি টকা Loan হিচাপে দিম। গাওঁৰ ৰাস্তাত এতিয়া পেভাৰ ব্ল'ক লগোৱা ৰাস্তা হৈছে। কিন্তু বহু ক্ষেত্রত আমি দেখিছো "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী" কাৰণ ব্ল'কৰ তলত যিখিনি মেটেল থাকিব লাগে নাই। গাওঁৰ হোজা মানুহখিনিয়ে নাজানে। মানুহখিনিয়ে ভাবে পিছ দিয়া ৰাস্তা হ'লে ভাঙি যাব কিন্তু 'পেভাৰ ব্ল'ক' দি ভালকৈ বনাইছে। আমাৰ সমষ্টিবিলাকত চিভিল ইঞ্জিনিয়াৰিং পাছ কৰা বহুত ভাল ভাল লৰা আছে। তেওঁলোকক আমি এজন ভাল ঠিকাদাৰ কৰি

উলিয়াই আনিব লাগে। যিটো বিভাগত বছৰি প্ৰায় ২০,০০০ কোটি টকাPayment  হয়। তাত আমাৰ অসমীয়া লৰাখিনিয়ে কিয় সুযোগ নাপাব? কনট্ৰেক্টৰ হোৱাৰ আগতে আমি বিভাগৰ পৰা তেওঁলোকক  Proper Training দিয়াৰ ব্যৱস্থা কৰিম। গড়কাপ্তানি বিভাগৰ লগত কোনে দিনেই জড়িত নোহোৱা লৰাইও মোক কাম দিয়াৰ বাবে অনুৰোধ কৰে। কিন্তু কাম দিলেইতো নহ'ব। আগতে ৰাস্তাত আলকাতৰা গলাই ৰাস্তা বনাইছিল। এতিয়া প্লেটসমূহ বহালেই হৈ যায়। গতিকে এইবাৰ নহ'ব। অহাবাৰ যেতিয়া 'হাউচ' আহিব তেতিয়া Collectively আমি ১০০০-২০০০ ভাল কনট্ৰেক্টৰ ওলালে আমি কাম দিব পাৰিম। এইটো এটা ভাল  আৰু ডাঙৰ Sector ইয়াত আমি Professional  Contractor Create কৰিব লাগিব।  SOPD ত আমি ২০১৬-১৭ চনত মাত্ৰ ১৫ কি.মি ৰাস্তা বনাইছো। ২০১৭-১৮ চনত ১৪৮ কি.মি ৰাস্তা বনাইছো। ২০১৮-১৯ চনত ২৩৬ কি.মি ৰাস্তা বনাইছো। এইবাৰ কিন্তু আমি ৩০০০ কি.মি ৰাস্তা ১ বছৰত বনাইছো। গড়কাপ্তানি

বিভাগৰ  SOPD ৰ বাজেট আছিল- ৩০০ কোটি টকা আৰু আজি বাজেট হৈছে- ২৪৫০ কোটি টকা। ১০০ শতাংশ পুঁজি Utilization  হ'ব, এক টকাও ৰখা নহয়।  PMGSY ত ২৬৩৪ কোটি টকা হ'ব। দুয়োটা মিলি  ৫০০০ কোটি টকা  এই দুটাতে হ'ব। মই সদস্যসকলৰ লগত একমত যে, এতিয়া পি ডব্লিউ ডিত কোৱালিটিলৈ অহাৰ সময় হৈ গ'ল। মই কেইদিনমান আগতে এজন ডাঙৰ কন ট্ৰেক্টৰৰ কাম চাবলৈ গৈছিলো ডিফুৰ পৰা বকলিয়াঘাটলৈকে থকা ৰাস্তাটো। তাত WBM দুটা লেয়াৰ থাকিব লাগে এটা মাৰিছে। এটা লেয়াৰ নমৰাকৈ কনট্ৰেক্টৰে কিমান টকা লৈ গুচি গ'ল চিন্তা কৰক। সেই কাৰণে কৈছো - যে এতিয়া কোৱালিটি চোৱাৰ সময় হ'ল। আমাৰ ৫৩ হাজাৰ কি. মি ৰাস্তা বনাব লাগিব। এই বছৰ আমি ১০ হাজাৰ কি.মি   achieve কৰিম আৰু অহাবাৰ ১০ হাজাৰ কি.মি কৰিম।  অহা ৩-৪ বছৰত অসমৰ Road Network ত থকা ৫৩ হাজাৰ কি.মি ৰাস্তা Next  বিধান সভা কাৰ্য্যকালত শেষ হৈ যাব। কামখিনি কৰোতে Proper Management হ'ব লাগিব।  এটা ৰাস্তা বনাওতে কষ্ট যদি জালুকবাৰীত ১ কোটি হয়, কলিয়াবৰত ১ কোটি হ'ব। কিন্তু কৰ'বাত ১.২৫ লাখ হৈ যায়। ২৫ লাখ টকা কন্ট্ৰেক্টৰ আৰু ইঞ্জিনিয়াৰ জনৰ মাজত ভাগ হয়। আমি এইবোৰ চোৱাৰ সময় হ'ল। কাৰণ মই একেজন মন্ত্ৰীয়ে Estimate বিলাক Sign কৰি থাকো। যোৱা পৰহি মই ৰাঙাপাৰাত গৈছিলো। তাৰ ৰাস্তা এটা innuguration কৰিবলৈ। মোক slip এখন আগতীয়াকৈ দিলে। মই দেখিলো average  ১ কোটি ৩৫ লাখ টকা। মই ক'লো যে আমাৰ তাত ১ কোটিত বনাই আছে, ৩৫ লাখ ক'ৰ পৰা আহিল। তাৰ মানে ১২৬ টা সমষ্টিত এতিয়াও Rate বিলাক  Standerise কৰিব পৰা নাই। Quality ৰ ক্ষেত্ৰত আমি 3rd Party verification কৰিব লাগিব। Estimate টোও  3rd Party verification কৰিব লাগিব। আমি কেইদিনমান আগতে আমাৰ ৰাতাবাৰী সমষ্টিত কাম চাব গৈছিলো, কেইদিন মান আগতে মৰিগাঁওত এটা ৰাস্তা চাব গৈছিলো। মৰিগাঁৱৰ ৰাস্তাটোৰে বানপানীৰ সময়ত লাহৰীঘাট গৈছিলো, তেতিয়া ঘূৰি যাওঁতে মোৰ মনটো ভাল লগা নাছিল, গুৱাহাটীৰ পৰা দুজন SE ক আমি পঠালো, ৰাস্তাটো আমি চেক কৰিলো, তেতিয়া দেখিলো ৰাস্তাটোত দুবাৰ বি এম নকৰাকৈ ওপৰত কেৱল প্লেট লগাই থৈ দিছে। এতিয়া আমি ঠিক কৰিলো, বনালে। কিন্তু বহুত ক্ষেত্ৰত গড়কাপ্তানী বিভাগৰ estimateখন ৰাইজক জনাই যে এইখিনি কাম আমাৰ হ'ব লাগে অসমৰ ১২৬ টা সমষ্টিত standard estimate  হ'ব লাগে আৰু চৰ অঞ্চলত, পাহাৰ অঞ্চলত যিটো প্ৰিমিয়াম দিব লাগে, দিব লাগে, তেতিয়া আমাৰ যিখিনি টকা সঞ্চয় হ'ব সেই টকাৰে আমি

আৰু এক হাজাৰ কি. মিটাৰ ৰাস্তাৰ কাম আমি কৰিব পাৰিম আৰু মই ভাৱো যে এই কথা বিলাক আজি বা কালি কাৰোবাক দোষ দিয়া কথা নহয়। These are the part of system reforms. এদিনতেটো নহয়, তেনেকৈ হৈ আছিল, কাৰো অসৎ উদ্দেশ্যও নাই, তেনেকৈ বনাই আছে। লাহে লাহে আমি কিছুমান কাম কৰি গৈ থাকিব লাগিব। এইবাৰ আমি ফ্লাড কন্ট্ৰোল বিভাগৰ মথাউৰী বিলাক যেতিয়া ভাঙিলে সত্যব্ৰত কলিতাৰ সমষ্টিত, পবিন্দ্ৰ ডেকাৰ সমষ্টিত, নগাওঁত, কেশৱ মহন্ত ডাঙৰীয়া আৰু মই একেলগে বহিলো এটা এটাকৈ এচটিমেট প্ৰেজেন্টেচন হ'ল। তেতিয়া আমি দেখিলো যোৰহাটৰ আৰ্ট ৰ্কত ১.৩৪ লাখ, পাঠাশালা আৰ্ট ৰ্কত ১ লাখ টকা। তেতিয়া আমি কলো ফৰেষ্টে ৰয়লিটি বেলেগ বেলেগ লয় নেকি দুয়োঠাইত। কলে যে নলয়। তেতিয়া অভিযন্তাই লগে লগে কলে যে নহয় চাৰ, আমি ঠিক কৰি আনিম, কাৰণ যিয়ে নহওঁক। এতিয়া এইটো কোনো কৰাপচন বা অমূকৰ কথা নহয়। তেনেকৈ তাত লৈ আছে। কোনেও একেলগে দুটা সমষ্টিৰ মাজত আজিলৈকে কমপেয়াৰ কৰা নাছিল। এইবাৰ আমি কমপেয়াৰ কৰাৰ সুযোগ পালো। এতিয়া আপোনালোকে চাব নিজৰ নিজৰ যদি প্ৰশ্ন কৰে আমগুৰিৰ প্ৰতি কি.মিটাৰৰ cost বেলেগ হৈ আছে, শিলচৰৰ প্ৰতি কি.মিটাৰৰ cost বেলেগ হৈ আছে, জালুকবাৰীৰ বেলেগ হৈ আছে। এই কথাবিলাক আমি যদি কন্ট্ৰোল কৰিব পাৰো আৰু ১ হাজাৰ কি.মিটাৰ ৰাস্তা আমি বছৰত বনাব পাৰিম আৰু এটা ডাঙৰ কথা হৈছে কি যে প্ৰেভাৰ্চ ব্লকটো হোৱাৰ পিছত চাইড বাম নবনাও, কমপ্লেকচন আমি নকৰো। আমি বহুত ফাইল এইবাৰ ঘূৰাই দিছো। এটা এটাকৈ ফাইল মই চাইছো, প্ৰায় ৮ শ ফাইল আমি ঘুৰাই দিছো যে কমপ্লেকচন আৰু আমাক চাইড বাম লাগে। কোনো ৰাস্তা মাৰ্কিং নহয়, আমাৰ estimate বিলাকত ৰাতি গাড়ী গলে, চাইকেল গলে ৰিফলেক্টৰ লাইট নাথাকে আমি বহুত কাম কৰিব লগীয়া আছে কোৱালিটিৰ দিশত। এই অসম মালাৰ যে ৰাস্তাবোৰ বনাম এই ৰাস্তাবিলাকত আমি তিনি চাৰিটা কাম কৰিছো যে দুই কি.মিটাৰ দূৰে দূৰে পদযাত্ৰী থকা বাচ ষ্টেণ্ড বনাবলৈ চাইডত বৃক্ষ ৰোপন হ'ব লাগিব। Reflector light লগাব লাগিব আৰু বগা মাৰ্কিং হ'ব লাগিব, অসম মালাত আমি ৫ হাজাৰ কি.মিটাৰ ৰাস্তা বনাম, অহাকালি বাজেটত আপোনালোকে লিষ্টখন পাব। ভাল ভাল ৰাস্তা। আজিও আপোনালোকে ভাষণত কৈছে যে এইটো ৰাস্তা বনালে দূৰত্ব কমি যাব মই আপোনালোকক অনুৰোধ কৰিম যে যিকেইখন দলং বনালে আমাৰ দূৰত্ব কমিব যিকেইটা ৰাস্তা বনালে দূৰত্ব কমিব আপোনালোকে যোগেন মহন ডাঙৰীয়াৰ হাতত দিব। কাৰণ এই বছৰ ৫ হাজাৰ কি.মিটাৰ ৰাস্তা আমাক অকল এ ডি বি, বিশ্ব বেংকে দিব, কাৰণ আমাৰ সফলতা দেখি। অসমমালা মই নিজৰ সম্পদ দি কৰিম বুলি ভাবিছিলো এতিয়া তেওঁলোক আগবাঢ়ি আহিলে আৰু কলে যে আমি দুটা প্ৰজেক্ট দিম আপুনি বনাব নালাগে আমাৰ উৎসৰ পৰা দিম। অহাকালি সম্পূৰ্ণ আপোনালোকে পাব যে ৫ হাজাৰ কি.মিটাৰ ৰাস্তা অহা মানে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ পৰা আমি আৰম্ভ কৰিম ষ্টেটৰ পৰা দিব নালাগে খৰচৰ দায়িত্ব তেওঁলোকে লৈছে। গতিকে ষ্টেটত আৰু ৫ হাজাৰ কি.মিটাৰ নতুন ৰাস্তা দিয়াৰ ৰাস্তাটো আমাৰ খুলি গ'ল সেই পইচাটো যিহেতু আমি চেভ কৰিম। সেইকাৰণে আপোনালোকে পৰামৰ্শ বিলাক দিয়ক, হয়তো এই কাৰ্য্যকালত নহ'ব। কিন্তু মইতো ভাৱো সকলোৱে এনেকৈয়ে জিকি আহিব যেনেকৈ আছে নহয় জানো। গতিকে অহাবাৰ আমি ধুনীয়াকৈ কামখিনি কৰিব পাৰিব বা চৰকাৰে কামখিনি কৰিব। দলংৰ ক্ষেত্ৰত এক হাজাৰ পকী দলং আমি কৰাৰ এটা লক্ষ্য বান্ধি লৈছিলো। ৭০০ আমাৰ হৈ গ'ল বা হোৱাৰ পৰ্যায়ত আছে, অহাকালি আমি বাজেটত দিম। ৩০০ খনৰ এইবাৰ আপোনালোকে নাম দিছে মোটামোটি হৈ যাব। এতিয়া সমস্যাটো হৈছে যে কাঠৰ দলং

নোহোৱাৰ ঠাইত নতুন দলং। এই মোৰ ইচ্ছা আছে যে সকলো বিধায়কৰ পৰা এখন এখন আমি নতুন দলং কৰাৰ চেষ্টা কৰিম। তাৰমানে এটা বছৰতে ১২৬ হৈ যাব। নতুন দলং য'ত নতুন সংযোগ হয়। এই বছৰ মই বিচাৰিছো যে এপ্ৰিলৰ পৰা লাগি যাম। প্ৰত্যেক সমষ্টিত দহ কি.মিটাৰ খুব ভাল ৰাস্তা বনাম। এই বাৰো আমি দহ কি.মিটাৰ ৰাস্তা লৈছো, প্ৰায় বিলাক সমষ্টিতে, অহা বছৰো আমি দহ কি.মিটাৰ ৰাস্তা বনাম। য'ত ৰিফলেক্টৰ, লাইত, বৃক্ষৰোপন, বাছ ষ্টেণ্ড সকলো থাকিব। খুব ষ্টেণ্ডাৰ্ড ৰাস্তা আমি বনাব পাৰিম, অৱশ্যে সকলো বিধায়কৰ recommendationৰ মতে নবনাও। সেইটো মই আগতে কৰজোৰে কৈ দিছো। সমষ্টিত হ'ব। কিন্তু সমষ্টিত হলে কি হয় বহুত বিধায়কে কি কৰে যে ভোট যিফালে আছে সেইফালে ৰাস্তাটো বনাই দিয়ে, পাব্লিক যায় বেলেগ ফালে, মন্ত্ৰীৰ ইফালে মূৰ্তি জ্বলাই থাকে। ইফালে বিধায়কৰ ভোট বাঢ়ি থাকে। সেইটো নহ'ব। আমি বিধায়কৰ পৰামৰ্শটো দিও কনচিদাৰিচন কৰিম কিন্তু এইটো নহয়যে সেইটো মতে কৰিম। কাৰণ মোৰোটো মূৰ্তি জ্বলোৱাৰ পৰা বাচি থাকিব লাগিব। গতিকে সমষ্টিত হ'ব এইটো সত্য। আমি দহ কি.মিটাৰকৈ আৰু ভাল ৰাস্তা বনাম অহা বছৰ ১২৬০ কি.মিটাৰ। আপোনালোকে অহাকালি বাজটত হয়তো তাৰ বিষয়ে ইংগিত এটা পাব। সৰু সৰু ৰাস্তাৰ মেৰামতিৰ কাৰণে দহ কি.মিটাৰ বিছ কি.মিটাৰ, ত্ৰিশ কি.মিটাৰ আমি প্ৰত্যেক সমষ্টিত কৰি আছো, কৰি থাকিম আৰু মোৰ বিশ্বাস যে গড়কাপ্তানী বিভাগলৈ এতিয়া কাটমোচন আনি চিন্তা কৰিব লগীয়া আৰু বিশেষ নাই। এতিয়া সেই পৰ্য্যয়টো পাৰ হৈ গলো। এতিয়া আমি কেৱল quantityৰ পৰা qualityত যোৱাৰ সময় হৈছে। কিছুমান সমস্যা আছে, বহুত ৰাস্তা বাঢ়ি যোৱাৰ কাৰণে ফাইল বিলাক চাব নোৱাৰা হৈছে। যিয়ে আহে কমিচনাৰে যোৱা এক মাহত প্ৰায় মই ৮০০ ফাইল ক্লিয়াৰ কৰিছো পেমেন্টৰ। কমিচনাৰ, যোগেন মহন আমি সকলোৰে ভগাই লোৱাৰ পিছতো মুঠ ৪ হাজাৰ ফাইল আছে। এতিয়া ৪ হাজাৰ ফাইল নিজেই চোৱা সম্ভৱ নহয়। এতিয়া আমি ঠিক কৰিব লাগিব যে আমাৰ যিহেতু কাম কৰাৰ পিৰিয়ডটো চেপ্তেম্বৰৰ পৰা এপ্ৰিল। গতিকে বিলও তাতে জেনেৰেট হ'ব। এই সময় খিনিত যদি কাৰোবাৰ ফাইলটো ৰখাই দিও তাৰ বছৰটো কাম ৰখি গ'ল। ঠিকাদাৰে পেমেন্ট নাপালে কাম নকৰে। গতিকে আমি নতুন নতুন কিছুমান ডিভাইচ উলিয়াব লাগিব যে অন চাইড আমি যাতে ৰাস্তাকেইটা চাই ইমপ্ৰুভ কৰি দিব পাৰো। আজি কালি দেখিব SE সকল গৈছে, SE সকলে ফটো লগত লৈ আহে। মই দেখিলো যে ফটো বোৰ নিৰ্জন ঠাইৰ। মই সুধিলো, ভাই ফটোবোৰ নিৰ্জন ঠাইৰ কিয়? আমাৰ ৰাস্তাৰ চিলেক্চনে ভুল নেকি? আমি পাহাৰৰ মাজেদি কৰো বা নিৰ্জন এৰিয়াত কৰো। তেতিয়া মোক কলে যে নহয় পাব্লিকৰ মাজত ফটো উঠিলে পাব্লিকে হুলস্থুল কৰে, ৰাস্তাটো ভাল হোৱা নাই। এতিয়া আমি নিৰ্দ্দেশ দিছো যে প্ৰত্যেকটো ৰাস্তাৰ ঠিকাদাৰ আৰু অভিযন্তাই যেতিয়া বিলৰ বাবে ফটো মাৰিব যাব তেতিয়া খুবকমেও ৫০ জন মানুহ থাকিব লাগিব বেকগ্ৰাউণ্ডত। ৫০ মানুহ থাকিলেহে ফটো হ'ব নহলে নহ'ব। এক এপ্ৰিলৰ পৰা নিয়ম হ'ব যে ঠিকাদাৰ আৰু অভিযন্তা যাব গাঁৱৰ মানুহক মাতি আনিব সাহসেৰে, ৫০ জন মানুহৰ সন্মূখত ফটো উঠিব লাগিব। এটাও যদি মূৰ কম পাওঁ মানুহ গনতি কৰো তেন্তে সেই বিল পেমেন্ট নহ'ব। তেনেহলে ৫০ জন মানুহৰ লগত ফটো উঠাতোটো ভুল হ'ব নোৱাৰে। এতিয়ালৈ আপোনালোকে ফটোবোৰ চাব একদম অকলে অকলে ৰাতিপুৱাতে এচ ই সকল যায়। এতিয়া কলো যে পাব্লিক বেকগ্ৰাউণ্ডত থাকিব লাগিব। ৫০ জন মানুহৰ লগত ফটো উঠিলে তেতিয়াহলে ৰাস্তাৰ কুৱালিটিটো ইমান বেয়া হ'ব নোৱাৰিব। এই কামটো আমি এক এপ্ৰিলৰ পৰা কৰিম। ২৫ লাখৰ তলত ৰাস্তা হলে ১০ জন, ৫০ লাখৰ তলত ৰাস্তা হলে ২০ আৰু এক কোটিৰ ৰাস্তা হলে খুবকমেও ৫০ জন মানুহৰ লগত

ফটো উঠিবই লাগিব। নহলে এইটোৰ পেমেন্ট নহ'ব। গতিকে আমিও অলপমান নিজৰ নিজৰ ধৰণে চাব লাগিব। যেতিয়া পেইভ্ৰাজ ব্লকৰ ৰাস্তাত যায় আপোনালোকে গাড়ীখন চাব এনেকুৱা হৈছে নেকি, এইটোক কয় ইন্দুলেচন। তাৰমানে তলত বস্তু নাই। তেতিয়া বস্তু নাই, লগে লগে ক'ব যে ফালক বা খোলক, কিন্তু ওপৰত ধুনীয়া প্ৰেভাইজ ব্লক লগাব, মনটো ভাল লাগিব। গাঁৱৰ মানুহেটো বুজি নপায়, হোজা মানুহ। এনেকৈ গৈ থাকিব। কিন্তু লাহে লাহে যেতিয়া গাঁৱৰ মানুহক আমি বুজাই দিম যে ৰাস্তা যদি এনেকুৱা হয় তাৰমানে তলত ৰুলিং হোৱা নাই তলত দাব্লিউ দি এম হোৱা নাই। লাহে লাহে গাঁও স ভাত এই কথাবিলাক আমি ৰাইজক বুজাব লাগিব যে what do you mean by quality? অহাবাৰ এপ্ৰিলৰ পৰা পেপাৰত আমাৰ একাদিক্ৰমে বিজ্ঞাপন ওলাব যে what do you mean by quality road? যাতে গাঁৱৰ মানুহে ধৰিব পাৰে যে quality road মানে paver block ৰ size এনেকুৱা হ'ব লাগিব । quality road মানে চাইকেল এখন চলাই যাওতে গাতত পৰিব নালাগিব । এনেকুৱা গাওঁলীয়া ভাষাত চিনাক্ত কৰিব পৰা ১০ টা point আমি দিব খুজিছো যে যাতে গাওঁৰ ডেকা ল'ৰা এটাই গম পায় যে এইটো quality মোৰ হোৱা নাই । public ৰ মাজৰ পৰা demand আনিব লাগিব কাৰণ বিধায়ক এজনে ইমান ঠাই ঘুৰিব নোৱাৰে । কিন্তু public ৰ পৰা যদি resistance আহে তেতিয়াহ'লে ৰাস্তা নিজে নিজে ঠিক হ'ব লাগিব । গতিকে আমাৰ গোটেই উদ্দেশ্যটো হ'ল যে quantity ৰ পৰা quality লৈকে যাব লাগিব। তাৰ বাদে কোনো একো চিন্তা নাই । কাৰোবাৰ সমষ্টিৰ যদি কিবা critical ৰাস্তা বা দলং আছে নাম দিব। আমি কৰিম কাৰণ আমাৰ এতিয়া কৰিব পৰা পৰিবেশ এটা আছে । অহাবাৰ মোৰ মনত এটা ইচ্ছা যে নতুনকৈ অকল state resource ৰ পৰা পাৰিলে ৫ হাজাৰ কিলোমিটাৰ ৰাস্তা আৰু আমি কৰিব লাগিব। কিন্তু মোৰ দুটা অনুৰোধ ১২৬ টা সমষ্টিৰ ৰেট একে থাকিব লাগিব । আমি কোনো কাকো বঞ্চনা কৰিব নালাগে । জালুকবাৰীৰ ৰেট যিমান হ'ব লাগিব, মাজুলীৰ সিমান, ধৰ্মপুৰৰ সিমান, চাউঠ শালমাৰাৰ সিমান, with the geographic variations. যে মাজুলীত চৰ অলপ বেছি হ'ব । এই খিনি হ'লে আমি quantity বঢ়াব পাৰিম। আপোনালোকে জানে PWD ত কেইবাটাও reform হ'ল, প্ৰত্যেক সমষ্টিতে একোটা sub-division হ'ল । অফিচ কেইটা এইবাৰ আমি বনায় ল'ব লাগে । আপোনালোকে মাটিবাৰী দিব, আমি যাতে এপ্ৰিল, মে' মাহৰ পৰা sub-division অফিচ কেইটা বনাব পাৰো । কাৰণ অফিচ কেইটা খুবেই দৰকাৰ। vedio conference সহ গোটেই বিলাক সুবিধা থকাকৈ একোটা অফিচ বনাওক আৰু য'ত য'ত divison ৰ অফিচ বহিছে যাতে আপোনালোকেও গ'লে conference ৰুমত বহি চাহ একাপ খাই গোটেই কথা খিনি চাব পাৰে । এই ধৰণে এইটো এটা কল্পনা আছে। বাকী মই ভাবো যেতিয়া PWD য়ে গুৱাহাটী, নৰ্থ গুৱাহাটী ব্ৰিজৰ দৰে ইমান ডাঙৰ প্ৰজেক্ট হাতত ল'ব পাৰিছে, তাৰমানে আমি আমাৰ বিবৰ্তনৰ পৰবৰ্তী পৰ্য্যায়লৈকে ভৰি দি দিলো । আজি আমাৰ অসম মালা ত মাজুলীত যি তিনিখন ডাঙৰ দলং ৰ কল্পনা কৰা হৈছে আৰু লক্ষিমপুৰৰ পৰা মাজুলী মাত্ৰ ২০ মিনিটত গৈ পাব । এই ধৰণৰ কল্পনা আমি আজি কৰিছো । ডাঙৰ ডাঙৰ দলং PWD য়ে বনাইছে । এতিয়া আমি ২৬০০ কোটি টকাৰ প্ৰজেক্ট হাতত লৈছো । গতিকে কৰিব পৰা যাব । ৰফিক চাহাবে যিটো কৈছে ২ কিলোমিটাৰ হোৱা নাই, আমাৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াক আপুনি লিখি দিব । আমি কৰি দিম, কোনো অসুবিধা নাই । ইয়াত কোনো ৰাজনীতিৰ কথা নাই, সকলো সমষ্টিতে ৰাস্তা ঘাট ভাল হ'ব লাগে। অহাবাৰ আমি দুটা প্লেন কৰিব খুজিছো all roads leading to school আৰু roads leading to hospital. যেনেকৈ এইবাৰ

আমি অসম মালা কৰিলো all roads leadings to important religous destination. অহাবাৰ আমি এই দুটা কাম কৰিব খুজিছো । এই খিনি আমি কৰিব খুজিছো যাতে ৰোগী ভালকৈ যাব পাৰে । জাইকাই যিটো health department ৰ কাৰণে লোন দিছে, তাত এই component টো ধৰি ৰাখিছে যে অকল health টো ভাল কৰিলে নহ'ব, health institution ত যোৱা ৰাস্তাও ভাল হ'ব লাগিব। গতিকে ভালকৈ হ'ব। এতিয়া মালিগাওঁৰ ওপৰত আমি এখন উৰনীয়া সেঁতু কৰিব গৈ আছো, যিখন আমাৰ বৰ্তমান ব্ৰীজ খনত উঠিব আৰু কামাখ্যা পাৰ ÍýÃû±ð¾á ¿ ÃÈ³ÁÕýÃ৩ মাহত তাৰ কাম আৰম্ভ হ'ব। কামাখ্যা মন্দিৰত যাবৰ কাৰণে এতিয়া মালিগাওঁৰ পৰা পাণ্ডু হৈ সোমাব, আই আই টি, উত্তৰ গুৱাহাটী, ব্ৰহ্মপুত্ৰ চাই কামাখ্যা মন্দিৰত উঠিব । Alternate road আমি ৬ মাহত মুকলি কৰি দিব পাৰিম বুলি আমি ভাবিছো । তেজপুৰৰ মিছন চাৰিআলীত ৰাস্তা ব্লক হৈ থাকে ইয়াৰ ওপৰত নতুন ফ্লাই অভাৰ হ'ব । আমাৰ লখৰাত সদায় ভীৰ আমি পাওঁ, অহাকালি বাজেট ভাষণত একোটা একোটা point দেখা পাব । অহাকালি বাজেট খন শুনিব। অসমৰ আত্মবিশ্বাসী, অসমৰ এটা ডাঙৰ গৌৰৱ উজ্বল অধ্যায় কালি আমি উন্মোচন কৰিব চেষ্টা কৰিম । বহু ভাল ভাল পৰিকল্পনা আছে । ঢুকি পোৱা পৰিকল্পনা। গণেশগুৰীত যিখন উৰণীয়া সেতু হৈ আছে, আপোনালোকে চাওক মাত্ৰ যোৱা নবেম্বৰত আৰম্ভ হৈছে আৰু এইবাৰ পূজাৰ আগত শেষ কৰি দিবই লাগিব । মই কিন্তু এদিনো যোৱা নাই । কেৱল ইঞ্জিনিয়াৰক কৈছে যে পূজাৰ দিনা খন মই উৰণীয়া সেতু হৈ যাব পাৰিব লাগিব । চুপাৰ মাৰ্কেটত উৰণীয়া সেতু খন আমি আৰম্ভ কৰিছো আৰু ২০২১ ৰ পূজাৰ দিনা আমি সেই ফ্লাই অ'ভাৰেদি যাবই লাগিব । বাকী ইঞ্জিনিয়াৰৰ দায়িত্ব কেনেকৈ কৰিব কেনেকৈ নকৰিব । টকাৰ অভাৱ নাই, টকা আমি পেমেন্ট কৰিম । আমি এই ধৰণে আগুৱাই আগুৱাই গৈ থাকিম । আজি মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ সমষ্টিত ২ খনকৈ ডাঙৰ উৰণীয়া সেতুৰ কাম আৰম্ভ হৈছে । ৰঞ্জিৎ দাস ডাঙৰীয়াৰ সমষ্টিত উৰণীয়া সেতু কেইখন কেইদিন মান আগতে মাত্ৰ আধাৰশিলা কৰি আহিছে। আজি চালেই ভাল লাগে ফ্লাই অভাৰ একেবাৰে হওঁ হওঁ অৱস্থা হৈ গ'ল । অসম মালাত ৰূপশ্ৰী বিমান বন্দৰলৈ যোৱা ৰাস্তা বনাব গৈ আছো, ভূটানলৈকে ৰাস্তা বনাব গৈ আছো । ভাল পৰিবেশ এটা হ'ব আৰু PWD ত মই সদস্য সকলোকো ধন্যবাদ জনাম যে খুব ভালদৰে সহযোগ কৰিছে । ওৱাজেদ আলী চৌধুৰী দাই মোক ইমান দিনে কৈ আছিল যে মোক একো নালাগে কেৱল দলং খন বনাই দিলে হ'ব । আমাৰ বিৰোধী দলৰ দলপতিৰ সমষ্টিত মই গৈছিলো আৰু এটা ভাল উদ্দেশ্য লৈ গৈছিলো । কিন্তু মোক ৰাস্তাৰ মাজতে ৰখাই দিলে, কিয় মোক ৰখালে মই বুজি নাপালো । ২০০ জন মানুহক লৈ মোক মুৰ্দাবাদ, জিন্দাবাদ ধ্বনি দি এখন memorandum লৈ পৃথিৱীৰ ভিতৰতে এখন অভিলেখকাৰী memorandum হ'ব । এনেকুৱা memorandum মই দেখা নাই । যিকি নহওঁক মইটো তেওঁৰ তাত ভাল উদ্দেশ্য লৈ গৈছিলো । মোৰ দৃষ্টিত আছে যে শিৱসাগৰৰ ৰাস্তা-ঘাটবোৰ খুব বেয়া । অসমৰ আটাইকেইখন জিলাৰ ভিতৰত শিবসাগৰৰ ৰাস্তা-ঘাট অতি বেয়া । মোৰ কোনো ৰাজনৈতিক উদ্দেশ্য নাই। নাজিৰা সমষ্টিৰ ৰাস্তা-ঘাটবোৰও অতি বেয়া। এতিয়া আমি সিদ্ধান্ত লৈছো যে নাজিৰাত এই বছৰৰ ভিতৰত ৪৫ কিলোমিটাৰ ৰাস্তা বনাম । নাজিৰা বিৰোধী দলৰ দলপতিৰ সমষ্টি। মই দুই তিনিবাৰ মান মটৰ চাইকেলেৰে গৈছো আৰু আকৌ যাম। গৈ চালেহে ৰাস্তাবোৰ ইঞ্জিনিয়াৰ সকলে ভালকৈ বনাব । আৰু তেতিয়াহে মই অহাবাৰ গ'লে বাধা নিদিব । শিৱসাগৰত আমি এতিয়া ঠিক কৰিছো যে, শিৱসাগৰ চহৰখন এখন iconic city বুলি ঘোষণা কৰিছো । শিৱসাগৰত আমি ৫০ কিলোমিটাৰ ৰাস্তা একেবাৰে নজৰত ৰাখি বনাম । ইয়াত কোনো বিৰোধী বুলি কথা নাই,

মুঠতে আমাৰ ৰাস্তাবোৰ ভাল হ'ব লাগে । নাজিৰাৰ ৰাস্তাবোৰত আমাৰ বিজেপি ৰ মানুহে খোজ নাকাঢ়িব নেকি ? এই বোৰত ৰাজনীতিৰ কোনো কথা নাই । শিৱসাগৰৰ পৰা সাপেখাটীলৈকে যিটো ৰাস্তা বনোৱা হ'ব তাত আমি তিনিশ কোটি টকা দিব গৈ আছো । অহাকালিৰ বাজেটত আপোনালোকে জানিব পাৰিব । গতিকে আমি এটা ভাল দিশত আগবাঢ়ি গৈ আছো । আপোনালোকক ধন্যবাদ জনাইছো আৰু আশা কৰো কৰ্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব আৰু quantity ৰ পৰা quality লৈকে আমাৰ যাত্ৰাটো অহাবাৰৰ পৰা আমি আৰম্ভ কৰিব পাৰো । আৰু ইয়াত যাতে সকলোৱে সহায় সহযোগ কৰে তাকে অনুৰোধ জনায় মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু এতিয়া ২ বাজি গ'ল এতিয়া আমি গোটেই মঞ্জুৰী খিনি গিল'টিনত দিব বিচাৰিছো। এতিয়া পৰিপূৰক দাবী মঞ্জুৰী সমূহ হ'ল- ৬৪, ১, ১২,১৪,১৭,১৯, ২২, ২৫, ২৬, ২৭, ৩১, ৩৮, ৩৯, ৪৩,৪৪, ৪৯, ৫৬, ৫৭, ৫৮,৭১ আৰু ৭৭ সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যি সকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱ সমূহৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়।

যি সকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে তেখেত সকলে কওঁক নহয়।

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে পৰিপূৰক দাবী মঞ্জুৰী নং-৬৪, ১, ১২,১৪,১৭,১৯, ২২, ২৫, ২৬, ২৭, ৩১, ৩৮, ৩৯, ৪৩,৪৪, ৪৯, ৫৬, ৫৭, ৫৮,৭১ আৰু ৭৭ গৃহীত হ'ল ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই " দি আসাম বিনিয়োজন (নং- 1 )বিধেয়ক, ২০২০ উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবৰ বাবে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " দি আসাম বিনিয়োজন (নং- 1 )বিধেয়ক, ২০২০" খন সদনত উৎথাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি প্ৰদান কৰে)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২০ চনৰ ৩ মাৰ্চ, তাৰিখত এটা বাণী পঠিয়াইছে। (মাননীয় অধ্যক্ষ ই বাণীটো সদনত পঢ়ি শুনাব)। যিহেতু নিয়মমতে অধ্যক্ষই বাণীটো পঢ়িব লাগে , গতিকে মই পঢ়ি দিছো।

"Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jogdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.1) Bill, 2020 in the Assam Legislative Assembly."

মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় . বিত্ত মন্ত্ৰীৰ হৈ মই " দি আসাম বিনিয়োজন (নং-1 ) বিধেয়ক ২০২০" খন সদনত উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰধান সচিবক বিধেয়ক খনৰ শিৰোনামা পঢ়িবৰ কাৰণে অনুৰোধ কৰিছো।

প্ৰধান সচিব ঃ বিধেয়ক খনৰ শিৰোনামা " দি আসাম বিনিয়োজন (নং- 1) বিধেয়ক ২০২০"।

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা এই বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। এই বাণীটো মই পুনৰ পঢ়ি দিছো।

"Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jogdish Mukhi, Governor of Assam, recommend that the Assam Appropriation (No.1) Bill, 2020 be taken into consideration by the Assam Legislative Assembly."

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় . বিত্ত মন্ত্ৰীৰ হৈ মই " দি আসাম বিনিয়োজন (নং- 1) বিধেয়ক ২০২০" খন বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উৎথাপণ কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিনিয়োজন বিধেয়ক খনত যিটো Grant No.26, Higher Education, ইয়াত আমি দেখা পাইছো ১০ কোটি টকা দাবী মঞ্জুৰী বিচৰা হৈছে। ইয়াৰ পূৰ্বে আমাৰ শিক্ষা মন্ত্ৰী যেতিয়া ভট্টাচাৰ্য্য আছিল তেতিয়া যোৱা গ্ৰীষ্ম কালীন অধিবেশনত

তেখেতে এটা প্ৰতিশ্ৰুতি দিছিল যে ভেনচাৰ শিক্ষানুষ্ঠান সমূহ প্ৰাদেশিকীকৰণ কৰাৰ কাৰণে চলিত বিত্তীয় বৰ্ষৰ ভিতৰত প্ৰাদেশীকিকৰণ সম্পূৰ্ণ কৰিব। আকৌ যেতিয়া শীতকালিন অধিবেশনত এই বিনিয়োজন বিধেয়েকখন পাৰিত কৰা হৈছিল তেতিয়া আকৌ ৫০০ কোটি টকা ধৰা হৈছিল। তেতিয়া তেখেতে কৈছিল যে এই ৫০০ কোটি টকা ভেনচাৰ স্কুল প্ৰাদেশীকিকৰণ কৰাৰ বাবে ইয়াত প্ৰস্তাৱ ৰখা হৈছে। এতিয়া মাৰ্চ মাহ আহি পালে আৰু মাত্ৰ কেইটামান দিনৰ পিচতে এই বিত্তীয় বছৰ শেষ হ'ব। ইয়াত দেখা গৈছে Higher Education ত১০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।গতিকে পূৰ্বৰ প্ৰতি শ্ৰুতিঅনুসৰি আমাৰ দাবী মঞ্জুৰী শীতকালীন অধিবেশনত ৫০০ কোটি টকা ৰখা হৈছিল Provincialised ৰ বাবে। এই বিত্তীয় বৰ্ষত কৰিব বুলি কৈছিল। এতিয়া ৩১ মাৰ্চৰ ভিতৰত কৰা হবনে? সেই টকা ৰাখি থোৱা হৈছে নেকি? যিহেতু এতিয়া লৈকে Declareকৰা হোৱা নাই। সেয়েহে এই বিষয়ত আমি স্পষ্ট হ'ব পৰা নাই। গতিকে মই ভাবিছো এই বিষয়ে স্পষ্টীকৰণ দিলে ভাল হয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই যিটো বিষয় আমাৰ মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰিছে, এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু চৰকাৰে এই গোটেই কথাখিনি বিবেচনা কৰি আছে এই কাৰণে যে ভেনচাৰ স্কুল, কলেজ যিখিনি আছে সেই সম্পৰ্কত ইতিমধ্য দুখন আইন বিধান সভাত আহিল । ২০১১ ত আহিল আৰু তাৰ পৰৱৰ্তী দিনটো আহিল। গতিকে এই গোটেই কথা খিনি চৰকাৰৰ বিবেচনাধীন হৈ আছে। মই আজিৰ দিনটোত এটা কথাই ক'ম যে এই বিষয়টো লৈ চৰকাৰে নিশ্চয় চিন্তা-চৰ্চা কৰিছে। আগন্তুক দিনত হয়তো ইয়াৰ এটা ভাল উত্তৰ পোৱা যাব আৰু ভেনচাৰ স্কুল,কলেজ ৰ ক্ষেত্ৰত চৰকাৰৰ যি আন্তৰিকতা সেইখিনি আছে। কিন্তু এই যি ১০ কোটি টকা ধৰা হৈছে এইটো

Provincialised বা অন্য কাৰণে ধৰা হোৱা নাই।কাৰণ Provincialised ৰ কাৰণে ১০ কোটি টকাত নহয়। গতিকে আগত যিখিনি টকা ধৰা হৈছিল সেই কথাখিনি বিবেচনা কৰি থকা হৈছে। অধ্যক্ষ ডাঙৰীয়া আমাৰ বহুত চৰকাৰী স্কুল এনেকুৱা অৱস্থাত আছে য'ত ৪ জন শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী ৮-১০ জন হ'ব। এনেকৈ আমি বহুত স্কুল ক্লাব কৰিব লগীয়া হৈছে।। ঠিক তেনেদৰে ভেঞ্চাৰ স্কুল বা কলেজ সমূহতো enrolmentৰposition তো কি হৈ আছে চৰকাৰে এটা অধ্যয়ন কৰি আছে। অধ্যয়নৰ ভিত্তিতে সিদ্ধান্ত ল'ব পৰা যাব। মাননীয় সদস্য গৰাকীয়ে হয়তো জানে আপোনাৰ সমষ্টিটো আছে, আমাৰ সমষ্টিতো আছে আৰু সকলোৰে সমষ্টিতে আছে। যদি চৰকাৰী স্কুলৰে এই দুৰৱস্থা হৈছে তেনেহ'লে ভেনচাৰ স্কুল, কলেজৰ কি অৱস্থা হ'ব? গতিকে সেই সম্পৰ্কত চৰকাৰে নিশ্চয় কথাখিনি গুৰুত্ব সহকাৰে ল'ব।

**মাননীয় অধ্যক্ষ ঃ** যিহেতুকে অহা কালি বাজেট দাখিল কৰিব সেয়ে আমি অপেক্ষা কৰা ভাল।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (গুৱাহাটী পশ্চিম) ঃ** অধ্যক্ষ মহোদয়, এটা ক'অপাৰেচনত আছে, আমাৰ এখন ক'অপাৰেটিভ ইউনিভাৰ্চিটি শিৱসাগৰত আছে। তাতে বিল্ডিং ইনফ্ৰাষ্ট্ৰাক্চাৰৰ কাৰণে টকাও ধৰিছিল যিখিনি টকা তেওঁলোকে এতিয়ালৈকে পোৱা নাই। গতি কে ইয়াত সেই টকাখিনি অন্তৰ্ভুক্ত আছে নে নাই?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া এগৰাকী অভিজ্ঞ বিধায়ক আৰু তেখেত প্ৰায় ২০ বছৰ ধৰি বিধান সভাত আছে। বাজেটত আমি token হিচাপে ধৰি থৈ দিওঁ যে এইখিনি ক'অপাৰ্টিভ ইউনিভাৰ্চিটিৰ বাবে ধাৰ্য কৰা পইচা।ট'কেন হিচাপে ৰাখি থোৱাৰ উদ্দেশ্যটোৱে এইটো যে তাত এটা বাজেট প্ৰভিজন ৰাখি থোৱা হৈছে।গতিকে তাত যিহেতু বাজেট provision ৰখা হৈছে গতিকে আমি ১০০ টকা ৰাখিলেও হ'ব , বহুত পইচা ৰাখিবলাগিব বুলি কোনো কথা নাই।১০০ টকা ৰাখিলেও যদি ইউনিভাৰ্চিটিখন কৰিবলৈ ৫০০ বা ৬০০ কোটিৰো দৰকাৰ হয়, তেন্তে সেইটো পিছত supplementary হিচাপে আনিব পৰা যায়। এইটো পইচা তাৰে পইচা নহয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো বেলেগ এটা কাৰণত পইচাটো ৰাখিছে। আপুনি পিছত গম পাব। গতিকে বাজেটলৈ অপেক্ষা কৰক।

মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছো যে- "দি আসাম বিনিয়োজন (নং-1) বিধেয়ক, ২০২০" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সন্মানীয় সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়।

(সদনে অনুমতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনত উত্থাপন কৰিছো।

বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য/সদস্যা অনুসূচীখনৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়।

(সদনে অনুমতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে বিধেয়কখনৰ ২নং আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনত উত্থাপন কৰিব বিচাৰিছো।

প্ৰশ্নটো হ'ল,

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক, নহয়।

(সদনে অনুমতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হৈছে বুলি ঘোষণা কৰিছো।

এতিয়া মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰাৰ বাবে বিত্ত মন্ত্ৰীৰ হৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় বিত্তমন্ত্ৰীৰ হৈ " দি আসাম বিনিয়োজন (নং- 1) বিধেয়ক ২০২০" খন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাব উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক, নহয়।

(সদনে অনুমতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে ,বিধেয়কখনো পাৰিত হৈছে।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যা

সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো।

এতিয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই বিত্তমন্ত্ৰীৰ হৈ বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় বিত্ত মন্ত্ৰীৰ হৈ অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০২০ পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** - যিসকল মাননীয় সদস্য/সদস্যা

সপক্ষে আছে তেখেতসকলে কওঁক, ‘হয়’
যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, ‘নহয়’
**(সদনত ধ্বনিভোটৰ পিছত)**
মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে।
প্ৰস্তাৱটো পাৰিত কৰা হৈছে।
বিধেয়কখনো পাৰিত কৰা হৈছে।

এতিয়া এটা সদনৰ পৰা সন্মতি লব খোজো, সাধাৰণতে নতুন Rule এটা হলে সাত দিন আমি সময় দিও। যদি সাত দিনৰ ভিতৰত কোনো সংশোধনী নাহে তেতিয়া আমি notify কৰি দিও। আমি শুক্ৰবাৰৰ দিনা পিছবেলাতো বন্ধ কৰি সদন ৰাতিপুৱা **৯.০০** বজাৰ পৰা ৰাতিপুৱা **১১.৩০** বজালৈ কৰিলো। আমি এটা Rule ইতিমধ্যে frame কৰিলো। BAC, Rule Committe য়ে বিষয়তো উত্থাপন কৰি নিয়ম সংশোধন কৰিলে। কাইলৈ পাচঁ দিন হয়, মোৰ যিটো residuary power আছে, সেই মতে মই দুদিন আগতিয়াকৈ এইটো হৈছে বুলি ঘোষণা কৰিব পাৰোনে। so, that tomorrow we can start the proceedings at 9‘o’ clock in the morning. মই ভাবো ইয়াত আমাৰ সকলো সদস্য /সদস্যাৰে সন্মতি আছে। এইক্ষেত্ৰত সাত দিন সময় দিয়া হয় যাতে কোনোবাই সংশোধনী দিব পাৰে। অৱশ্যে এতিয়া কাইলৈৰ পৰা আমি এই Rule টো কাৰ্য্যকৰী কৰিম। কাইলৈ বিধান সভা পুৱা **৯.০০** বজাৰ পৰা আৰম্ভ হ’ব আৰু যিহেতু বাজেটখন অলপ দিঘলীয়া হ’ব, সেই কাৰণে পিছবেলা **২.০০** বজাৰ পৰা সদন আৰম্ভ কৰিব খুজিছো। গতিকে মই ভাৱো এই দুটা কথাত নিশ্চিত ভাবে সদনৰ সন্মতি আছে।

**শ্ৰী শ্বেৰমান আলি (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি সদন স্থগিত কৰাৰ আগতে এটা point of order আনিব খুজিছো। কাইলৈ বাজেট উত্থাপন হ’ব, বাজেটৰ ওপৰত আলোচনা হ’ব। Before presentation of the Budget, আমাৰ economic survey খন দিলে ভাল হয় আৰু এতিয়ালৈকে statistical hand book খনো দিয়া নাই। statistical hand book & economic survey combined together will give the total economic picture of the state, so the statistical hand book should have been given to us by today. যদিও দিয়া নাই কাইলৈ বাজেট উত্থাপন কৰাৰ আগতে statistical hand book টো যাতে দিয়া হয়।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে, statistical hand book ৰ কথাটো মই note কৰি লৈছো।

**এতিয়া মই সদন কালিলৈ পুৱা ৯.০০ বজালৈ স্থগিত ৰাখিছো।**